# মিঃ নি

# ভাৰৰীয়াৰ ৰহস্য



শ্ৰীযাদৱ চন্দ্ৰ দাস

# নিংনি ভাৰৰীয়াৰ ৰহস্য

শ্ৰীযাদব চন্দ্ৰ দাস
প্ৰাক্তন প্ৰশিক্ষক, হাউলী নৰ্মাল স্কুল।

Central Library
Assam Womens University
Acession No.:...........................
Date.......................................

পঞ্চৰতন ফাৰ্ম্ম
পোঃ হাউলী, বৰপেটা, অসম

প্ৰকাশক—
শ্ৰী জে, দাস।
পঞ্চৰতন ফাৰ্ম্ম
পোঃ হাউলী, বৰপেটা।

১ম তাঙৰণ ১৩৫৬ (ইং ১৯৪৯)
২য় তাঙৰণ ১৩৬৩ (ইং ১৯৫৬)
৩য় তাঙৰণ ১৩৭৬ (ইং ১৯৬৯)
৪ৰ্থ তাঙৰণ ১৩৮৭ (ইং ১৯৮০)
৫ম তাঙৰণ ১৩৯১ (ইং ১৯৮৪)
৬ষ্ঠ তাঙৰণ ১৩৯৪ (ইং ১৯৮৭)

বেচ—আঠ টকা মাত্ৰ।

মুদ্ৰাকৰ :—
শ্ৰীনন্দদুলাল চক্ৰৱৰ্ত্তী
শ্ৰীতাৰা প্ৰেছ
৩৯/৪ ৰামতনু বোস লেন, কলিকতা—৬

## ঃ উছৰ্গা ঃ

অসমপ্ৰাণ, নিৰ্ভীক জাতীয় বীৰ, মোৰ অন্তৰতম ভক্তিৰ
পাত্ৰ পৰম শ্ৰদ্ধেয় শ্ৰীযুক্ত অম্বিকাগিৰি
ৰায়চৌধুৰী দেৱলৈ এই
পুথিখনি উছৰ্গিত হ'ল।

একান্ত প্ৰণত
যাদৱ

# ॥ পাতনি ॥

নিংনি এজন বৰপেটাৰ সৰবৰহী স্বভাৱ কৱি আৰু ৰচিক ভাৱৰীয়া। সেই অদ্ভুত গুণাৱলীৰ কাৰণে তেওঁ আজিলৈ মৰিও অমৰ। প্ৰত্যেক গাৱেঁ গাৱেঁ এনেকি ঘৰে ঘৰে সেই ৰচিকতাপূৰ্ণ কথোপকথনৰদ্বাৰা মানুহে প্ৰাণত অপাৰ আনন্দ, স্ফূৰ্তি উপলব্ধি কৰি আহিছে। দুই এজন লিখকৰ দ্বাৰা ২।১টি ৰহস্য লিপিবদ্ধ হলেও এই ৰচিক পুৰুষৰ জীৱন্তময় অদ্ভুত ৰহস্যবোৰ অধিকাংশ মানুহৰ মুখে মুখেই চলি মানুহ সমাজৰ ঘোৰ অশান্তি-অন্ধকাৰৰ মাজত অপাৰ শান্তি আৰু আনন্দৰ সোঁত বোৱাই দুঃখময় সংসাৰক এখন শান্তি আৰু আনন্দ ৰাজ্যত পৰিণত কৰি আহিছে। তেওঁৰ জীৱনৰ প্ৰতিটো কথা, প্ৰতি অঙ্গী-ভঙ্গীতে দৰ্শক আত্মহাৰা হৈছিল। তেওঁৰ গোটেই জীৱনটোৱে আছিল ৰহস্যময়। ঘৰে দুৱাৰে, বাটে পথে, হাটে-বজাৰে বিবাহ-উৎসৱে, যাত্ৰাই-ভাওনাই, কাছাৰী মন্দিৰে, সকলোতে নিংনি ভাৱৰীয়া আছিল সুখী-দুখী, সাধু গৃহী, শিক্ষিত-অশিক্ষিত, ৰজা-প্ৰজা, হাকিম-টেকেলা, লৰা-বুঢ়া, মুনিহ তিৰোতা প্ৰভৃতি মানুহ মাত্ৰৰে ধেমালিৰ পুতলা স্বৰূপ। নিংনি ভাৱৰীয়া আছিল নিৰক্ষৰ কিন্তু কৱিত্ব শক্তিত সৰস্বতী যেন কণ্ঠত হে আছিল। অনৰ্গল কৱিতাৰ দ্বাৰাই ৰহস্যৰ অৱতাৰণা কৰি জগতৰ সকলোকে মোহিব পাৰিছিল, সেইবাবেই তেওঁ বৰপেটালৈ যিসকল হাকিম আহে তেওঁলোক প্ৰত্যেকৰে কণ্ঠহাৰ স্বৰূপ আছিল—যাক নেদেখিলে এখন্তেকো থাকিব নোৱাৰিছিল। নিংনি ভাৱৰীয়াৰ প্ৰত্যেকটো ৰহস্যই একোখন কিতাপ হলহেঁতেন—গোটেই জীৱনৰ ঘটনাবোৰ লগে লগে লিপিবদ্ধ কৰাহেঁতেন কিজানি এটি ভড়ালত নধৰিলেহেঁতেন, কিন্তু আজি যিখিনি বুটলি আনি নিজ অভিজ্ঞতাৰ দ্বাৰা



সজাই-পৰাই প্ৰকাশ কৰা হ'ল সি অতি সামান্য মাত্ৰ। একপক্ষে নিংনি ভাৱৰীয়াৰ অসীম গুণাৱলীক সসীমলৈহে আনা হৈছে; এই অপাৰগতাৰ কাৰণে পঢ়ুৱৈসকলে যেন মোক ক্ষমা কৰে। নিংনি ভাৱৰীয়াৰ ৰহস্য আকৌ যিবোৰ সংগ্ৰহ কৰিব পৰা যাব—তাক ভৱিষ্যতলৈ ইয়াত ঠাই দিয়াৰ ইচ্ছা আছে। মোৰ অসমী আইৰ কোলাত বিচাৰিলে এনেকুৱা অসামান্য শক্তিসম্পন্ন স্বভাৱকবি ঠায়ে ঠায়ে আৰু ওলাব যে তাত সন্দেহ নাই। সেই সকলৰ গুণাৱলী সময়ৰ কোলাত জাহ যাবলৈ নিদি লিখিবলৈ চেষ্টা কৰিলে অসমী আইৰ সাহিত্য ভড়াল বহুত চহকী হব পাৰে বুলি ধাৰণা। বিশেষকৈ বৰনগৰৰ ৺লৰ্ফাৰাম ভাৱৰীয়া গোটেই অসম বিখ্যাত স্বভাৱকবি আছিল—তেওঁৰ উপযুক্ত জীৱনী এখন নোলোৱাতো আমাৰ দুখৰ কথা যেন পাওঁ। এই বিষয়ে সচেষ্ট হবলৈ মই আমাৰ উঠি অহা যুবক বন্ধু সকলৰ মনোযোগ আকৰ্ষণ কৰিলোঁ।

এই পুথিখনৰ ৰহস্যবোৰৰ লগত সংশ্লিষ্ট থকা হাকিম, বৰুৱা প্ৰভৃতি যিসকলৰ নাম উল্লেখ আছে তেখেত সকলৰ বংশ পৰিয়াল সকলে যেন কোনো বেয়া নাপায়, এয়ে একান্ত অনুৰোধ। তেখেত সকলক উল্লেখ কৰি লিখাৰ অইন ঘাই উদ্দেশ্য সেই সেই সময়ৰ সাময়িক বুৰঞ্জীৰ আভাস দিয়াটোহে।

তদুপৰি ৰহস্যবোৰ মানুহৰ মুখত এটি ঘটনাকে বেলেগ বেলেগ ঠাইত অনুষ্ঠিত বুলি আৰু নানা ভাবে মুখে মুখে কোৱা শুনা যায়; গতিকে যি দৰে লিখা হৈছে ঠিক সেই দৰে বা সেই ঠাইতে ঘটনা নহয় বুলি সকলোৰে মনঃপুত নহবও পাৰে, তাৰ বাবেও যেন ক্ষমা কৰে।

অৱশেষত জনাও যে এই পুথিখন লিখা অনেক বছৰ হ'ল। সৰ্ব প্ৰথমে এই হাউলীৰে বৰ্ত্তমান দৰং চাৰিআলি নিবাসী মোৰ পূজনীয় ককাইদেও ৺যোগেশচন্দ্ৰ দাসৰ সখিয়েক ডাঃ শ্ৰীযুক্ত অৰ্জ্জুন চন্দ্ৰ নাথে

অন্ততঃ ৬০ বছৰ আগেয়ে নিংনি ভাৱৰীয়াৰ ৰহস্য কিছুমান লিখিবলৈ আৰম্ভ কৰা দেখিছিলোঁ। তেতিয়া মই প্ৰাথমিক স্কুলৰ ছাত্ৰ। সেই সময়ত তেওঁ হাতে লিখা অৱস্থাতে দুটি এটি ৰহস্য পঢ়ি শুনোৱা মনত আছে। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁৰ জীৱনৰ গতিৰ পৰিৱৰ্ত্তনৰ লগে লগে সেই হাতে লিখা পুথি কৰবাত হেৰাই নোহোৱা হয়। মই সাবালক হোৱাৰ লগে লগে সেই ভাবটো জাগি কামটো কৰাৰ একান্ত আগ্ৰহ জন্মাত কেতিয়াবাই ইয়াক লিখি থৈ দিওঁ। বহুদিন পৰি থকাৰ পাছত মোৰ পূজ্যাস্পদ সুন্দৰীদীয়া নিবাসী প্ৰাঞ্জল সাহিত্যিক শ্ৰীযুক্ত শ্ৰীৰামচন্দ্ৰ দাস আৰু বৰপেটাৰ জনপ্ৰিয় সুশিক্ষক শ্ৰীযুক্ত অৰ্জ্জুনচন্দ্ৰ দাসে এবাৰকৈ চাই দি ছপাবলৈ উৎসাহিত কৰাতহে ইয়াক ছপাই উলিওৱা হ'ল। সেইবাবে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। এই পুথিৰ প্ৰথম তাঙৰণ ছপা হোৱাৰ পাচত জনা গ'ল নিংনি ভাৱৰীয়াৰ নবাৰ বংশধৰ হেনো এতিয়াও আছে। ভৱিষ্যতলৈ তেওঁলোকৰ বংশাৱলী এই পুথিত প্ৰকাশ কৰা হব।

'নিংনি ভাৱৰীয়া' লিখকৰ কোনো কাল্পনিক পুৰুষ বুলি যেন কোনেও নাভাবে। তেওঁ বৰপেটাৰ মাজৰহাটিৰ মানুহ আছিল। তেওঁৰ জীয়েক—পুতেকৰ ফালৰ বংশধৰ সকল এতিয়াও আছে। জীয়াৰীৰ ফালৰ বংশধৰ বৰ্ত্তমান গৱঃ হাইস্কুলৰ শিক্ষক ৺গিৰিশচন্দ্ৰ দাসে অসমৰ ৰেডিওত সুললিত কণ্ঠে গীত গাই শুনাই নিংনি ভাৱৰীয়াৰপ্ৰকৃত বংশধৰৰ পৰিচয় দিয়াত তেওঁক অন্তৰৰপৰা ধন্যবাদ জনালোঁ। আৰু নিংকিনৰ সৰ্ব্ব প্ৰথম লিখনীত যিমানেই ভুল নহওক কিয় নিজ গুণে ক্ষমা কৰিবলৈ সকলোকে অনুৰোধ কৰি কৰযোৰে প্ৰণতি জনালোঁ। ইতি—

অক্ষয়তৃতীয়া
১৩৯৪

বিনয়াৱনত
**লিখক**

# সূচীপত্ৰ

| ৰহস্যাৱলী | পৃষ্ঠা |
|---|---|
| ১ম ৰহস্য :—গাঙ্গাটোপৰ কথা … | ১ |
| ২য় ৰহস্য :—নাৱেৰে পাৰ হোৱা কথা … | ৩ |
| ৩য় ৰহস্য :—খাজনা ৰেহাই … | ৫ |
| ৪ৰ্থ ৰহস্য :—মৰা নদীত মাছমৰা … | ১০ |
| ৫ম ৰহস্য :—কাছৰ ৰহস্য … | ১১ |
| ৬ষ্ঠ ৰহস্য :—নিংনি ভাৱৰীয়াৰ লণ্ডন যাত্ৰা | ১৩ |
| ৭ম ৰহস্য :—মৌজাদাৰৰ লগত বন্ধুত্ব | ২১ |
| ৮ম ৰহস্য :—কলাবাপুৰ মাছ মৰা ৰহস্য | ২৬ |
| ৯ম ৰহস্য :—পণ্ডিতৰ নিগনি পুৱা ভক্ষণ | ২৭ |
| ১০ম ৰহস্য :—ঢেকীৰ গোৰক আৰু জৰিমনা মাফ | ২৯ |
| ১১শ ৰহস্য :—গাখীৰত পানী মিহলাই বেচাৰ প্ৰতিফল | ৩৩ |
| ১২শ ৰহস্য :—চাহাবৰ বেশে ভাৱৰীয়া : হাকিমৰ পোচাক বকচিচ … | ৩৫ |
| ১৩শ ৰহস্য :—হগাৰ সমান সুখ নাই … | ৪১ |
| ১৪শ ৰহস্য :—গৃহিণীৰ পৰা লাও খোজা … | ৪৫ |
| ১৫শ ৰহস্য :—যেনে কুকুৰ তেনে টাঙোন … | ৪৮ |
| ১৬শ ৰহস্য :—ধানবন্ধা গছৰ তলত পহুমৰা ঘটনা … | ৫৩ |
| ১৭শ ৰহস্য :—জলপাণ খোৱা ৰহস্য … | ৫৫ |
| ১৮শ ৰহস্য :—পণ্ডিতৰ বিলাই … | ৫৭ |
| ১৯শ ৰহস্য :—ভাৱনাত নিংনি ভাৱৰীয়া … | ৬২ |

২০শ ৰহস্য :— নামফটাৰ বিয়াৰ যৌতুকত নিংনি ভাৱৰীয়া ৬৪
২১শ ৰহস্য :—বুঢ়া আতৈৰ দশা ... ৬৯
২২শ ৰহস্য :—ৰায়চাহাবৰ বিলাই ... ৭৫
২৩শ ৰহস্য :—বঙালী কবিৰ লগত ফেৰ ... ৮১
২৪শ ৰহস্য : - বৰপেটাৰ নাও খেলত নিংনি ভাৱৰীয়া ৮৩
২৫শ ৰহস্য :—যজ্ঞুৰামৰ মুক্তি ... ৯১
২৬শ ৰহস্য :—কটিয়েদি ধোৰা কাউৰ ওলোৱা ... ১০২
২৭শ ৰহস্য :—তিৰোতাৰ সজাত নাই ... ১০৪
২৮শ ৰহস্য :—জুৱাখেল ধৰা ৰহস্য ... ১০৯

---

# ১ম ৰহস্য

## গাঙ্গাটোপৰ কথা

কেম্বল চাহাবৰ পাচত বৰপেটালৈ ফটিক বৰুৱা হাকিম হৈ আহিছিল। ফটিক বৰুৱা হৃষ্ট পুষ্ট পেট ডাঙৰ মানুহ। সেই সময়ত হাউলীত এটা ফৰেষ্ট্ বিভাগৰ কেম্প্ আছিল। হাকিম বাহাদুৰে হাউলীৰ ফালে মাজে সময়ে পহু চিকাৰ কৰিবলৈ আহিছিল। সেই সময়ত বৰপেটা মহকুমাত বহুত হাবি-জঙ্গলে ভৰা ঠাই আছিল আৰু সেইবোৰত জাকে জাকে পহু ওলাইছিল। হাকিম বাহাদুৰে হাতীত উঠি চিকাৰলৈ আহে আৰু লগতে নিংনি ভাৱৰীয়াকো লৈ আহে। নিংনি ভাৱৰীয়া নহলে তেওঁৰ আমোদ নিমিতে। তেওঁ নিজেও ভাৱৰীয়া ধৰণৰ মানুহ আছিল। সেইবাবে কথাৰ চুপতি মাৰি থাকিবলৈ নিংনি ভাৱৰীয়াক উপযুক্ত লগ পাইছিল। ওৰে দিনটো চিকাৰত ফুৰি গধূলি ঘূৰি আহি হাকিম বাহাদুৰে হাউলীৰ ফৰেষ্ট্ অফিচত জিৰালে। ৰাতি খোৱা-বোৱাৰ পিচত তামোল চালি খাই গুৰ্‌গুৰি হোকা টানি হলা মাইচাত হাকিম বাহাদুৰ বহিছে। ভাৱৰীয়াই ওচৰতে বহি আছে। কথা প্ৰসঙ্গত হাকিম বাহাদুৰে নিংনি ভাৱৰীয়াক

সুধিলে – ভাৱৰীয়া ! মোক বাৰু কেনে দেখি কোৱাচোন। ভাৱৰীয়াই কলে "কেনেনো দেখিব হুজুৰ ! অৱশ্যে বেয়া নাপায় যদিহে কব পাৰোঁ।" "কোনো ভয় নাই, কোৱা মই কেনে হৈছোঁ।" "কবলাগে যদি কওঁ হুজুৰ বেয়া নাপায় যেন। হুজুৰ ! আপোনাক ঠিক "গাঙ্গাটোপটো" যেন দেখি।" "কি কোৱা ?" হয় হুজুৰ ! যি কৈছোঁ ঠিকেই কৈছোঁ।" হাকিমে মনে মনে অলপ বেয়া পাইছে। হয়নে,--"যোৱাহে, তুমি বৰ নিলাজ মানুহ। আজিৰ পৰা তুমি মোক মুখ নেদেখুৱাবা। "বাৰু হুজুৰ" এই বুলি ভাৱৰীয়াই মুখ ঘূৰালে। এইবাৰ সেই দৰেই গ'ল।

কেইদিনমান পিচত ভাৱৰীয়াই পুৰণা আলিয়েদি হাউলীৰ ফালৰ পৰা যায় আৰু ইপিনে বৰুৱা হাকিমে বৰপেটাৰ পৰা মফচললৈ আহে। হাউলীৰ পৰা বৰপেটালৈ যোৱা পুৰণি আলিবাটৰ প্ৰায় মাজভাগতে হগলবাৰীৰ ঘাট নামৰ ঠাইত দুয়োৰো দেখাদেখি হয়। ভাৱৰীয়াই দূৰৰ পৰাই হাকিম বাহাদুৰ অহা গম পাই হাকিমক মুখ নেদেখুৱাবলৈ বুধি এটা সাজিলে। সি কাপোৰ কানি কোচাই লৈ তপিনা নেকেটাই তাৰ জংলাৰ পৰা চুণৰ টেমীটো উলিয়াই দুই তপিনাত দুটা চুণৰ ফোট মাৰিলে।

তাৰ পিচত ওলোটা খৎ দি মূৰটো তল কৰি হাতৰ মাজতে মুখ লুকাই তপিনা ওপৰ কৰি, ভৰি দুখন আঠুতে ভাজ লগাই কিম্ভুতকিমাকাৰ হৈ থিয় হৈ থাকিল। বৰুৱাই তাক দূৰতে দেখিছে যদিও মানুহ নে কি চিনিব পৰা নাই। ওচৰ পাই দেখে যে এটা মানুহ, কিন্তু কোন মানুহ তেতিয়াও চিন ধৰিব



পৰা নাছিল। হাকিমে সুধিলে "হেৰ ! তই কোন অ' কিয় এই দৰে আছ ?" ভাৱৰীয়াই সেইভাবে থাকিয়েই উত্তৰ দিলে "হুজুৰ ! মই নিংনি, হুজুৰে মোৰ মুখ নাচাও বুলিছিল দেখি এইদৰে আছোঁ।" হাকিমে নিংনি ভাৱৰীয়াৰ কথা শুনি হাঁহি পেলালত ভাৱৰীয়াই হাকিমৰ ফালে পিঠি দি থিয় হ'ল আৰু মূৰটো আগৰ ফালে হলাই আৰু মাজ ডোখৰ হাকিমৰ ফালে ভাজ লগাই হাকিমক চালাম দিলে। ভাৱৰীয়াৰ ভাও দেখি হাকিমে হাঁহি হাঁহি থৰ পৰিল। তাৰ পাচত "বাৰু আজিৰ পৰা তোৰ মুখ চাম" বুলি কলতহে মুখ ঘূৰাই হাকিমৰ সন্মুখহৈ দেখা দিলে। ভাৱৰীয়াৰ মুখত নানান ৰহস্যৰ কথা শুনি শুনি আনন্দ কৰি হাকিমে তাক আগৰ দৰে লগত লৈ মফচললৈ গ'ল।

## ২য় ৰহস্য

### নাৰেৰে পাৰ হোৱা কথা

বৰপেটাৰ কাছাৰীঘৰ চাউলখোৱা নদীৰ ওচৰতে। কাছাৰী ঘৰৰ পাচ ফালেদি মৰানদী বৈ গৈছে। মৰানদীটো হাকিমৰ বঙলাৰ সন্মুখতে। এদিন হাকিমক ছলকবাৰ উদ্দেশ্যে ভাৱৰীয়াই এটা বুধি সাজিলে।

ভাৱৰীয়াই "কেৰিকেচাৰ" বৰ ভালকৈ জানিছিল। কেবাজনো মানুহৰ মাত মতা, পশুৰ মাত, সাপৰ মাত, পখীৰ মাত আদি সকলো মাত ভাৱৰীয়াই অবিকল অনুকৰণ কৰিব পাৰিছিল। সময়ে সময়ে সেই দৰে নানা মাত মাতি মানুহক তবধ মনাইছিল।

সেইদিনা ৰাতি অনুমান ১১টা বাজিছে—হাকিম কেম্বল চাহাব আৰু মেমে খাই বৈ শুবৰ যো-জা কৰিছে। বতৰ ডাৱৰীয়া, শুবলৈকো সুখকৰ হৈ পৰিছে। এনে সময়তে ভাৰৱীয়াই মৰা নদীৰ ঘাটৰ সিপাৰে এজনী তিৰোতাৰ বেশ ধৰি মূৰে গায়ে কাপোৰ লৈ বহি কান্দিবলৈ ধৰিলে। এবাৰ "তোৱা তোৱা' কৈ কেচুৱাৰ কান্দোন কান্দে আৰু কিছু সময় থাকি এবাৰ কোনোবা তিৰোতাই যেন সেই নিশা ঘাট পাৰ হব নোৱাৰি মহা বিপদত পৰি খেদ কৰি কৰিহে কান্দিব লাগিছে। সি এজনেই এনেকুৱা দুইৰকমৰ কান্দোন উলিয়াইছে। হাকিম কেম্বল চাহাব বৰকৰ্ত্তব্যপৰায়ণ লোক আছিল। শুবলৈ ওলাইছে এনেতে সেই মাজ নিশা তিৰোতা আৰু কেচুৱাৰ কান্দোনৰ ৰব শুনি থিৰে থাকিব নোৱাৰিলে। কোনো তিৰোতা মানুহ বিপদত পৰা বুলি জানিব পাৰি তৎক্ষণাৎ ঘাটলৈ লৰ দিলে আৰু ইপাৰৰ পৰা নাওবঠা লৈ নদী পাৰহৈ সিপাৰ ওলাল। হাকিম গৈ ওচৰ পাই দেখে সেই বিপদগ্ৰস্তা তিৰোতা জনীৰ কোলাত কেচুৱা এটা কাপোৰেৰে ঢকা আছে। তাইৰ মূৰত ওৰণী। চাহাবে "তুমি কৰ পৰা আহিছা, কলৈ যাবা, কি হৈছে ?" ইত্যাদি প্ৰশ্ন সুধিলে, কিন্তু মানুহ জনীয়ে ফেকুৰি ফেকুৰি কান্দেহে কান্দে। কান্দোনতে কথা নোলায়। আধাফুটা মাতে কপিজপি কোনোমতে "বৰপেটাক যাম" বুলি উত্তৰ দিলে। তিৰোতাজনী যেন ভোকে পিয়াহে অস্থিৰ, উঠিবই নোৱাৰে। হাকিমে নিৰুপায় হৈ হাতত ধৰি থিয় কৰি কোনো মতে মানুহ জনীক নাৱত তুলিলে আৰু তেওঁ নিজে নাও বাই



লৈ আহিল। ইফালে চাহাব অহা দেখি পাছে পাছে মেমেও মৰা নদীৰ পাৰলৈ আহি তিৰোতাজনীৰ বিলাই চাবলৈ অপেক্ষা কৰি আছে। ইপাৰে আহি নাও ঘাটত লগা মাত্ৰে আথে বেথে মেমে মানুহজনীক বাহু এখনত ধৰি পাৰলৈ তুলিলে। পাৰত উঠিয়েই ভাৰৱীয়া ওৰণীখন গুচাই দিলত দেখে যে, নিংনি ভাৰৱীয়া। ভাৰৱীয়াই মুখৰ পিনে চায়েই কবিতা গালে—

> কি কব দেউতা !
> আইদেউৰ লগতে থঁলো বাজি
> সামান্য বাওনাই আকাশত উঠিলো
> হাকিমক বোৱালো আজি।

দেউতা ! মাফ্ কৰিব। আইদেউ ! মাফ্ কৰিব। সেইদিন হাকিমক খটাব পাৰিলে বক্‌চিচ্ দিম বুলিছিল এতিয়া দিয়ক হি। "বক্‌চিচ্ লোৱাহি" এই বুলি মেম চাহাবে ভাৰৱীয়াৰ ঘাৰত পাৰে মানে ভুকুৱাই হাঁহি হাঁহি তাক লগত লৈ বঙলালৈ আহিল।

## ৩য় ৰহস্য

### খাজনা ৰেহাই

নিংনি ভাৰৱীয়াৰ ৰজাৰ খাজনা দিবলৈ প্ৰায় মনতে নাথাকে। সময়মতে খাজনা নিদিয়া দেখি মৌজাদাৰে নিংনি ভাৰৱীয়াৰ ওপৰত ক্ৰোকি পৰওনা বাহিৰ কৰিলে। পিয়াদাই ভাৰৱীয়াৰ

ঘৰলৈ কাহি-বাটি, লাম-লাকটু যি আছিল সোপাকে লৈ গুচি আহিল। ভাৰৰীয়া নিৰুপায়ত পৰিল। সি যথা সময়ত হাকিমক দুৰ্দ্দশাৰ কথা কবলৈ অপেক্ষা কৰিলে। কলপাত কাটি মাটিৰ চৰুত ভাত ৰান্ধি কোনোমতে ২।৪ দিন চলি থাকিল।

দুদিন পিচত মৌজাদাৰে কোনো কামত হাকিমৰ বঙলালৈ গৈছে। সেই সময়ত ৺মাধৱচন্দ্ৰ বৰদলৈ হাকিম আছিল। ভাৰৰীয়াই কেতিয়ানো মৌজাদাৰে হাকিমৰ বঙলালৈ যায় তাৰ গম লৈ আছিল। হাকিম আৰু মৌজাদাৰে কথা পাতি আছে এনেতে গৈ ফেকুৰি ফেকুৰি কান্দি কান্দি নিংনি ভাৰৰীয়া উপস্থিত হ'ল। হাকিমে কোনো বিপদ হোৱা বুলি জানিব পাৰিলে। তেওঁ ভাৰৰীয়াক কান্দিবলৈ যিমানেই হাক দিয়ে সি সিমানেই তাৰ কান্দোন ৰাখিব নোৱাৰা হল। "ক তোৰ কি হৈছে, নাকান্দিবি" বুলি বহুত শান্ত্বনা দিয়াৰ পাচত কোনোমতে ভাৰৰীয়া অলপ স্থিৰ হ'ল আৰু লাহে লাহে ভঙামাতে কবলৈ ধৰিলে

দেউতা! মোৰ দুখৰ কথা কাৰ আগত কম।
যাৰে আশ্ৰয় গ্ৰহণ কৰোঁ সেয়ে হয়গৈ যম॥
ভাইগত আছিল মোৰ ইহেন দুৰ্গতি।
কোনে দুঃখ পতিয়াব কলে ভাঙি পাতি॥
আপুনি হৈছে বৰ বাপ মৌজাদাৰ সৰু।
বোপাৰ ওচৰতে মই বুকু ঢাকুৰি মৰু॥
নালাগে শুনিব মোৰ যত দুখৰ কথা।
বোপা সকলক মই কিয় দিও ব্যথা॥



যি হইছে মোৰেই ভাইগত আনক নিদিও দোষ।
পৰক দোষী আপোনাক নকৰো অসন্তোষ॥

এই বুলি কপাল চপৰিয়াই কান্দি কান্দি গৈ থাকিল। হাকিমে কলে "নহয় ভাৰৰীয়া! এই বিলাক বাৰে-ভচহু কথা বলকিছা কেলেই, আচল কথাটো কৈ নিদিয়া কিয়?" মৌজাদাৰেও হাকিমৰ লগতে সুৰ ধৰি কলে— "কোৱা কোৱা, নোকোৱানো কেলেই।" এই বুলি কৈ যাবলৈ মনকৰি চেয়াৰৰ পৰা উঠিব খোজোতেই হাকিমে তেওঁক "ৰব, কলৈ যায়, ভাৰৰীয়াৰ ৰহস্যটোকে চাই যাওক চোন" বুলি কলত মৌজাদাৰে বহিবলৈ বাধ্য হ'ল।

ভাৰৰীয়াই কবলৈ ধৰিলে—

কি কম দেউতা!

কাউৰৰ বাঁহৰ দৰে এটি ভঙা পজা লৈ।
কোনোমতে সোমাই থাকোঁ লুৰি দুপ্‌ৰি হৈ॥
কানি কাপোৰৰ পিনেও ফটা চিতাই দশা।
কি দৰে যে দিন কটাও লৈ পালি পখা॥
ধান খেৰৰ বিচনা মোৰ এহতীয়া তুলি।
খুদ্‌ কণকে ৰান্ধি খাওঁ জহা চাউল বুলি॥
তিৰীক নোৱাৰো দিব লেমপুৰ গাম খাৰু।
সেইবাবে দিনে ৰাতি গালি খাই খাই মৰোঁ॥
চলিয়ে যদি খোজে দুধ ময়দাকে গুলি দিও।
পিঠা গুড়িৰ চুজিকৰি মোহনভোগ খুৱাও॥
বস্তি মাটি এডুখুৰি সাতাম পুৰুষীয়া।
সেয়ে মোৰ স্থায়ী সম্পত্তি হাজাৰ টকীয়া॥

কলপাতত ভাত খাওঁতে গল জনম মোৰ।
কোনোমতে বাচন থিনি কৰিছিলোঁ যোৰ ।
সিও যে নাছিল হায় মোৰ পুৰা কপালত।
ৰন্ধা ভাত পেলাই দিও নিলে দুপৰত ॥

তেতিয়া হাকিমে কলে—উঃ দিন দুপৰতে ৰন্ধাভাত পেলাই দি বাচন লৈ গ'ল। ই কি কথা! চুৰি নহয়, ই দিন ডকাইতি। কোনে নিলে? মানুহ নিচিনিলি নে? তই মানুহৰ নাম ক, মই এতিয়াই চিপাহী পঠিয়াই ধৰি আনিম।" মৌজাদাৰে সেকেতা সেকেতি লগালে।

ভাৱৰীয়া- দেউতা! চোৰো নহয়, ডকাইতো নহয় বৰলোকৰ কাম।
সৰুক হলে ভয় নকৰোঁ কেচাই পুৰি খাম॥
চোৰ ডকাইত নাহে মোৰ চোতাল চটকিব।
আহিলে নো কি পাব কোন সোপা নিব॥
ই অতি অদ্ভুত চোৰ দিনত চুৰ কৰে।
মানুহ থাকোঁতে লৈ যায় শকতি কাৰ ধৰে॥
ধনীক হলে নমস্কাৰ দুখীৰ ঘৰকহে যায়।
দুখীৰ ঘৰৰ সোপাকে আনে য'তে যি পায়॥
দুখীয়াৰ দুঃখ দুৰ্গতি নুগুচে একোতে।
পূৰ্ব্ব জনমৰ পাপ ভুগে এই জনমতে॥
মাটিকে খামচি মৰে নোলায় পেটৰ ভাত।
বুকৰ তেজ পানী কৰি পায় চুৱা পাত॥
ধনীয়ে নিয়ে তেজ শুহি তেজপিয়াৰ দৰে।
ৰজা হৈছে গো বাঘা সিও সুখে নেৰে॥
সকলে বোপা এৰিলে দয়া জগত কিবা হ'ল।
ৰজা আৰু এখোপ চৰা দেখা কলিৰ বল॥



হাকিমে কলে—তই তোৰ কথা ক। ৰাজ-নিন্দা কৰিবলৈ ধৰিলি কেলেই?

ভাৱৰীয়া! শুনক দেউতা! মোৰ সকলো ঘটনা।
এতিয়াই পেলাম কৈ নিদিওঁ যাতনা॥
বস্তি-মাটি এডুখুৰি সাতাম পুৰুষীয়া।
সেয়ে মোৰ স্থায়ী সম্পত্তি হাজাৰ টকীয়া॥
পাঁচটি টকা তাৰবাবে মৌজাদাৰে পায়।
সময়মতে সুজিবলৈ নোৱাৰিলো দায়।
এই দোষতেই দেউতা! ৰজাৰ দূত গৈ।
দুপৰীয়া বঢ়া ভাতৰ কাঁহী পালে গৈ॥
খাই উঠি দিম বুলি কলোঁ হাতযোৰ কৰি।
টান মাৰি লৈ আহিল পাগ চুৱা কৰি॥
সেই দুখতে দুদিন ধৰি একো খোৱা নাই।
তিৰী ছলিও পৰি আছে কি চাব বিলাই॥
দেউতাক সকলো কথা খৰচি মাৰি কলোঁ।
মৌজাদাৰ আগতে আছে ক্ষমিব সকলো॥
নকৰে যদিহে দেউতা! ইয়াৰ প্ৰতিকাৰ।
অনশনে ওৰ কৰিম এই যন্ত্ৰণাৰ॥

ভাৱৰীয়াই উবুৰি খাই পৰিল। হাকিমে মৌজাদাৰক ভাৱৰীয়াৰ অলপীয়া খাজনাৰ বাবে এনেকুৱা অন্যায় ব্যৱহাৰ কৰাবাবে ভৱিষ্যতলৈ সাৱধান কৰি দিলে। হাকিমৰ অনুগ্ৰহত তেতিয়াৰ পৰা ভাৱৰীয়াৰ খাজনা সম্পূৰ্ণ মাফ্ হ'ল।

———

# ৪র্থ ৰহস্য

## মৰা নদীত মাছ মৰা

খৰালি মৰানদীৰ পানী কমি যায় আৰু বাইজে ইয়াতে মাছ মাৰি খায়। মেম চাহাবে গধূলি বেলিকা মৰা নদীৰ পাৰে পাৰে আলিয়েদি মুকলি হাৱা খায়। এদিন নিংনি ভাৰৰীয়াই ছুপৰীয়াই আহি মেমক কলে— আইদেউ! মৰানদীত মানুহে বৰকৈ মাছ মাৰে! আজি মইয়ো গধূলি জাখৈ লৈ মাছ মাৰিবলৈ আহিম। মই খাওঁ বা নাখাওঁ, পাৰো যদি কেইটিমান আপোনালোককে মাৰি দিম বুলিছোঁ। মেমে কলে-"বাৰু তেনেহলে ভালৰে কথা। জাখৈৰেনো তুমি কেনেকৈ মাছ মৰা আমিও চাম বাৰু"। মেমে অসমীয়া মানুহে জাখৈৰে মাছ মৰা আগেয়ে দেখা নাছিল। নিংনি ভাৰৰীয়াই সেই কথামতে মূৰত গামোছাৰে এটা পাগুৰি মাৰি ফটা চিটা কাপোৰ পিন্ধিলে আৰু পথাৰৰ পৰা কিছুমান শুকান গোবৰৰ স্তুঠা গোটাই ললে আৰু এখন তলি নোহোৱা জাখৈ ললে। সি গোবৰৰ স্তুঠাবোৰ নদীত এৰি দিয়াত শুকান গোবৰবোৰ ভাহি ভাহি উঠে। ভাৰৰীয়াই হুঁ বুলি গোবৰৰ স্তুঠাতে তলিহীন জাখৈ খনেৰে হেচা মাৰি ধৰে। স্তুঠা ডোখৰ জাখৈৰ তলিয়েদি ওলাই পুনঃ ভাহি উঠে। সি আকৌ ঘচ্‌মচ্ কৈ হেচা মাৰি ধৰে আৰু মাজে মাজে "উঃ হায়! হায় হায়!" বুলি চিঞৰি উঠে। মেম চাহাবে থিয়হৈ ভাৰৰীয়াৰ কাণ্ড দেখি হাঁহি হাঁহি অথিৰ হ'ল। তাক ওচৰলৈ মাতি আনিলে। ভাৰৰীয়াই



জাখৈখন কান্ধত লৈ নদীৰ পৰা উঠি আহি কাষতে থিয় হ'ল। চাহাবে জাখৈখন চাই কলে "ইকি! জাখৈৰ দেখোন তলি নাই। কেনেকৈ মাছ পাবা?" "নহয় হুজুৰ জাখৈ এনেকুৱাই, জাখৈৰ তলি বন্ধ হলে মাছনো কোন পিনেদি সুমাব? ভাৰৰীয়াৰ কথা শুনি মেম চাহাবৰ হাঁহিত উথে তালুই লগ লাগিল। তাক দুয়ো দুহাতে ধৰি টানি লৈ গ'ল।

# ৫ম ৰহস্য

## কাছৰ ৰহস্য

বৰপেটাৰ মাজৰ হাটিত নিংনি ভাৰৰীয়াৰ ঘৰ। এদিন তাৰ ঘৰৰ ওচৰতে আন এঘৰত বিয়া। বিবাহোপলক্ষে ব্ৰাহ্মণ আহিছে আৰু দৰাৰ নখ কাটিবলৈ নাপিতো আহিছে। বিবাহত পিতৃ-মাতৃৰ শৰাধ কৰিবৰ সময়ত যি কোনো মাছৰ দৰ্কাৰ। গৃহস্থৰ মাছ লগা কথাটো সমূলি মনত নাছিল। ব্ৰাহ্মণে মাছৰ বিচাৰ লোৱাত গৃহস্থৰ মুখ চোৱাচুই লাগিল। সেই সময়ত দামাদামী দুৰা পোৱা গৈছিল। কোনোবাই বিয়ালৈ আহোঁতে দুৰা এটা বাটতে পাই হাতত লৈ আহি বিয়া ঘৰীয়াক দিছিল। দুৰাটো বিয়াঘৰীয়াৰ বাৰান্দাতে আছিল। শৰাধ কৰা সময়ত আমাৰ ভাৰৰীয়াও উপস্থিত আছিল। তেওঁ মুখেৰে সাত ঘাটৰ পানীখোৱাদি চপ্‌চপাই কথা কৈছে আৰু পাৰে মানে তামোল চোবাইছে, লগতে ব্ৰাহ্মণ আৰু নাপিতৰ

ৰেহৰূপ বিলাকো চাই আছে। চাকলি ধাৰীতে বহি থাকোঁতে বাৰান্দাত থকা হুৰাটো ভাৰৰীয়াৰ চকুত পৰিছিল। মাছৰ বিচাৰ লোৱাত ব্ৰাহ্মণৰ মনচোৱাৰ উদ্দেশ্যে ভাৰৰীয়াই ঘপৰাই দেখুৱাই দিলে। "মাছৰ সলনি সেইটো হুৰাকে আনি থোৱা হৈছে, নহবনে?" ব্ৰাহ্মণে বাৰান্দালৈ চাই দেখে কথাটো মিছা নহয়। তেওঁ 'যিহল ভালেই হ'ল, এসাজ খাব পাৰিম'। এই ভাবি ব্ৰাহ্মণে মন্ত্ৰ মাতাৰ চলতে নাপিতক কলে—

"নাপিতং ধূৰ্ত্তং
ইনো কি অদ্ভুতং।"

তেতিয়া ধূৰ্ত্ত নাপিতেও বুজি লাহেকৈ উত্তৰ দিলে—

তয়াৰ্দ্ধং, ময়াৰ্দ্ধং
শ্ৰাদ্ধৰ হুৰা ঘট্‌মটং।"

ভাৰৰীয়াই ব্ৰাহ্মণ আৰু নাপিতৰ শ্লোক বুজি পাই ঘপৰাই কৈ পেলাল—

"যদি ভাগং ন দিয়ং
শ্ৰাদ্ধৰ হুৰা গোমাংসং।"

ভাৰৰীয়াই বুজিপোৱা দেখি ব্ৰাহ্মণ মহা লাজত পৰিল। নাপিতৰো একে দশা। দুয়ো নিমাত হ'ল। তেতিয়া ভাৰৰীয়াই পুনঃ কলে—

"নৰানাং নাপিতং ধূৰ্ত্তং
কলিনাং পাপী ব্ৰাহ্মণঃ
সৰ্ব্বোপৰি ময়া ধূৰ্ত্তং
মূৰ্খ দোষাহি পণ্ডিতং।

এই বুলি কৈ ভাৰৰীয়াই জোলোঙাখন লৈ বিদায় হ'ল।

# ৬ষ্ঠ ৰহস্য

## নিংনি ভাৰৰীয়াৰ লণ্ডন যাত্ৰা

কেম্বল চাহাব বৰপেটাৰ কাছাৰীলৈ হাকিম হৈ আহিছিল। সেই সময়তে শত্ৰুৰ প্ৰতাৰণাত নিংনি ভাৰৰীয়াৰ ভায়েকৰ পুতেক এজনৰ কোনো মোকৰ্দ্দমাত পৰি ৬ মাহ ফাটেক হ'ল। নিংনি ভাৰৰীয়াই ভতিজাকক খালাচ্ কৰাৰ বুধি উলিয়াবলৈ ধৰিলে।

এনেই হাকিমে যেই সেই মানুহে দেখা কৰিবলৈ গলে সোনকালে ওলাই নাহে। চকিদাৰেও হাকিমৰ ওচৰত গৈ খবৰকে নিদিয়ে। তাতে আকৌ চাহাব হাকিম। দেখা কৰাৰ উপায় কি? নিংনি ভাৰৰীয়াই বাটৰ কাষৰ পৰাই ওলোটা খত দি হাত দুখনেৰে বুলি গৈ হাকিমৰ বংলাৰ সন্মুখত সেই ভাবেই থিয় হৈ থাকিল। চকিদাৰে এই অদ্ভুত কাণ্ড দেখি আচৰিত হৈ লৰি গৈ মেমৰ আগত কলে। মেমে লৰি আহি নিংনি ভাৰৰীয়াক দেখি আচৰিত মানিলে আৰু উধাতু খাই লৰি গৈ চাহাবক মাতি আনি ভাৰৰীয়াক দেখুৱাই দিলে। চাহাবে বংলাৰ পৰা নামি ভাৰৰীয়াৰ ওচৰলৈ আহি থিয়হৈ তাৰ ৰেহৰূপ দেখি সুধিলে—"হেৰ! তই কোন অ?" কিয় এইদৰে আছ? নিংনি ভাৰৰীয়াৰ অদ্ভুত কবিত্ব শক্তি আছিল। মুখেৰে সৰ্ সৰ্কৈ ইমান ছন্দ মিলাই কথা কৈছিল যে মানুহে তাৰ কবিতা শুনি স্তম্ভিত হৈ যায়। সকলোৱে

Central Library
Assam Womens University
Acession No.:.......................
Date.......................................

তাৰ গাত সৰস্বতী ভৰ খোৱা বুলি বিশ্বাস কৰে। চাহাবৰ লগত ছন্দেৰে কথা আৰম্ভ কৰিলে—

মূৰৰ ওপৰত থাকোঁ মই।
মোৰ গু নোখোৱা কোনো নাই॥
সেই নিংনি ভাৱৰীয়া মোৰ নাম।
বৰপেটা সত্ৰ মোৰ নিজ ধাম॥
দেউতাক চাবলৈ হল অভিলাস।
বৰ ভাইগে আজি পুৰিল সি আশ॥
পূজনীয়া আইকো লগতেই দেখি।
মানিলোঁ ধইন মোৰ কপালক লেখি॥
পাতালত পাতিছে মেল যত নাগগণ।
কাণ পাতি শুনিলো মই কথোপকথন॥
সিহেতু ধৰিছোঁ মই এনেকুৱা বেশ।
পাতালৰ সবকথা শুনিলোঁ বিশেষ॥
বিলাতৰ মহাৰাণী মহা গুণৱতী।
সৌন্দৰ্য্য আঁকৰ তেওঁ অতি দয়াৱতী॥
নিমন্ত্ৰণ খাবলাগে মই পুৰি লণ্ডনত।
বিদায় অঞ্জলি মাগি হলো অবনত॥
নমস্কাৰ বিদায়হে যাও বিলাতলৈ।
আহিম ঘুনাই ঘূৰি অহা কালিলৈ॥

এই কেইষাৰ কথা মাতিয়ে সেই দিনৰ কাৰণে বিদায় হৈ বিলাতলৈ যাওঁ বুলি খৰ্ ধৰ্ কৈ লৰ দিলে—যেন সঁচাকৈ সি বিলাতলৈহে যাব। মেম চাহাব দুয়ো ভালদৰে অসমীয়া ভাষা জানিছিল। চাহাবতকৈও মেমে ভাৱৰীয়াৰ ভাও আৰু অঙ্গীভঙ্গীৰ কথাবোৰ বৰ ভাল পালে।





ভাৰৰীয়া বিলাতৰ পৰা ঘুৰি আহিলেই। পিচদিনা ৰাতিপুৱা আকৌ আহি হাকিম চাহাবৰ দুৱাৰ মুখত উপস্থিত। মেমে চকিদাৰৰ মুখত ভাৰৰীয়া অহা শুনিয়ে উধাতু খাই লৰ দিলে। দেখে যে কথা সঁচা। ভাৰৰীয়াক দেখিয়ে মেমে মাত লগালে—"কিহে ভাৰৰীয়া! তুমি কাহানি বিলাতৰ পৰা আহিলা?" "বৰ দুখ কষ্টৰ মাজেদি ৰাতিয়ে আহি পালোঁ।—আইদেও।" "উঃ বিলাতৰ পৰা কালিয়ে গৈ কালিয়ে একে দিনাই আহি পালানে! বাৰু বিলাতত নো কি কি দেখিলা আৰু মহাৰাণীয়ে তোমাক কি খুৱালে কোৱাচোন।" ভাৰৰীয়া স্বভাৱ কবি। যেতিয়াই যি দেখে বা যি মন কৰে তাকে ছন্দমিলাই অনৰ্গল কৈ যায়। বিলাতৰ বৰ্ণনা কৰিবলৈ ধৰিলে। এনেতে চাহাবেও আহি ভাৰৰীয়াৰ ৰহস্য শুনিবলৈ ধৰিলে।

"উঃ কি কব আইদেউ! দেউতা। লণ্ডন নগৰ সঁচাকৈ স্বৰ্গ। দেউতা! কালি লণ্ডনলৈ গৈ ঘুৰি আহিবৰ মন নোহোৱা হ'ল। মোৰ পৰিবাৰক লৈ যোৱা হলে নিশ্চয় দেউতাক আৰু দেখা পাবৰ নহলহেঁতেন। তাইৰ মায়াতহে সেই স্বৰ্গ-পুৰীৰ পৰা ঘুৰি আহিলোঁ।

কি কম দেওতা লণ্ডন নগৰৰ কথা।
দেখিবলৈ যেন দিব্য ইন্দ্ৰপুৰী যথা॥
সাত সাগৰ তেৰ নদী গলোঁ পাৰ হৈ।
কত ভাগ্যে মহানগৰ দেখা পালোঁ গৈ॥
নোহে লঙ্কা স্বৰ্ণপুৰী তাতোকৈ চাৰ।
চক্ষু জলচয় আহা কিনো চমৎকাৰ॥



কত অট্টালিকা আছে গণনা নাযায়।
কত হীৰা মণি মুক্তা খচিত হেথায়॥
জলমল জলে সদা যেন পূৰ্ণশশী।
বাজিলে দিব্যপুৰী মণি মুক্তা খচি॥
ৰাজ অট্টালিকা দেখি হলোঁ মুধাচুং।
মহাসভা ঘৰ আৰু কিনো অদ্ভুত॥
বহে সভাসদগণ কেউফালে ঘূৰি।
স্বৰ্ণাসন পতা আছে কত শোভাকৰি॥
মহাৰাজ আছে বহি বিতোপন সাজে।
যেন চন্দ্ৰ জ্বলি আছে তাৰাগণ মাজে॥
ইন্দ্ৰপাশে শশী যেন বহে মহাৰাণী।
হ'ল হৰষিত কত মই যোৱা শুনি॥
দেখা মাত্ৰে সম্ভাষিলে আদৰ বচনে।
আথে বেথে বহুৱালে ৰাজ সিংহাসনে॥
মুখত যদিও হাঁহি অন্তৰত ভয়।
ৰজাৰ দোষত পৰি জানো কিবা হয়॥
দিলে কত ৰাজভোগ, পায়স, সন্দেশ।
তিল-পিঠা, খোলাচাপৰি অতালে অশেষ॥
নাৰিকল-লাৰু আৰু গাখীৰৰ খীৰ।
কতনো যাচিলে দেখি হল চক্ষু স্থিৰ॥
এবিধৰ পাচে দিয়ে আনবিধ আনি।
খাবলৈ মন কিন্তু পেট ধৰে টানি॥
যত পাৰোঁ তত খালোঁ পেট পিহিপিহি।
খাওতে খাওতে পাচে গল পালে আহি॥

চাওঁযে নিৰিষ কৰি বহু খাব বাকী।
ঘিত ভজা জিলাপী যে আছে থোৱা ঢাকি ॥
নোৱাৰো ঠেলিব আৰু কিনো দিহা কৰোঁ।
উপাই নাপাই একো দাহে ধৰি মৰোঁ ॥
ভাবিগুণি মনতেই সাজিলোঁ উপায়।
এনুৱা সুযোগ আৰু পাবলৈ নাই ॥
জেপত ভৰাই নিলে ঘৈণী ভাল পাব।
নিনিলেও ফিকি জিকি গঙ্গাটোপ হব ॥
ইফাল সিফাল চাই জেপত ভৰালোঁ।
চাৰিওখন জেপ ভৰি ঠাহি ঠাহি ললোঁ ॥
তথাপি নহয় শেষ বয় ভৰি ভৰি।
এৰিব নাযায় সত্ খাও কেনে কৰি ॥
বাৰে বাৰে শোধে ৰাণী কি দিম কোৱা।
যিলাগে তাকে দিম পেট ভৰি খোৱা ॥
এই চলতে মই বাপেকে কলোঁ থপ্ কৰি।
কলাখাৰ লাগে মোক দিয়াছোঁ এফেৰি ॥
কলাখাৰ কি বস্তু মুঠে দেখা নাই।
ইনো কি বস্তু ৰাণী সোধে লাজ পাই ॥
কলাখাৰ পালে কিছু আৰু খাব পাৰোঁ।
নহলে কথা বেয়া পেট ফাটি মৰোঁ ॥
তাৰ সলনি কলো মই চোদা দিবলৈ।
বিলাতী চোদাকে দিলে আনি ঘপৰাই ॥
উঠিব নোৱাৰা হলোঁ ৰৰপীৰা এৰি।
কোনোমতে থিয় হলোঁ ধৰ্ফৰ্ কৰি ॥



ভাৱৰীয়াৰ কথা শুনি মেম চাহাবে হাঁহি হাঁহি পেটৰ নাড়ী মূৰক খেদালে। হাঁহিতে অস্থিৰ হৈ ভাৱৰীয়াক গাবলৈ হাক দিলত ভাৱৰীয়া বেচিহে হ'ল। দুয়োৰো অৱস্থা দেখি সেইদিনলৈ ইমানতে শেষ কৰি ভাৱৰীয়া বহিল। মেম চাহাবে তেওঁৰ অদ্ভুত কবিত্ব শক্তিক বখানিলে আৰু ভিতৰলৈ মাতি নি জা-জলপান খুৱাই পঠিয়াই দিলে।

লাহে লাহে মেম চাহাবৰ ঘৰেই ভাৱৰীয়াৰ ঘৰ হৈ পৰিল। মেমে ভাৱৰীয়াক এখন্তেকো নেদেখাকৈ থাকিব নোৱাৰা হ'ল। সেই দিনৰ পৰা মেমৰ কথাই কথাই ভাৱৰীয়া হে ভাৱৰীয়া হ'ল। মেমে সুধিলে বাৰু, ভাৱৰীয়া! বিলাতলৈ কেনেকৈ গৈছিলা কোৱাচোন। ভাৱৰীয়াই আৰম্ভ কৰিলে—

আইদেও! ' উঠিলোঁ টিকত কাটি ইষ্টাৰ্ণ বেঙ্গলত।
পবন বেগেৰে গাৰী চলিল ৰেলত ॥
লালমণি হাট এৰি পাৰ্ব্বতীপুৰ পালোঁ।
জতাহেন বিস্কুট কিনি চাহকে পিয়ালোঁ ॥
কৰিছিলোঁ স্থিৰ মনে লঘোন দি যাম!
মহাৰাণীৰ নিমন্ত্ৰণ ভালদৰে খাম ॥
নৰল নিলাজ মন পাৱৰুটি দেখি।
গিৰ্ গিৰ্ কৈ পৰিল জীভাৰ লেলেটি ॥
হাওৰাৰ জংচন পালোঁ অতি বৃহত্তম।
দেখিলোঁ ভাহনি শাকো আতিকে উত্তম ॥
ভাৰতৰ মাজভাগ পালোঁ নাগপুৰ।
প্ৰাচীন কালৰে পৰা যশে ভৰপুৰ ॥
বম্বে নগৰলৈ গৈ হলোঁ উপনীত।

সমুদ্ৰ মাজত ই হইছে স্থাপিত ॥
বৃহৎ নগৰ ইযে কাৰুকাৰ্য্যময় ।
নহয় শকতি চাব মূৰ ঘূৰি যায় ॥
বৃহৎ জাহাজ দেখি হলোঁ আচৰিত ।
একোখন বৰগাওঁ ইয়াতে থাপিত ॥
সাগৰনো কেনে মই দেখাকে নাছিলোঁ ।
সাতুৰি নোপোৱা পাৰ সাগৰ দেখিলোঁ ॥
আৰব, লোহিত আৰু ভূমধ্যসাগৰ ।
পাৰ কৰি নিলে সেই ৰাজাৰ নগৰ ॥
দেউতা ! সাত দিন সাত ৰাতি কৰিলে বৰ্ণন ।
নহয় একোৰে সৈতে ইয়াৰ তুলনা ॥
মাটিৰ তলেদি ৰেল চলে অহৰ্নিশে ।
উৰা জাহাজ উৰি ফুৰে আকাশে আকাশে ॥
ৰাতি দিন বিভিন্নতা নোৱাৰি কৰিব ।
হাতে হাতে ধৰি দুই দম্পতি ফুৰিব ॥
কতনো আমোদ দেও কৰিছে সিহঁতে ।
মুখ ভোটা হব খুজে কওঁতে কওঁতে ॥
বিলাত যাত্ৰাৰ কথা এহিমানে থওঁ ।
ক্ষমে যেন শত দোষ ঘৰে চলি যাওঁ ॥

এইদৰে মেমে প্ৰতিদিনে ভাৰৰীয়াৰ ৰহস্য শুনিবৰ আশাত একোটালৈ প্ৰশ্ন কৰে আৰু ভাৰৰীয়াইও মনৰ খুদ-খুদুৱনী পলুৱাই ইচ্ছামতে স্বাভাৱিক শক্তিৰে অদ্ভুত ৰহস্য কৰি মেমৰ মনোতুষ্টি সাধন কৰে। এইদৰে লাহে লাহে ভাৰৰীয়াই মেম চাহাবৰ অন্তৰ জয় কৰি ললে।

# ৭ম ৰহস্য

## মৌজাদাৰৰ লগত বন্ধুত্ব

এদিন নিংনি ভাৰৰীয়াই মৌজাদাৰৰ বাহৰলৈ খাজনা দিবলৈ গৈছে। মৌজাদাৰে চকিত বহি মেজৰ ওপৰত লিখা কাম কৰি আছিল। মৌজাদাৰে প্ৰথমতে ভাৰৰীয়াক দেখি বহ বুলিও নকলে। ভাৰৰীয়াই তেওঁৰ ৰেহৰূপ চাই আছিল। কিছু সময়ৰ পিচত ভাৰৰীয়াই এখন খালী বেঞ্চ্ পাই তাতে বহিল। মৌজাদাৰে ভাৰৰীয়াক বহা দেখা পাই মুখ ঘূৰাই-“কত বহিছা, উঠ্ তাৰ পৰা। বহিবৰ মন লাগিছে যদি মাটিতে বহ”— এই বুলি টান কথা শুনালে। মৌজাদাৰৰ ব্যৱহাৰত ভাৰৰীয়া বৰ অসন্তুষ্ট হ’ল আৰু মৰাৰ সমান লাজ পালে। ভাৰৰীয়াই অশেষ ধৈৰ্য্য ধৰি মনে মনে থাকি খঙতে ৰঙা-চিঙা হৈ গুচি গ’ল। কিন্তু সাপে নেজৰ কোব নাপাহৰাৰ দৰে ভাৰৰীয়াইও মৌজাদাৰৰ অপমানৰ কথা মনত ৰাখিলে।

চাৰি মাহ পাচৰ কথা। এদিন বৰপেটাৰ সৰু হাকিমৰ লৰা এটি ওপজা উপলক্ষে কাছাৰীত সকলো উকীল, মুক্তিয়াৰ, কেৰাণী, পেস্কাৰ আদি কৰ্ম্মচাৰীক চাহ মিঠাই খুৱাব। চাহমেলৰ কাৰণে যো-জো কৰিবলৈ ভাৰৰীয়াই লৰা-ধপৰা লগাই দিছে। সকলো ভদ্ৰলোকক ২॥টা বজাত আহিবলৈ নিমন্ত্ৰণ কৰিছে কিন্তু ভাৰৰীয়াই বুধি কৰি মৌজাদাৰক ৩টা বজাত নিমন্ত্ৰণ কৰিছে। চেয়াৰ, টেবিল, বেঞ্চ আদি চকিদাৰৰ হতুৱাই

বৈ অনাইছে আৰু নিজে সেইবোৰ সজাইছে। ডাঙৰ হাকিম বাহাদুৰৰ ওচৰতে এখন চেয়াৰ ধৰাকৈ অলপ ঠাই খালী এৰিছে। সময়মতে কেউফালে সকলো ভদ্রলোক আহি বহি গৈছে, বাকী মাত্র বৰপেটাৰ মৌজাদাৰ। ভাৰৰীয়াই মৌজাদাৰক হাকিম বাহাদুৰে মতা বুলি কৈ এজন চকিদাৰ পঠাই দিলে। মৌজাদাৰ সকলোতকৈ পাচত পৰিল। সকলো চিয়াৰতে মানুহ বহি গৈছে কিন্তু ভাৰৰীয়া থিয় হৈ থকা দেখি হাকিমে তাকো বহিবলৈ কলে। তেতিয়া সেই খালী ঠাই ডোখৰত ভাৰৰীয়াই নিজে এখন চেয়াৰ আনি হাকিমৰ ওচৰতে বহিল। চাহ মিঠাই সকলোৱে খাবলৈ আৰম্ভ কৰিছে। এনেতে মৌজাদাৰে লহ্-পহ্কৈ হাতত লাখুটি এডাল লৈ আহি উপস্থিত হল।

উপস্থিত হ'ল হয় কিন্তু বহে কত? মৌজাদাৰে কতো বহিবলৈ ঠাই নাপাই বাট চাই ৰ'ল। এজন চকিদাৰে আহি কলে যে "আৰু মাইচাই নাই কত বহিবলৈ দিওঁ, অলপ ৰব, এজনৰ খোৱা হলে বহিব পাৰিব"। মৌজাদাৰে বাধ্য হৈ থিয় হৈ থাকিল। তেতিয়া ভাৰৰীয়াই বহাৰ পৰা লাহেকৈ উঠি সসন্মানে চেয়াৰখন এৰি দি মাতিলে "আহক মৌজাদাৰ বাবু! ইয়াতে বহকহি' মই বাৰু পাচত খাম''। মৌজাদাৰে ভাৰৰীয়াক হাকিমৰ ওচৰত বহি থকা দেখি আচৰিত মানিলে। আনপিনে হাকিমৰ ওচৰৰ চেয়াৰখন পোৱা দেখি নিজেও মনতে ভালহে পালে। চেয়াৰৰ ওচৰলৈ গৈ মৌজাদাৰে চেয়াৰত ঘপহ্ কৰে তপিনা পাবোঁতেই তেওঁ চিত ভংলা খাই পৰি মূৰ তল হ'ল আৰু





ভৰি টেবিলৰ মাজেদি সোমাই গ'ল। "হা হা কি হল, কি হল" বুলি আৰকাল লাগিল। বৰ হাকিম বাহাদুৰে ঘহ্ মহ্ কৈ উঠি মৌজাদাৰক হাতত ধৰি তুলিলে। ভাৱৰীয়াইও দাড়ি তুলি ধৰিলে আৰু 'উঃ! কি কথাটো হ'ল! চেয়াৰখন মই নিজে আনি বহিছিলোঁ, কিন্তু খুৰা এটা ভঙা বুলি কবই পৰা নাছিলোঁ, মই পাতল মানুহ বুলিহে সাৰিলোঁ, নহলে বুঢ়া বয়সত মোৰো ককাল লেৰ্ফেৰিয়া হলহেঁতেন। উঃ ৰাম ৰাম! এনে কাণ্ড কাৰখানা হব বুলিনো কোনে ভাবিছিল।" এই বুলি নানা কথা কৈ কৈ মৌজাদাৰক শুশ্ৰূষা কৰিবলৈ লাগিল।

ভাৱৰীয়াই খুৰাভঙা চেয়াৰখন নিজে বাছি লৈ কোনোমতে আলফুল্কৈ বহি আছিল। ভাৱৰীয়াৰ কথাতেই ভাৱৰীয়াৰ ষড়যন্ত্ৰৰ কথা বুজি পাবলৈ বাকী নাথাকিল। লাজ পাবৰ আৰু বাকী নাই। কিছুদিন পাচত পুনঃ এদিন ভাৱৰীয়া মৌজাদাৰৰ তালৈ গ'ল। সেইদিনা মৌজাদাৰে নিজৰ বহা আসন এৰিদি নিংনি ভাৱৰীয়াক বহিবলৈ দিলে। ভাৱৰীয়াই ঠগ খাবৰ ভয়ত চেয়াৰখন দাড়ি চাইহে বহিল। হাকিমে তাক ইমান সন্মান কৰা বুলি আগেয়ে জনাহেঁতেন—মৌজাদাৰে ভাৱৰীয়াক নিশ্চয় পূৰ্ব্বতে তেনে ব্যৱহাৰ নকৰিলেহেঁতেন।

ভাৱৰীয়াই বহিয়েই ছন্দত কথা কবলৈ ধৰিলে - মৌজাদাৰ বাবু!

ঘৈণীৰ লগত মাৰি কথাৰ চুপতি।
গোটেই দিনটো গল অবাবত কাটি॥



ফুৰো বুলি ললোঁ খোজ বাহিৰ ওলাই।
আপোনাক দেখা পাই আহিলো সোমাই॥
বাহিৰত থাকিয়েই বৰ ভাল পাওঁ।
ঘৰক যাবলৈ বৰ আহুকাল পাওঁ॥
নগলে নহয় দেখি ঘৰমুখে যাওঁ।
সিকেইটা ভাত নহয় কালবিষহে খাওঁ॥
ঘৈণীয়ে ঘেকেটা মাৰি যিবোৰ কথা কয়।
মৰমৰ হুলে যেন বিন্ধা দি হে ৰয়॥
গঙ্গাটোপটো হয় হলে ভেম চাৰ।
লঠিয়া গাইৰ দৰে মাতে সাধ্য কাৰ॥
কতনো বাহাৰ কৰে সন্তুষ্ট নহয়।
পাচি ভৰি দিয়া আনি নাটনিহে হয়॥
সোণকেই পিন্ধিব যেন সোণকেই খাব।
সোণেৰে হাগিব যেন সোণে গা ধুব॥
যিটোহে মাৰিব পাক তপিনা জোকাৰি।
মৈৰাৰ পেখন ধৰি লব পিন্ধি উৰি॥
দুকাণত সোণ পিন্ধি শগুনি যেন হব।
আঙাৰ হেন চুলি কোচা খোপামাৰি লব॥
ডিঙিত পঘাৰ দৰে লয় হাৰ আৰি।
ব্যাণ্ডিজ্ কৰাৰ দৰে বাজুলয় মাৰি॥
ভৰিত জোটনি মাৰি ভৰিখাৰু পিন্ধে।
দেখিলেই কালমূৰ্ত্তি চকু হুলে বিন্ধে॥
যিমানে নোৱাৰা হবা খেদিবলৈ তুমি।
সিমানে কাষ হে চাপে গাল দুই চুমী॥

এবিবলৈ খোজা যদি এঠাঁদি ধৰিব।
দুহাতে সাবটি ধৰি গতিহে লগাব ॥
ইথন মায়াৰ হাট যেয়ে দিলে পাতি।
কম মায়াময় নহয় সেই বিশ্বপতি ॥

মৌজাদাৰে হাঁহি হাঁহি গোটা হ'ল। ভাৱৰীয়াই কোৱাৰ লগে লগে উঠি গন্তব্যস্থানলৈ গুচি গ'ল। মৌজাদাৰে "কলৈ যায় বহক" বুলি কোৱাতো নবহিল। সেইদিনাৰ পৰা ভাৱৰীয়া মৌজাদাৰৰো বৰ প্ৰিয় হৈ উঠিল।

## ৮ম ৰহস্য

### কলা বাপুৰ মাছমৰা ৰহস্য

নিংনি অইন এদিন মাছলৈ গৈছে। সেইদিনাই সেই পাৰাৰে মহীনাথ শৰ্ম্মা আৰু কনাকাটা বুঢ়াও মাছলৈ গৈছিল। আহোঁতে তিনিও একেলগে আহিল। মহীনাথ শৰ্ম্মাৰ কাণ দুখন অলপ গধুৰ আছিল। এক কলে এক শুনে। সেইবাবে তেওঁ "কলাবাপ" বুলিহে জনাজাত আছিল। বাপ কলা হলেও তেওঁ সদায় নীতি-নিয়ম মানি চলিছিল। বাপৰ খোৱা-লোৱাৰ নীতি-নিয়ম আৰু এখোপ চৰা আছিল।

তেওঁ নিজৰ ঘৈণীয়েকৰ হাতে ৰন্ধাটো নাখায়ে এনেকি আনে খোৱা চিলিমত লগোৱা ধপাত পৰ্য্যন্ত নাখাইছিল।



বাটতে কনা-কাটা বুঢ়াই কলাবাপুৰ ওচৰ চাপি অলপ টানকৈ সুধিলে,—"অ ক'লা বাপ! কিমান মাছ পালি?" কলাবাপ এনেই কলা তাতে আকৌ কিবা ভাবি ভাবি আহিছিল বাবে নুশুনি 'হা' বুলি কৈ উঠিল। এই সময়তে নিংনি ভাৱৰীয়াই ৰহস্য কৰিবৰ মনেৰে টপ্‌কৈ কৈ পেলালে "অ বাপ!" সি সুধিছে "বোলে কেইটা গৰু মাৰিলি"? কলাবাপুৰ তৎক্ষণাৎ খং গৈ চুলিৰ আগ পালে। বাপুই "স খাহ্‌ তোৰ মৰাগৰু" বুলি কৈ খালৈটো উবুৰিয়াই মাছবোৰ মাটিত ঢালি দি চেং চেং কৈ টিকনি জোকাৰি বেগ হে বেগ দিলে। দেউৰ মাছ মাটিত সিঁচৰতি হ'ল। দেউই সেই দিনা ঘৰতো লঘোন দিলে। ইফালে গোটেই কেইটা মাছ গৈ ভাৱৰীয়াৰ ঘৰ পালে।

## ৯ম ৰহস্য

### পণ্ডিতৰ নিগনি পুৰা ভক্ষণ

ভাৱৰীয়াৰ ঘৰৰ ওচৰতে থকা পঢ়াশালীৰ পণ্ডিত এজন বৰ ধপতুৱা আছিল। তেওঁ সদায় ভাৱৰীয়াৰ চ'ৰালৈ ধপাত খাবলৈ যায়। এদিন পণ্ডিতে ঘৰত ধপাত নোহোৱাত বহুত সময় ধপাত খাবলৈ নাপাই হামনি উঠি ভাৱৰীয়াৰ তালৈ গ'ল। ভাৱৰীয়াই পণ্ডিতৰ অৱস্থা বুজি নানা বাৰেভচহু কথা

উলিয়াই ৰহইচ্ কৰি আছে—এনেতে বহুত সময় থাকিও ভাৱৰীয়াই ধপাত লগোৱা আশা নেদেখি পণ্ডিতে ভাৱৰীয়াক কলে—"হেৰ নিংনি ! এচিলিম লগোৱা, তাকে এহুপা মাৰো"। চাঙৰ তলত ধপাতৰ চুঙাটো আছিল। ভাৱৰীয়াই দেখিলে—চুঙাৰ ওচৰতে এটা মৰা নিগনি পোৱালী আছে—বোধ কৰোঁ মেকুৰীয়ে মাৰি থৈছিল। ভাৱৰীয়াই নিগনিটোকে চিলিমত ভৰাই ওপৰত ভালদৰে কাঠৰ আংঠা দি ফুৱাই ফুৱাই ধোৱা উলিয়াই চিলিমটো দুহাতেৰে লাহেকৈ আগবঢ়াই দিলে। সেইদিনা বৰষুণৰ বতৰ আছিল। ধপতুৱাৰ চেঁচা লাগিলে ধপাতেই জীউ। পণ্ডিতে ধপাত চিলিম পাইয়ে হুপিবলৈ ধৰিলে। হুপেহে হুপে—যিমানে হুপে সিমানে চিলিমত চেন্ চেন্ কৈ উঠে—কিন্তু ধোৱা নোলায়। পণ্ডিতৰ আমনি লাগি "কি কৰিছাহে ধপাত চিলিম" ? এই বুলি চিলিমটো উবুৰিয়াই দিলে। দেখে যে চিলিমত আধাপুৰা এটি নিগনি পোৱালী। "চিঃ চিঃ ভাৱৰীয়া ! কি কুকাম কৰিলা ?" এই বুলি পণ্ডিতে থুত্কুৰীয়াই থু পেলাবলৈ ধৰিলে। ভাৱৰীয়াই ধপাত চিলিম দিয়ে আঁতৰি গৈছিল। লৰা-ধপৰাকৈ আহি—কি হৈছে পণ্ডিত বাবু ? এঃ আপুনি দেখোন কলে "বোলে নিংনি এচিলিম লগোৱা এই বুলি"—সেইবাবে মই সম্মুখত পাই মৰা নিগনিটো লগাই দিলোঁ। মনতে ভাবিছিলো, আপুনি পণ্ডিত মানুহ—কিজানি মলা ধপাতৰ সলনি নিগনি পুৰাকে খাবলৈ ভাল পায়। চিঃ বৰ ভুল কৰিলোঁ বন্ধু ! ক'ৰ মৰা নিগনি আহি আপোনাৰ ভক্ষ্য হল ! ইনো মৰিবৰ ঠাই নাপালেনে ?"



ওচৰতে এটা মেকুৰী জিভ চেলেকি বহি আছিল। "এই মৰা মেকুৰী কেইটা মিছাইহে—খালী ভাত খোৱা হৈছে।" এই বুলি টাঙোন এডাল লৈ মেকুৰীটোক মাৰিবলৈ খেদাৰ চলতে মুখৰ ভিতৰতে হাঁহি পণ্ডিতৰ ওচৰৰ পৰা আঁতৰিল। পণ্ডিতে থুত্কুৰীয়াই থুত্কুৰীয়াই ঘৰলৈ বেগ দিলে। সেইদিনাৰ পৰা পণ্ডিতে ধপাত নুচুহোঁ বুলি শপথ খালে।

## ১০ম ৰহস্য

### ঢেকীৰ গোৰক আৰু জৰিমনা মাফ

সেই সময়ৰ বৰপেটাৰ বৰ হাকিম বাহাদুৰ কেম্বল চাহাবে সদায় মৰা নদীৰ পাৰে পাৰে হাৱা খায়। এদিন নিংনি ভাৱৰীয়াইও গধূলি হাকিমক লগ ধৰিবৰ মনেৰে সেইফালে ফুৰিবলৈ ওলাল। দূৰৈৰ পৰাই মেম চাহাব ফুৰিবলৈ অহা চকুত পৰিল। নিংনি ভাৱৰীয়াই এমুৰিমান আঁতৰৰ পৰা কেম্বল চাহাবৰ নাম কাঢ়ি কেম্বলতং কেম্বলতংকৈ তলমুৱা হৈ গপ গপাই আহিবলৈ ধৰিলে—সি যেন মেম চাহাবক দেখা পোৱাই নাই। এইদৰে ভাৱৰীয়া আহি মেম চাহাবৰ ওচৰ পালত চাহাবে মাত লগালে—"হেৰ ! তোৰ কি হৈছে ? কেলেই তই মোৰ নাম কাঢ়ি যাব লাগিছ ? অ' তই বোধ কৰোঁ কেতিয়াবাৰ পৰা বলিয়া হলি। ৰবি, মই তোক ফাটেকত ভৰাই থম।"

ভাৱৰীয়াই ঢেকী হোৱাৰ দৰে হঠাৎ থমকি বৈ থৰ্ থৰ্ কৈ কঁপিজপি হাতযোৰ কৰি কবলৈ ধৰিলে—দেউতা ! ক্ষমা কৰিব, মই সেইটো আপোনাৰ নাম বুলি নাজানেঁা। সৌ কাণ পাতি শুনক,—সেই গৃহস্থৰ ঢেকীটোৱে আজিয়ে নহয়, সদায় আপোনাৰ নাম কাঢ়ি কেম্বলত্, কেম্বলত্ কৈ থাকে। এতিয়াও এৰা নাই. শুনক সেয়া আপোনাৰ নামকে কাঢ়ি আছে। দেউতা মই সেই ঢেকীটোৰ মাতহে অনুকৰণ কৰিছিলেঁা। ভাবি চাওক দেউতা ! মোৰ গাত কোনো দোষ নাই। যদি দোষ হৈছে —সেই ঢেকীটোৰহে। আপুনি ধৰ্ম্ম বিচাৰক। বিচাৰ কৰি সৌ ঢেকীটোকহে ফাটেকত দিব লাগে নহলে বেটদিব লাগে।"

মেম চাহাবে তাৰ কথাবোৰ শুনি পাৰে মানে হাঁহি হাঁহি কলে—"যা বাৰু, আজিৰ বাবে তোক খালাচ দিলেঁা"।

দেউতা ! এবাৰলৈ ফাটেকৰ পৰা ৰক্ষা পৰিলেঁা কিন্তু সেই ঢেকীৰ মাত শুনিলেই মোৰ আকৌ ভুল হব পাৰে। অনুগ্ৰহ কৰি তেনে নকৰিবলৈ ঢেকীটোলৈ টানকৈ এখন নোটিছ জাৰি কৰক, তেনেহলেহে যদি মোৰ মাত বন্ধ হয়।

চাহাবে "বাৰু দিম যা" বুলি কলত সি ঢেকীৰ মাতৰ তালে তালে আকৌ "কেম্বলত্ কেম্বলত্" উচ্চাৰণ কৰি যাবলৈ ধৰিলে। মেমে হাঁহি হাঁহি থৰ পৰিল।

[ ২ ]

অইন এদিনৰ কথা এজন হাকিমৰ চকু এটা কনা আছিল—সেইবাবে হাকিমক পাচত "দাইবৰকানা" বুলি মাতিছিল। "দাইবৰকানা" বুলিলে হাকিমৰ বৰ খং উঠে।



তেওঁ তৎক্ষণাৎ যেয়ে সেইদৰে ঠাট্টা কৰা বুলি জানিব তাকে ধৰি আনি হয় ফাটেকত সুমাই থব নহলে জৰিমনা কৰিব। এদিন হাকিমে আগৰ নিয়মে ভাৱৰীয়াক লগত লৈ ফুৰিবলৈ গ'ল। বৰপেটাৰ নহাটিত অতি ঘন বস্তিৰ মাজেদি গৈ আছে। লগত ভাৱৰীয়া গলে পাচে পাচে অসংখ্য লৰা-ডেকা-বুঢ়াই লানী ধৰে। সেইদিনাও তেনেকুৱাই হৈছিল। নহাটিৰ এঘৰ মানুহৰ ঘৰত ঢেকীত ধান বান্ধি আছিল। ভাৱৰীয়াই সেই মাত শুনি হাকিমৰ লগত একে শাৰীতে খোজৰ তালে তালে "দাইবৰকানা, দাইবৰ-কানা" এইদৰে মাত মাতি যাবলৈ ধৰিলে। তাকে শুনি পাচৰ মানুহবোৰেও খিলখিলাই হাঁহিবলৈ ধৰিলে। ধেমালিৰ চলত হলেও তেনে কৰাত হাকিমৰ বৰ খং উঠি ভাৱৰীয়াক ধমক লগালে। তেতিয়া নিংনি ভাৱৰীয়াই থত্ মত্ খাই যোৰহাতে কবলৈ ধৰিলে—"দেউতা ! আপুনি মোক কিয় মিছাকৈ দোষে— সৌ ঢেকীটোৱে এতিয়াও আপোনাৰ নাম কাঢ়ি মাতি আছে,— —মই তাকেহে অনুকৰণ কৰিছিলেঁা। মোক ক্ষমা কৰিব দেউতা! মোৰ গাত কোনো দোয নাই।' বহুত মানুহৰ আগতে এইদৰে ঠাট্টা কৰা দেখি হাকিমে বেজাৰ পাই "ৰবি, তই বৰকৈ বাঢ়িছ— তোকো এইবাৰ নেৰোঁ।" এইবুলি তেতিয়াই তেতিয়াই পাচ টকা জৰিমনা কৰি পেলালে আৰু ভৱিষ্যতলৈ তেনে বিদ্ৰূপ নকৰিবলৈ সাৱধান কৰি দিলে। জৰিমনাৰ টকা এতিয়া কেনেকৈ সোধায় তাৰবাবে ভাৱৰীয়াই বুধি সাজিবলৈ ধৰিলে।

[ ৩ ]

পিচদিনা এইজন হাকিমেই বৰপেটাত তেওঁৰ আদালতত উত্তৰফালে মুখকৈ বহি এটা মোকৰ্দ্দমা বিচাৰ কৰি আছিল। সম্মুখত মৰানদীৰ বালিৰ চৰ। ভাৰৰীয়াই জাখৈ আৰু কুকী লৈ লহ্ পহ্ কৈ গৈ হাকিমে দেখাকৈ সম্মুখত থকা বালিৰ চৰত কুকীটো ( খাৰৈটো ) কোমৰত বান্ধি লৈ জাখৈ বাবলৈ ধৰিলে। জাখৈখন তলিহীন আৰু কুকীটোৰ তলি ফুটা আছিল। সি জাখৈ বায় হে বায়। জাখৈখনেৰে বালি টানি নি ভৰিৰে পানী খচকাৰ দৰে খচকে আৰু জাখৈ তুলি খৰ্ ধৰ্ কৈ মাছ ভৰোৱা যেন দেখুৱাই জাখৈৰ পৰা কুকীত থয়। সেইপিনে অফিচৰ পৰা হাকিমে বালিৰ চৰত মাছমৰা কাণ্ডখন দেখা পাই "সেইটো কোন মানুহ—ধৰি লৈ আহ" বুলি চকিদাৰক হুকুম দিলে। চকিদাৰে লৰি গৈ মূৰত গামোচাৰ পাগুৰি মৰা, চিৰা-ফটা কাপোৰ পিন্ধা নিংনি ভাৰৰীয়াক হাতত ধৰি টানি লৈ আহিল। সিও চুৰ্ চুৰ্ কৈ ভিজা মেকুৰীটো যেন হৈ পাছে পাছে আহিল।

আদালতত আনি হাজিৰ কৰিলত হাকিমে ভাৰৰীয়াক দেখি হাঁহিবই নে খঙে কৰিব ? তেওঁ দেখে যে জাখৈৰ তলি নাই আৰু কুকীৰো তলি উদং। তেওঁ চাই চিতি ভাৰৰীয়াক সুধিলে "কিহে ভাৰৰীয়া ! তলিহীন জাখৈ আৰু কুকীৰে বালিৰ চৰত মাছ মাৰি কিমান মাছ পালি ?"

ভাৰৰীয়াই যেন ভয়তে কোচ্ মোচ্ খোৱাৰদৰে, হাতযোৰ কৰি কবলৈ ধৰিলে, "হুজুৰ—



চাল চিঙা ভিকহু মই, ভঙা পজাটো খালি।
পাচ টকা জৰিমনা কৰি মোৰনো কি পালি ?

ভাৰৰীয়াৰ উত্তৰ শুনি হাকিমে যোৱাকালিৰ জৰিমনা কৰা কথা মনত পৰিল। তেতিয়াই তেতিয়াই হাকিমে জৰিমনা মাফ্ কৰি দি তাৰ বুদ্ধিৰ অশেষ প্ৰশংসা কৰি ভাৰৰীয়াক বিদায় দিলে।

## ৯১শ ৰহস্য

### গাখীৰত পানী মিহলাই বেচাৰ প্ৰতিফল

নিংনি ভাৰৰীয়াৰ পিতৃশ্ৰাদ্ধোপলক্ষে গৰুৰ এৰাগাখীৰৰ প্ৰয়োজন হ'ল। এঘৰ মানুহৰ ঠাইত গৰুৰ গাখীৰ সদায় পোৱা যায় কিন্তু গাখীৰত পানী মিহলাই বেচে। নিংনি ভাৰৰীয়াই এই কথাৰ ভালদৰে গম পায়। সময়মতে অইনত নোপোৱা দেখি ভাৰৰীয়াই ঘটি এটা লৈ সেই গিৰিহঁতৰ ঘৰলৈ গাখীৰ কিনিবলৈ গল। গিৰিহঁতৰ গৃহিণীয়ে বাঁহৰ চুঙাত জুখি গাখীৰ দিয়ে। সেইদিনা জীয়েকে বেচিব লগীয়া গাখীৰ খিনিত আগতে পানী মিহলাই থৈ দিছিল। মায়েকে সেই কথা নাজানি পুনঃ পানী মিহলাই নিংনি ভাৰৰীয়াৰ ওচৰলৈ জুখি দিবলৈ গাখীৰৰ কলহটো লৈ আহিল। জুখিবলৈ ধাৰোঁতে গাখীৰখিনি বৰ পানীয়া যেন দেখি মাকে আকাৰ-ইঙ্গিতত থাৰতে জীয়েকক সুধিলে—"অ" আই ! অ' আই ! তয়ো"। জীয়েকে বুজি পাই

ভিতৰৰ পৰা উত্তৰ দিলে—"অ আই! ময়ো"। পইছা দি এনে পনীয়া গাখীৰ কিনিব লগা হোৱাত সিহঁতৰ ৰেহ-ৰূপ চাই ভাৰৰীয়াৰ চকু পিত্ পিতাই আছিল। মাক-জীয়েকৰ থাৰতে কোৱা কথা বুজি পাই ইফালে সিফালে চাই দেখে যে ওচৰতে



এটা পানীৰ কলহ আছে। গৃহিণীয়ে গাখীৰ জুখি দিয়াৰ লগে লগে মাক জীয়েকৰ কথাৰ উত্তৰত তপ্ কৰি গাখীৰৰ কলহটো দাঙি নি পানীৰ কলহত ঢালি দি 'অ আই। তয়ো না তেনেহলি ময়ো' এই বুলি কৈয়ে হাততে আনা গাখীৰৰ বানচ্ খিনি দলিয়াই দি নিজৰ ঘটিটো লৈ ততাতৈয়াকৈ লৰ দিলে। পানীৰ কলহ ভৰি উপচি গোটেইখন মজিয়া বগা পৰিল। তেতিয়াৰে পৰা সেই গিৰিহঁতে গাখীৰত পানী দিবলৈ এৰি দিলে।

# ১২শ ৰহস্য

## চাহাবৰ বেশে ভাৰৰীয়া, হাকিমৰ পোচাক ৰকৃচিচ

এদিনাখন গধূলি সময়ত ভাৰৰীয়াই বেত চাঁচি বৰগীত গাই আছে, এনেতে কেইজনমান শিক্ষিত ডেকাই গৈ ভাৰৰীয়াৰ কাষ চাপিল। উদ্দেশ্য—ভাৰৰীয়াৰ লগত ৰহস্য কৰা। ডেকা কেইজনক ভাৰৰীয়াই পীৰা পাৰি বহিবলৈ দিলে; কিন্তু ডেকা কেইজনে নতুন ধৰণে ধুনপেচ মাৰি গোবোহালে ধুতি আৰু ফিলফিলীয়া চিল্কৰ চোলা পিন্ধি গৈছিল। সেইবাবে তেওঁলোকে চকি মেজ নোহোৱাত বহিবলৈ অলপ ইতস্ততঃ কৰিলে। ভাৰৰীয়াই বুজি পাই কৈ পেলালে "বহ্'বাপাহেৰে, দুখীয়াৰ ঘৰক দৰিদ্ৰ আহিছা, চেয়াৰ টেবিল ক'ত পাম। বোলে বৰ বৰ ঘোঁৰাই নাপায় ঘাঁহ, সৰু সৰু ঘোঁৰাই খুজা মাহ। সেইদিনা গুৱাহাটীৰ পৰা আহোঁতে বৰ চাহাবেও আহি মোৰ ভঙা পজাত ভঙা খাটতে বহি গ'ল—তহঁতে আকৌ পীৰাত নবহা হলি।" ভাৰৰীয়াৰ কথাত ডেকা কেইজনে মনে মনে লাজ পাই এজন এজনকৈ পীৰাতে বহিল। তাৰ ভিতৰত এজন ডেকাই লাহেকৈ কৈ পেলালে—"হৈছে দিয়ক, আপুনি আৰু নামত কথাকে নকয়,—পোনে পোনে গছৰ আগ পায়গৈ।" ভাৰৰীয়াই কলে—"কি! কি কৈছা! মিছা বুলিছা হব পায়! বাৰু পৰহিদিনা আহিবি। মই বৰ চাহাবক নিমন্ত্ৰণ কৰিছোঁ,সঁচা নে মিছা দেখা পাবি।" এজনে কলে—যদি নাহে? ভাৰৰীয়া—

যদি নাহে তেনেহলে মোৰ নিংনি নাম ওলোতাই থবি। তেওঁৰ কথা শুনি আটাই কেইজনে হাঁহিলে—কাৰণ নিংনি নাম নোলোতালে যি ওলোতালেও সেই। এইদৰে ডেকা কেইজনে নানা ৰং ধেমালি কৰি অৱশেষত "চাহাব আহিবৰ দিনা আমিও নিমন্ত্ৰণ খাবলৈ আহিম" এইবুলি কৈ আটাই কেইজন বিদায় হ'ল।

ডেকা কেইজন গ'লত ভাৱৰীয়ানীয়ে সুধিলে—"আপুনিনো এইবোৰ কি বম্ মৰা কথা মানুহৰ আগত কৈ থাকে?"

ভাৱৰীয়া—বেটি! তইতো মোক সামান্য বুলিয়ে ভাব। তয়ো দেখিবি নহয়, এতিয় মুখ বন্ধ কৰি থাক। "বাৰু চাম দিয়ক" বুলি গা জোকাৰি ভাৱৰীয়ানী আঁতৰিল।

পৰহি দিনাৰ কথা। নিংনি ভাৱৰীয়াই দুপৰীয়া সেই ডেকা কেইজনক লগ ধৰি কলে, "বোপাহঁত! মোক হাকিম দেউতাই মাতিছে—তেওঁৰ লগত হেনো কিবা জৰুৰি কামত নগলে নহয়। পিচে আজি বৰ চাহাবক মোৰ তালৈ নিমন্ত্ৰণ কৰিছিলোঁ নহয়? তেওঁ এতিয়াই নিশ্চয় গুৱাহাটীৰ পৰা আহি ওলাব। মই যদি পাৰোঁ বৰ চাহাবৰ কথা কৈ হাকিমৰ পৰা বিদায় লৈ আহিম। আৰু যদি অগত্যা আহিব নোৱাৰোহে হাকিমেও কোনোমতে নামানে, তেনেহলে বৰ চাহাব যাতে অসন্তুষ্ট হৈ নাযায় তাৰ দিহা তহঁতেই কৰিবি। বোপাহঁত তহঁতক নিজৰ বুলি ভাবিহে এই মহা দায়িত্বৰ ভাৰ দি গলোঁ। তহঁতক পিতা বুলিছোঁ, এইখিনি মান ৰাখিবি দেই। এই বুলি



কাবৌ কোকালি কৰি কৈ বৰ লৰালৰিকৈ যোৱা দেখুৱাই গুচি গ'ল। সিপিনে ঘৈণীয়েককো খাওকে বা নাখাওকে চাহাবৰ আগত আগবঢ়াবৰ নিমিত্তে পায়স, মোহনভোগ, চাহ আদি দিয়াৰ সুবন্দৱস্ত কৰি দি আহিছিল। ভাৱৰীয়াৰ কাৰ্য্যকলাপ দেখি ঘৈণীয়েকেও সঁচা বুলিয়ে পতিয়ালে।

ইপিনে ভাৱৰীয়াই চাহাবৰ বঙলালৈ আহিছে। দেখে যে, চাহাব বঙলাত নাই। চাহাবৰ অনুপস্থিতিত ভাৱৰীয়াৰ মেমক ঠগিবৰ আৰু সুবিধা হ'ল। ভাৱৰীয়াৰ ওপৰত মেম ইমান সন্তুষ্ট যে ভাৱৰীয়াই যি খোজে তাকে তেওঁৰ পৰা পায়। ভাৱৰীয়াই লৰালৰি কৰাৰ ভাও দেখুৱাই মেমক কলে, "আইদেও! হাকিমৰ পোচাকজোৰা দিয়ক। গুৱাহাটীৰ পৰা বৰ চাহাব হঠাৎ আহি পাইছেহি। তেওঁ পোচাক পিন্ধি চাহাবক দেখা কৰিব লাগে। মেমে ভাৱৰীয়াৰ কথাত পতিয়ন গ'ল আৰু খৰ্‌ধৰকৈ আনি পোচাকটো উলিয়াই দিলে। ভাৱৰীয়াই ঘহ্ মহ্কৈ পোচাকজোৰা লৈ হাকিমৰ বঙলাৰ পৰা ওলাই মেমে নেদেখাকৈ ঘোঁৰাশালাত ঘোঁৰা চহিচৰ ঘৰত সোমাই হাকিমৰ কাৰণে ঘোঁৰা এটা সজাব লাগে বুলি কৈ হাকিমৰ পোচাকজোৰা পিন্ধি ললে। ভাৱৰীয়াৰ মূৰত হেট্, ডিঙিত নেকটাই, মুখত চুৰটৰ পাইপ্, চকুত চচ্মা, গাত ক'লা কোট, লং পেণ্ট, ভৰিত জোটা-মোজা পিন্ধি হাতত ঘৰী, জেপত ফাউণ্টেনপেন আদি যতমানে চাহাবৰ যতন আছিল সোপাকে ব্যৱহাৰত লগালে। এতিয়া নিংনি ভাৱৰীয়াক কোনেও


চিনিব নোৱাৰা হ'ল। কথাৰ চলতে চহিচক "আজিৰ পৰা মোক চাহাব বুলি খাটিৰ কৰিবি দে" এই বুলি কৈ একে জাপে সজাই থোৱা ঘোঁৰাত উঠি খোজ ললে। ঘোঁৰাচহিচে অবাক হৈ তাৰ কাৰ্য্যকলাপ চাই থাকোঁতে থাকোঁতে ভাৰবীয়া নেদেখা হ'ল।

সিপিনে হাটিৰ সকলো তিৰী-ছলিৰ কোৱাকুই লাগিল যে, নিংনি ভাৰবীয়াৰ ঘৰলৈ হেনো নিমন্ত্রণ খাবলৈ বৰ চাহাব আহিব। সেই সময়ত চাহাব নেদেখা মানুহ বহুত আছিল। ধলধলীয়া বগা চাহাব এটা হঠাৎ দেখিলে নেদেখা বস্তুৰ দৰে সকলে হেচিপট্‌কি চাহাব চাবলৈ আহে। নিংনি ভাৰবীয়াই ঘৰৰ পৰা ওলাই যাওঁতে হাটিৰ সকলোকে বৰ চাহাব অহাৰ কাৰণে বাট পদূলি সাৰি-মচি পৰিষ্কাৰ কৈ ৰাখিবলৈ কৈ সকলোকে তাৰ কীৰ্ত্তিৰ কথা জনাই গৈছিল।

বৰচাহাব নিংনি ভাৰবীয়াই ঘোঁৰাৰ ওপৰত বুকু ফিন্দাই মুখত 'পাইপ' টানি ধোৱা উকুৱাই বুকু ওফোন্দাই ঘৰৰ ফালে যাবলৈ ধৰিলে। হাটিৰ তিৰী-ছলি পদূলি ওলাই বিয়াৰ বৰ চোৱাদি চাহাবক চাবলৈ জুম পাতিলে। নিংনি ভাৰবীয়াই এনেকুৱা চাহাবৰ ভাও ধৰা কেতিয়াও দেখা নাই বাবে এনেকুৱা বেশধৰা কথা সকলোৰে কাণৰ অগোচৰ আছিল। কোনেও এতিয়ালৈ ভাৰবীয়াক চিনি নাপাই সঁচাকৈ চাহাব অহা বুলিয়ে ভাবিছিল।

দূৰতে চাহাব আহিব ধৰা দেখি ভাৰবীয়াই কৈ থোৱা ডেকা কেইজনে লৰালৰিকৈ গৈ ভাৰবীয়ানীক জনালে আৰু বৰ





খৰ্‌ধৰ্‌কৈ তেওঁলোকে ভাল ভাল চকি, মেজ মূৰত লৈ বৈ আনি সজাই থলে। সকলোৱে ধৰাধৰি কৈ তৎক্ষণাৎ অভ্যৰ্থনাৰ বাকী যো-জা কৰি পেলালে। চাহাবে বাটত কতো ৰোৱা নাই। গা ঘেলাই পাইপ্‌হুপি আহি নিংনি ভাৱৰীয়াৰ ঘৰৰ পঁদূলি পালে।

ইপিনে চাহাব আহি পাবহি বুলি ডেকা কেইজনে বাটৰ কালে চাই অপেক্ষা কৰি আছে। চাহাবে পদূলি মুখ পাইয়ে ইপিনে সিপিনে চাই চোতাললৈ সোমাই গ'ল আৰু ভাৱৰীয়াৰ চোতালত ঘোঁৰাৰ পৰা গপাতকৈ নামিল। চাহাব অহা বুলি শুনিয়ে ভাৱৰীয়ানীৰ হাত থৰক-বৰককৈ কঁপিবলৈ ধৰিলে। ইপিনে ভাৱৰীয়াও ঘৰত নাই, কি কৰে, কি নকৰে ভাবি-চিন্তি তেওঁৰ উৱাহ-দিহ নোহোৱা হ'ল। .

ঘোঁৰাৰ পৰা নমা মাত্রে ডেকা কেইজনে চাহাবক গুড্‌মর্নিং দি 'চেলিউত' দিলে। নিংনি ভাৱৰীয়াই সদায় মেম চাহাবৰ লগত থাকি মুখে মুখে সৰ সৰ্‌কৈ ইংলিচ মাতিব পাৰিছিল। সি মুখ-ভঙ্গীতে বহুত কথা বুজিব পাৰি 'ইয়েচ' 'নো' আদি উত্তৰ দিছিল। লৰাবোৰে'গুডমর্নিং'দিয়াৰ লগে লগে চাহাবে 'গুডমর্নিং' বুলি কৈ আগলৈ ভৰিখন দাঙি দিলে আৰু যিহকে পায় সিহকে ইংলিচত বকি আঙুলি জোকাৰিবলৈ ধৰিলে। ডেকা দলে নিংনি ভাৰৰীয়াক চিনি পাই হাঁহি হাঁহি থৰ পৰিল। ভাৱৰীয়ানী লাজতে ঘৰৰ ভিতৰতে হাঁহি হাঁহি—বাজ নোলোৱাত পৰিল। ডেকা দলে চাহাবলৈ সজা সকলো চাহ মিঠাই খাই পেলালে।



হাটিৰ যিবিলাক মানুহ চাহাবক চাবলৈ আহিছিল, সকলোৱে নিংনি ভাৱৰীয়াৰ কাৰ্য্যত আচৰিত মানিলে। তেতিয়াৰ পৰা ভাৱৰীয়াৰ নাম 'নিংনি ভাৱৰীয়া' গুচি 'নিংনি চাহাব' হল।

ইপিনে বঙলাতো হাকিম আহি ওলালত মেমৰ মুখত ভাৱৰীয়াৰ ঠগামীৰ কথা শুনি তাকে আলোচনা কৰি আছিল— এনেতে 'নিংনি চাহাব' ঘোঁৰাৰে আহি হাজিৰ হ'ল। ভাৱৰীয়াৰ ৰহস্য শুনি মেম চাহাবে সেই গোটেইখিনি সাজ পোচাক* তাক পুৰস্কাৰ দিলে। তাকে পিন্ধি ভাৱৰীয়াই ঠায়ে ঠায়ে বহুত ৰহস্য কৰি ফুৰিছিল।

## ১৩ ৰহস্য

### হুগাৰ সমান সুখ নাই

সুন্দৰীদিয়াৰ বিখ্যাত অতিৰাম বৰুৱাৰ পৰাক্রমৰ কথা সংসাৰ বিয়পা। তেওঁৰে পুত্র হলিৰাম বৰুৱা।

হলিৰাম বৰুৱাৰ লগত ভাৱৰীয়াৰ বৰ মিলাপ্রীতি। ভাৱৰীয়াই সদায় বৰুৱাৰ ঘৰলৈ অহা-যোৱা কৰে। তেওঁ বহুত বিপদ-আপদত বৰুৱাৰ সহায় হয় আৰু বৰুৱাৰ পৰাও তেওঁ অশেষ উপকাৰ লাভ কৰে। বৰুৱাৰ বহুদিন সতি-সন্ততি হোৱা


*উক্ত চাহাবৰ টুপি-চোলা এতিয়াও আছে।

নাছিল। বহুদিনৰ মূৰত তেওঁৰ এটি লৰা সন্তান জন্মিল। ভাৰৰীয়াই বৰুৱাৰ খবৰ লবলৈ আহিলত, বৰুৱাই হৰিষমনে আহি ভাৰৰীয়াৰ আগত কলে—'ভাৰৰীয়া ককাই! আজি বৰুৱানীৰ এটি লৰা সন্তান প্ৰসৱ হৈছে। ভাৰৰীয়াই ঘপৰাই উত্তৰ দিলে 'দেউতা! মই হগাৰ সমান সুখ পালোঁ।' বৰুৱাই বুজিব নোৱাৰি অলপ অপদস্ত হোৱা ভাবত কলে—কি হগাৰ সমান সুখ পালাহে? ভাৰৰীয়া "হয় বৰুৱা! মই হগাৰ সমান সুখ পালোঁ।" পুনঃ উত্তৰ পাই বৰুৱাই আৰু বেছি লাঞ্ছিত হ'ল। তেওঁ ভাৰৰীয়াৰ লগত কথা কৈ পাৰ নাপায় বুলি জানিয়ে মনে মনে থাকি অইন কথা উলিয়ালে।

ভাৰৰীয়াইও আচল কথা বুজাই নিদিলে।

এদিন বৰুৱাই ভাৰৰীয়াক লগতলৈ দোলাত উঠি পুৰণ আলি বাটেদি ৰৰনগৰলৈ যাবলৈ ওলাল। ভাৰৰীয়াই বৰুৱাক ভালপোৱা দেখুৱাই অতি আগ্ৰহেৰে নিজে কান্ধ্ পাতি দোলাভাৰী হ'ল। কেইমাইলমান গৈয়ে যুগীৰপাম পোৱা যায়। যুগীৰপাম পাও পাও হওতেই বৰুৱাৰ হাগা লাগিল। কিন্তু তেওঁ বহুত সময় সহিব পৰালৈকে হগা লগা কথা প্ৰকাশ নকৰি গৈ আছিল। যেতিয়া টানকৈ হগা লাগিল, একান্ত ৰব নোৱাৰি দোলাখন অলপ ৰাখিবলৈ কলে। ভাৰৰীয়াই কিন্তু তেওঁৰ কথা নামানি একেৰাহে গৈ থাকিল। আচল কথা নকলে নহয় ভাবি বৰুৱাই হাগা লগা বুলি প্ৰকাশ কৰিলে। ভাৰৰীয়াই তথাপি এখন্তেকো নৰল। 'ৰব বৰুৱা'! গোলমাল





নকৰিব' হাউলী আহি পালে'ঁহি, ইয়াত ভালুকৰ ভীষণ প্ৰকোপ। সৌ নগৰঝাৰৰপৰা দলে দলে ভালুক আহি বাটতে জোপ লৈ থাকে। অলপ আগুৱাই গলে সৌ বেকী নদী পাম—তাতহে আপোনাৰ শৌচ কৰিবৰ সুবিধা হব।' এই বুলি কৈ আগতকৈও বেগাই যাব ধৰিলে। এইপিনে বৰুৱাৰ অসহ্য হ'ল। নিৰুপায় হৈ হাউলীৰ দুমাইল পশ্চিমে বৰবাৰীঝাৰৰ ওচৰত দোলা চলি থাকোঁতেই বৰুৱাই নামিবলৈ চেষ্টা কৰিলে। ভাৱৰীয়াই গতি বিষম যেন পাই তাতেই থামিল আৰু বৰুৱাক শৌচ কৰিবলৈ অৱকাশ দিলে। শোচৰ বেগত বৰুৱাৰ ধাতু উৰিবলৈ ধৰিছিল। লৰালৰিকৈ গৈ অলপ আঁতৰতে শৌচ কৰি ঘুৰি আহি বৰুৱাই কলে—'উঃ এতিয়াহে বৰ সুখ পালে'ঁা'। এই চলতে ভাৱৰীয়াই পূৰ্বৰ কথা সোঁৱৰাই দিলে—'আজি পিচে কেনে পালে? আপোনাৰ লৰা ওপজাৰ দিনা মই হগাৰ সমান সুখ পোৱা বুলি কোৱাত মোক বেজাৰ পাইছিল নহয়? এতিয়া দেখোন নিজেই আকৌ—'হগা বৰ সুখ' বুলি কয়। বৰুৱাই এতিয়াহে বুজিলে—বাৰে বাৰে কোৱা সত্বেও সি কিয় দোলাখন ৰখা নাছিল। তেতিয়াৰ পৰা বৰুৱাই তাক আগতকৈও বেছি ভাল পোৱা হ'ল।

# ১৪শ ৰহস্য

## গৃহিণীৰ পৰা লাউ খোজা ৰহস্য

ভাৱৰীয়াৰ নিজৰ নহলেও পৰৰ বস্তুই তাৰ বস্তুৰ দৰে। ভাৱৰীয়া উপস্থিত হলে যাৰ যি আছে তাৰ কিছু নহয় কিছু দিবই। দেশৰ লৰা-তিৰোতা, বুঢ়া-ডেকা সকলোৱে ভাৱৰীয়াক ভাল পায়। লৰাৰ লগত লৰা, বুঢ়াৰ লগত বুঢ়া। এদিন ঘৰত ৰান্ধিবলৈ কোনো তৰি-তৰকাৰী নোহোৱা হোৱাত ভাৱৰীয়ানীয়ে ভাৱৰীয়াক গাওঁৰ পৰা তৰকাৰী বিচাৰি আনিবলৈ কলে। ভাৱৰীয়াই তামোল এমোকা খাই হাতত লৰ এডাল লৈ বাজ ওলাল। এঘৰ মানুহৰ ঘৰৰ চালত মাত্ৰ দুটা পূৰঠ ৰঙা লাউ আছিল। বহুত লাউ লাগিছিল যদিও গৃহস্থই কাকো নিদিয়াকৈ অকলে খাই অন্তকৰা কথা ভাৱৰীয়াই জানে। গৃহস্থই ভৱিষ্যতত কোনো সকামত লগাবলৈ দুটা লাউ সাঁচি থৈছিল। ভাৱৰীয়াই আগতেই সেই লাউ দুটা গৃহস্থৰ চালত দেখা পাই গৈছিল। তাৰে এটা জৰুৰ পাম বুলি গুজং গুজং কৈ গৈ লাউৰ গৃহস্থৰ ঘৰ পালে। গৃহস্থক মাতে যে ঘৰত পুৰুষ মানুহ কোনো নাই। ঘৰৰ ভিতৰত গৃহিণী এগৰাকী আছে যদিও ঘৰৰ ভিতৰৰ পৰাহে কথা কয়—বাজ নোলায়। ইপিনে তৰকাৰী নিনিলেও নহয়—ঘৈণীয়েকৰ টান কথা শুনিব লাগিব। আন ঠাইত পাবৰো উপায় নাই। উপায়ান্তৰ নেদেখি ভাৱৰীয়াই

বাহিৰৰ পৰাই ঘৰৰ গৃহিণীক কলে—'আই হেৰ ! ঘৰত তৰি-তৰকাৰী একো নাই, লাউ এটাকে পাম বুলি আহিছিলোঁ। দিব পাৰিবি জানোঁ ?' তেতিয়া গৃহিণীয়ে উত্তৰ দিলে 'চালত মাথোন ছুটি লাউ আছে, তাকো সকামলৈ সাঁচি থৈছে। মই কোনোমতে দিব নোৱাৰোঁ, গৃহস্থ আহিলেহে যদি কৈ গাই নিব পাৰে।'

গৃহিণীৰ জবাব শুনি ভাৱৰীয়া বিমোৰত পৰিল। সিপিনে ভাত ৰান্ধি ভাৱৰীয়ানীয়ে বাট চাই থাকিব। নিৰুপায় হৈ মনতে বুধি এটা সাজিলে,– ভাৱৰীয়াই তপিনা উদাই, ওলোটা হৈ হাতৰ ওপৰত গাৰ ভৰ দি ঘৰৰ পৰা ওলোৱা ছুৱাৰ মুখতে ৰৈ থাকি এইদৰে কলে 'বাৰু গৃহস্থক ছুৱাৰ মুখতে অপেক্ষা কৰি ৰলোঁ। এতিয়া কি দিহা কৰা কৰ আই।'

গৃহিণীয়ে মহা মুস্কিলত পৰিল। কোনোবাই দেখিলেও মহা লাজৰ কথা হব। বাধ্য হৈ এটা লাউকে দিবৰ সন্মত হ'ল। ভাৱৰীয়াই তেতিয়াহে ভাও এৰিলে। কিন্তু ভাৱৰীয়াৰ লোভ আছিল ছুয়োটা লাউৰ ওপৰত। গৃহিণীয়ে চালৰপৰা এটা লাউ পাৰি নিবলৈ কলত ভাৱৰীয়াই কলে—'আই হেৰ ! মই কোনো কালে খেৰৰ ঘৰত উঠি পোৱা নাই—তাতে মই ভাৰী মানুহ, চালখনো হেকেটা। মই জখলাত ধৰি থাকোঁ, তয়ে পাৰি দেছোন, পৰিবৰ কোনো ভয় নকৰিবি'। গৃহিণীৰ মহা আপদ মিলিল। সোনকালে আপদ গুচোৱাহে ভাল, নহলে গৃহস্থ আহি পালে বা আকৌ কি গতি হয় ! ইয়াকে ভাবি বাধ্য হৈ





গৃহিণী বাজ ওলাই চালত উঠি লাউটো পাৰি দিব লগীয়া হ'ল। গৃহিণীয়ে মূৰত কাপোৰ লৈ ইফালে সিফালে চাই কোনো মানুহ নোহোৱা যেন দেখি লাউ পাৰি দিবলৈ চালত উঠি এটা লাউ ওপৰৰ পৰা নমাই দিলে। ইতিমধ্যে ভাৱৰীয়াই চালৰ পৰা জখলাখন নমাই আটাহ পাৰিবলৈ ধৰিলে—বোপাহঁত! আইহঁত চোৱা'—

গৰু উঠিল গাছত,
তিৰী বগায় ছালত,
দেখা দেখা কেনে ঘোৰ কলিকাল।
হৰিণে চে্লেকে বাঘৰ গাল।

গৃহিণী লাজ আৰু ভয়তে চালৰ ওপৰত থৰহৰি কঁপিবলৈ ধৰিলে। ভাৱৰীয়াই কঁপিবলৈ ধৰা দেখি কলে 'এতিয়া দিয় যদি সিটো লাউ পাৰি দে নহলে গতি লাগিছে, মই জখলাখন চালত লগাই নিদিয়াকৈ ঘৰক গুচি যাওঁ।' গৃহিণীয়ে আতুৰত পৰাৰ দৰে হল আৰু বাধ্য হৈ বাকীটো লাউ চালৰ পৰা নমাই দিলে। ইপিনে ভাৱৰীয়াই জখলাখন চালত লগাই দি গৃহিণী চালৰ পৰা নামি নাহোঁতে লাউ দুটা লৈ তৰা নবা ছিগি পলাল।

## ১৫শ ৰহস্য

### যেনে কুকুৰ তেনে টাঙোন

ভাৱৰীয়ানীয়ে ভাৱৰীয়াক কথায় পতি মৰ মৰ বুলি শাপি থাকে। ভাৱৰীয়াইও ইয়াৰ এশিকনি দিম বুলি চল চাই থাকিল।



ভাৱৰীয়ানীৰ সগৰ্ভা অৱস্থা। ভাৱৰীয়ানী আৰু ভাৱৰীয়া দুয়ো কাৰ কথা ফলিয়ায় তাৰ বাজি বাখিলে। ভাৱৰীয়াই কলে ছোৱালী হব বুলি আৰু ভাৱৰীয়ানীয়ে কলে লৰা হব বুলি। যথা সময়ত ভাৱৰীয়ানীৰ প্ৰসৱ হ'ল, সন্তান জন্মিল লৰা। ভাৱৰীয়ানীৰ কথা ফলিয়ালে। ভাৱৰীয়াই তাকে সকলোৰে আগত জাহিৰ কৰি ফুৰিলে যে ভাৱৰীয়ানীয়ে যি কয় সেয়ে হয়। ওচৰ চুবুৰীয়া মানুহে সেই ভয়তে ভাৱৰীয়ানীক বৰকৈ মনা হ'ল। শাপিবৰ ভয়তে তেওঁক কোনেও বেয়া কথা নকয়। এদিন এঘৰ মানুহৰ ঘৰত গহনা চুৰি হৈছিল। ঘৰতে হোৱা গৃহ কন্দলৰ পৰাই এই চুৰিৰ উদ্ভৱ বুলি ভাৱৰীয়ানীয়ে জানে। চুৰি হোৱা ঘৰৰ গৃহস্থই আহি ভাৱৰীয়ানীক সুধিলে-"আইদেও! আমাৰনো গহনাখিনি কোনে নিলে কব পাৰিবনে?" ভাৱৰীয়ানীয়ে নভবা-নিচিন্তাকৈ ঘপৰাই উত্তৰ দিলে—"এ—আই! ঘৰৰ চোৰ ঘৰতে আছে যা—কোনেনো গহনা চুৰ কৰিবলৈ আহিব?" সঁচাকৈ কেইদিনমান পাচতে ঘৰতে গহনাখিনি সৰু ভায়েকৰ শেতেলীৰ তলত ওলাই পৰিল। এই ঘটনাৰ পৰা ভাৱৰীয়ানীৰ যশস্যাৰ কথা আৰু বেছিকৈ জাহিৰ হ'ল। সেই চলতে ভাৱৰীয়াই ঘৈণীয়েকৰ কথা ফলিওৱা বুলি ধাম্ ধুম্কৈ ফুৰিব ধৰিলে। লগে লগে ভাৱৰীয়ানীৰ মইবৰ ভাব বাঢ়িল! ভাৱৰীয়াক আগতকৈও বেছিকৈহে অৱহেলা কৰা হ'ল। কথাই কথাই মৰ্ মৰ্ বুলি শাপি থাকে। শাপিলেই ভাৱৰীয়াইও যোৰহাত কৰি চুপতি মাৰিবলৈ ধৰে—"হেৰে গোসানী! ক্ষমা কৰিবি, তোক যিহকে লাগে তাকে আনি দিম, তথাপি মৰ্ মৰ্

বুলি নাশাপিবি। তোৰ কথা সঁচাকৈ ফলিয়ায়, পিচে মই সঁচাকৈ মৰি যাম। মৰিলেনো পাছে তোৰ কথাকে নকও এই ৰাইজৰ ভৰিৰ ধূলা লৰাছোৱালী কেইডোখৰৰ কি অৱস্থা হব ?" ঘৈণীয়েকে ভাৱৰীয়াৰ কথাক কেৰেপকে নকৰে।

এদিন ভাৱৰীয়া আৰু ভাৱৰীয়ানীৰ কিবা কথাত বাদীয়া-বাদী লাগী থাকোঁতে ভাৱৰীয়ানীয়ে "তই মৰ্ মৰ্" বুলি হাত মুচৰি শাপিলে। ভাৱৰীয়াৰ আগৰ পৰা পানী লগা জ্বৰ হৈ গা অসুখ হৈ আছিল যদিও আনে তেওঁৰ অসুখৰ কথা জনা নাছিল।

ভাৱৰীয়াই শাপনি দিয়াৰ অলপ পাচতে জ্বৰ উঠা বুলি শুই পৰিল। লাহে লাহে হু হু কৈ কঁপিবলৈ ধৰিলে। ভাৱৰীয়াৰ জ্বৰ উঠা খবৰ পাই হাটিৰ মানুহবোৰে খবৰ লবলৈ আহি মূৰত হাত দি দেখে যে সঁচাকৈ ভাৱৰীয়াৰ জ্বৰ উঠিছে। ভাৱৰীয়াইও "উঃ বোপাহঁত ! মই আৰু মৰিম, মই কেতিয়াও নাবাচোঁ– ভাৱৰীয়ানীয়ে মৰ্ মৰ্ বুলি শাপিছে।" এই বুলি বলকিবলৈ ধৰিলে। সকলোৱে ভাৱৰীয়ানীৰ শাপতে ভাৱৰীয়াৰ এনে অৱস্থা হোৱা বুলি পতিয়ন গ'ল। ৰবকৈ মানুহ অহা দেখি ভাৱৰীয়ানীয়ে দুৱাৰ বন্ধ কৰি বান্ধি থৈ ধান বান্ধিবলৈ আনৰ ঘৰলৈ গুছি গ'ল। ভাৱৰীয়াৰ কঁপনি উঠা দেখিও ভাৱৰীয়ানীয়ে সেইফালে কেৰেপকে নকৰিলে। দুই এজনে খা-খবৰ লবলৈ আহে যদিও দুৱাৰ বন্ধ দেখি উলটি যায়।


এইপিনে ভাৱৰীয়ানীয়ে ধান বান্ধি আহি ঘৰৰ দুৱাৰ খুলিয়ে দেখে যে ভাৱৰীয়াৰ মাত বোল একো নাই, ভৰি হাত মেলি জিভা উলিয়াই, পেট উখহি বিকৃতাকাৰ হৈ কলগছ পৰা দি



থৰ্থৰীয়া হৈ বিচনাত পৰি আছে। উশাহো নাই নিশাহো নাই। গৃহিণীৰ চুলিৰ আগেদি জীউ গ'ল। তেওঁ ভাৱৰীয়াৰ মূৰ্ত্তি দেখি ভয়তে বাহিৰ ওলাই চোতালত বাগৰি ঢাকুৰী ঢাকুৰী কান্দিবলৈ ধৰিলে। কান্দোন শুনি হাটিৰ সকলো মানুহে উধাতুখাই লৰি আহিল আৰু দুৱাৰ মেলিয়ে ভাৱৰীয়াৰ মূৰ্ত্তি দেখি সকলোৰে চুলিৰ আগেদি জীউ গ'ল। চাৰিওফালে হাহাকাৰ লাগিল—ভাৱৰীয়া মৰিল বুলি। সকলোৱে ভাৱৰীয়ানীকহে দুষিবলৈ ধৰিলে। কোনোৱে কয়—"মৰিবলৈ শাপনি দি ইমান কপি কপি জ্বৰ উঠা মানুহটোক দুৱাৰ বান্ধি এৰি থৈ এবেলা অইন ঠাইত গৈ সুমাই থাকেনে ?" কোনোৱে কলে, "এই মৰ্ মৰ্ বুলি শাপি শাপিহে মাৰিলে"। সকলোৱে তাইৰ গাত কিমান যে দোষ বৰষিলে তাৰ সীমা নাই। তাইও নিজৰ দোষৰ কথা মনত কৰি কান্দি কান্দি মুচ্ কচ্ গ'ল। পুতেকেও মাকৰ দোষতে মৰা বুলি শুনি মাকৰ পিঠিত পাৰে মানে কীলভুকু বৰষিলে। ইমান সময় চুৱা যাবৰ ভয়তে কোনেও মৰাশৰ গাত হাত দিয়া নাছিল। নিলগৰ পৰাই কোনেও ভয় নাখাবলৈ মৰাশটো ঢাকি এখন কাপোৰ দি থৈছিল। ভাৱৰী-য়াৰ আকস্মিক মৃত্যুত সকলোৱে মৰণান্তিক দুঃখ পালে আৰু হাটিৰ তিৰী-ছলি কান্দি কান্দি অস্থিৰ হ'ল। অৱশেষত খড়ি দিবলৈ যো-যা কৰি ঘৰৰ ভিতৰৰ পৰা মৰাশটো বিচনাৰে সৈতে সকলোৱে ধৰা ধৰি কৰি বাহিৰলৈ উলিয়ালে। যোগাৰ কৰাই যোগাৰ কৰিলে, নাম কীৰ্ত্তন কৰাই নাম কীৰ্ত্তন গালে আৰু কন্দাই কান্দিয়ে থাকিল। চাৰিজন বংশ পৰিয়ালে চাঙত ধৰি

মৰাশটো কান্ধত তুলি ললে। সকলোৱে শ্মশানশালীলৈ লৈ যাম বুলি হৰিধ্বনি কৰি ওলাল।

ইপিনে নিংনি ভাৱৰীয়াই ভাবিলে—আৰু অধিক পলম হলে গতি বিষম হব ! ভাৱৰীয়াই চাঙৰ ওপৰতে ধহমহনি লগালে।



চাং ধৰা মানুহ কেইজনে ভয় খাই ভুতে পোৱা বুলি মাটিত চাং খন থৈ দিলত ভাৱৰীয়াই ঢাৰীৰ মাজৰ পৰা ঘহ্-মহ্ কৈ ওলাই হাঁহিবলৈ ধৰিলে।

মানুহবোৰে ভাৱৰীয়াৰ কাণ্ড দেখি অবাক হ'ল। ভাৱৰীয়াই ঘৈণীয়েকৰ পিনে চাই কলে—"বেটি ! মৰ্ মৰ্ কৈ শাপি থকাৰ মজা পালিনে ? ৰাজ্য জুৰি হাঁহিৰ খলক লাগিল। সকলোৱে ভাৱৰীয়ানীক এশিকনি দিয়া দেখি এক মুখে কৈ গ'ল—"ভাই ! ঠিক হৈছে, কেনে মজা—যেনে কুকুৰ তেনে টাঙোন।

# ১৬শ ৰহস্য

## ধানবন্ধা গছৰতলত পহুমৰা ঘটনা

ধানবন্ধা গছৰতল নামৰ ঠাইডোখৰ বৰপেটাৰ পৰা আহি পোৱা হুমাইলৰ খুটিৰ পোনে পোনে আলিবাটৰ পূবকাষে। ইয়াতে থকা বৃহৎ গছৰ তলত ধান বান্ধি খাই মানৰ আক্ৰমণৰ সময়ত বৰপেটাৰ অসংখ্য মানুহে পলাই আশ্ৰয় লৈ আছিল।

এদিন নিংনি ভাৱৰীয়াৰ ভাগী সকলে ধানবন্ধা গছৰ তললৈ পহুচিকাৰলৈ গৈ হৰিণ এটি মাৰি আনি ভাগ বাটিলে। নিংনি ভাৱৰীয়াই চিকাৰলৈ নোযোৱা বাবে পহুৰ ভাগ নিদিলে। অইন বেলিকা নিংনি ভাৱৰীয়াই নগলেও ভাগ পায় কিন্তু সেইদিনা ঘৰত নিংনি ভাৱৰীয়া নথকা দেখি তালৈ কাৰো মনত নপৰিল। দৈবাৎ গধূলি ভাৱৰীয়া কৰবাৰপৰা আহি ঘৰ পালেহি। অইনে হৰিণৰ মাংসইদি ভাত খাব কিন্তু ভাৱৰীয়াৰ ঘৰত সুদা ভাত খাবলগীয়া হোৱাত ভাৱৰীয়ানীৰ মনত অসন্তোষ। তেওঁ ভাৱৰীয়াক পহুৰ ভাগ নিদিয়া কথা কৈ মনত বহুত খেদ কৰিলে। নিংনি ভাৱৰীয়া মাংসলোভী মানুহ আছিল। তেওঁলৈ কাৰো চেতন নোহোৱা দেখি মনতে এটা বুধি সাজি সকলোৱে তাক নিদিয়াকৈ মাংস খোৱা মুখেদি উলিয়াবলৈ সাজু হ'ল। ভাৱৰীয়াৰ ঘৰত কেচুৱা এটিৰ জ্বৰ হোৱা কথা সকলোৱে জানে। ভাৱৰীয়াই ঘৈণীয়েকক

চোতালত ওলাই বিনাই বিনাই কান্দিবলৈ কলে আৰু নিজে মানুহৰ খাব-লবৰ সময়ত ভঙা নাঙল এডোখৰ চটীৰে মেৰাই মৰা শ নিয়াৰ দৰে কান্ধত তুলি লৈ কান্দি কান্দি মৰিশালীত পেলাবলৈ গ'ল। ভাৱৰীয়াৰ আদেশ মতে ভাৱৰীয়ানী পাছে পাছে কান্দি কান্দি গৈ থাকিল।

ইপিনে ভাগীহঁতৰ কাৰো ভাত খাবৰ সময় হৈছিল, কাৰো আধা খোৱা হৈছিল, কাৰোবা খাবলৈ ধৰা নাছিল,—ৰন্ধা-বঢ়াহে হৈছিল। ভাগীৰ ছোৱালীমৰা খবৰ পালত পাগ চুৱা গ'ল বুলি সকলোৱে বন্ধা ভাত-আঞ্জাবোৰ চুৱনীত পেলাই দি পাগ পেলাই গা-পা ধুই শুচি হ'ল। হৰিণৰ মাংস খাবলৈ ভাগ্যতে নাই বুলি সকলোৱে আক্ষেপ কৰিলে। তদুপৰি ভাৱৰীয়াৰ কেচুৱাটোৰ মৃত্যু হোৱাত সকলোৱে অতি দুখমনে ৰাতিটো কটালে।

ইপিনে ৰাতি পুৱাই উঠি ভাৱৰীয়াই কেচুৱাটোক কোলাত লৈ নচুৱাই নচুৱাই গীত গাই হাটিৰ মাজেদি যাবলৈ ধৰিলে। ৰাতিপুৱা উঠিয়ে ভাগীবিলাকে কেচুৱাটোক দেখা পাই সকলোৱে হায়! হায়!! কিয় মাংসবোৰ নাখাই পেলাই দিলোঁ বুলি আপ্চোচ কৰিলে। নিংনি ভাৱৰীয়াক হৰিণৰ মাংস নিদিয়াত যে কোনেও খাব নাপালে এই কথা তেতিয়াহে সকলে বুজি পালে। ভুল ধৰা পৰি সকলোৱে লাজতে মৰা যেন হ'ল।

———

# ১৭শ ৰহস্য

## জলপাণ খোৱা ৰহস্য

ভাৱৰীয়াৰ নিমন্ত্ৰণ খাবলৈ আজৰি নাই। প্ৰতিদিনে এঘৰত নহয় এঘৰত নিমন্ত্ৰণ আছেই। যাৰ ঘৰত একো নাই সিও চাউল খুদ্ কণেৰে হলেও ভাৱৰীয়াক এসাজ খুৱাইহে সন্তুষ্ট হয়। ভাৱৰীয়াৰো মান-অভিমান নাই। যেয়ে মাতে তাৰ ঘৰলৈকেই যায় আৰু যেয়ে যিহেৰে খুৱায় তাতে সন্তুষ্ট থাকে।

এদিন এঘৰত নিমন্ত্ৰণ খাই উগাৰ কাঢ়ি আহি থাকোঁতে এটি চোমুখত কেইজনমান চেংৰাই লগ পালে। ভাৱৰীয়াৰ লগত নানা কথাৰ চুপতি মাৰি আছিল, এনেতে কথাৰ চলতে ভাৱৰীয়াই চেংৰা-কেইজনক "বোপাহেৰে মই তহঁতৰ সদাই খায়ে থাকোঁ, পিচে মইনো বাৰু তহঁতক কি খুৱাম—মই কেবল পৰৰ খোৱাহে হৈছোঁ। যি হওক অহা ৰবিবাৰে মোৰ পিতৃশ্ৰাদ্ধ ফেৰা কৰিব খুজিছোঁ। তোমালোকক মোৰ অলপ জলপাণ খুৱাবলৈ নিমন্ত্ৰণ কৰিলোঁ। হেলা নকৰি আহিবাদেই বোপাহঁত"। ডেকাকেইজনেও ঘপৰাই সন্মত হ'ল। তেওঁ-লোকে ভাৱৰীয়াক যাতে লাজত পেলাব পাৰে তাৰবাবে হাটিৰ সকলো যুবককে সেইদিনা ভাৱৰীয়াৰ ঘৰত নিমন্ত্ৰণ খাব যাবলৈ খবৰ দি সাজু হৈ থাকিল।

ইপিনে ভাৱৰীয়াই কলৰ বগা দোনা অসংখ্য কাটি থৈ দিছে। সকলোৱে ৰাইজক খুৱাবলৈ আজি ভাৱৰীয়াই বৃহৎ আয়োজন কৰা বুলি ভাবিছে। নিৰ্দ্দিষ্ট দিনা হাটিৰ সকলো যুবকে ভাৱৰীয়াৰ ঘৰলৈ নিমন্ত্ৰণ খাবলৈ আহি জুমুৰি দিলে।

যথাসময়ত দিন দুপৰীয়া সকলোৱে চোতালত শাৰীপাতি জলপান খাবলৈ বহিল। নিংনি ভাৱৰীয়াই সকলোৰে সম্মুখত একোটা দোনা দি লগে লগে দোনাই দোনাই পানী দি গ'ল। সকলোৱে দোনাবোৰ ধুবলৈ পানী দিয়া বুলি ভাবিলে। তাৰ পাচতে সকলোৰে দোনাই দোনাই একোপাত পাণ দি গ'ল। পাণ দিয়া দেখি ই তাৰ মুখলৈ সি ইয়াৰ মুখলৈ চোৱা-চুই লগালে। সকলোৰে দোনাত পাণ দিয়া হলত নিংনি ভাৱৰীয়াই যোৰহাতে নিমন্ত্ৰিত ভকত সকলক সম্বোধন কৰি কলে —ৰাইজ সকল! মই যথাসাধ্যে আপোনালোকক জলপাণ দিছোঁ—আশা কৰোঁ হেলা নকৰি সকলোৱে সন্তুষ্ট মনে গ্ৰহণ কৰিব।"

ভাৱৰীয়াৰ কাণ্ড দেখি সকলোৱে মূৰে কপালে হাত দিলে। লাজতে তলমূৰহৈ লাহে লাহে উঠি সকলোৱে আপোন ঘৰলৈ লৰ দিলে। ভাৱৰীয়াৰ নিমন্ত্ৰণী খাই গৈ জুটী নৌপলোৱাত সকলোৱে আপোন ঘৰে ঘৰে নিমন্ত্ৰণ ৰক্ষা কৰিলেগৈ।

---

# ১৮শ ৰহস্য

## পণ্ডিতৰ বিলাই

ভাৱৰীয়াৰ ৯ বছৰীয়া নুমলীয়া লৰাটি স্কুলত পঢ়ে। এদিন পণ্ডিতে পাঠ নোৱাৰা দোষত লৰাটিক বেট দিলে। পুতেকে কান্দি কান্দি বাপেকৰ আগত পণ্ডিতে মৰা বুলি গোচৰ দিলেগৈ। অইন লগৰীয়া লৰাৰ মুখেও পণ্ডিতে নাবালক লৰাটোক বৰকৈ মৰা বুলি শুনি ভাৱৰীয়াৰ বৰ খং উঠিল। 'ৰহ ই কেনে ছলি মৰা মাষ্টৰ ওলাইছে দেখা যাব'—এই বুলি হাতত লৰু (এচাৰী) এডাল লৈ মাষ্টৰক বিচাৰি গ'ল। দৈবাৎ মাষ্টৰক বাটতে লগ পালে। আগে-পাচে দেখিলে ভাৱৰীয়াই সান্তৰ (সাঁথৰ) মাতি আগতে পণ্ডিত বাবুক এআঠুৱা প্ৰণাম জনায় কিন্তু আজিৰ কথা বেলেগ। ভাৱৰীয়াৰ বুলন আৰু মুখৰ চেহেৰা দেখি পণ্ডিতে তাৰ মনৰ গতি তৰকিব পৰা নাই। আজি পণ্ডিতেই আগেয়ে মাত লগালে— ভাৱৰীয়া! ইমান বেগাই কলৈ যায়? ভাৱৰীয়াই আহি ওচৰত ঘপৰাই থিয় হ'ল আৰু কথা নাই বতৰা নাই লৰু ডালেৰে মাটিত পকীয়াপকিকৈ এটা আচ মাৰি কলে—"আপুনি বৰ ছলিমৰা পণ্ডিত ওলাইছে, এইটো বাৰু কি কওকচোন?"

পণ্ডিতৰ চুলিৰ আগেদি জীউ যোৱা যেন হ'ল। এতিয়াহে আচলৰ হাতত পৰিলোঁ বুলি মনতে ভাবি থৰ্থৰীয়া হৈ

থাকিল। ভাৱৰীয়াই অলপ থমকি পণ্ডিতে একো নামাতা দেখি কৈ পেলালে, "এ—এইটো কি তাকে কব নোৱাৰিলে, আকৌ পঢ়া নোৱাৰিলে ছলিক হলে বেট দিব পাৰে। এনেকৈহে পণ্ডিত মৰাইছে নহয়? এইটো "গৰুৰমূত"। এই বুলি কৈ ভাৱৰীয়াই গুচি গ'ল।

পণ্ডিতে কোনোমতে যমৰ হাতৰপৰা সৰা যেন পালে। ভাৱৰীয়াৰ প্ৰশ্ন আৰু উত্তৰ শুনি নিজে নিজে হাঁহি পণ্ডিত বাবুই গন্তব্যস্থানলৈ গুচি গল।

পিচদিনা আকৌ ভাৱৰীয়াই পণ্ডিতৰ বাহালৈ গ'ল। পণ্ডিতক এজন মানুহৰ সৈতে কথা কৈ বহি থকা দেখি দূৰৰ পৰাই সাঁথৰ মাতিলে—পণ্ডিত বাবু, পণ্ডিত বাবু, পেট গুল্ গুল্ কৰে, এপইছাত ন মোণ চিনি সেৰে কিমান পৰে"? পণ্ডিত বাবুই কিবা এটি উত্তৰ নিদিলে ভাৱৰীয়াই নেৰিব বুলি জানি কলে—এঃ ইমানখিনিমান পৰে,"।—এইবুলি হাতৰ আঙুলি কেইটি লগ কৰি এধানমান দেখুৱাই দিলে।

তেতিয়া ভাৱৰীয়াই "ও পণ্ডিত বাবু কেতিয়াবাৰ পৰা চালাক হ'ল"—এই বুলি কৈ আগতে এটি বেং দেখি ঘপৰাই সাস্তৰ বনাই দিলে,—বাৰু এইবাৰ কব—

আটা লাগুা পিতা লাগুা.
লাগুা লাগুা ঘোল গাগুা,
ঘোল গাগুা ভৱিষ্যতি
কেৰ্মে কেৰ্মে ক্ষয় যান্তি।



"কওক এইটো কি"? পণ্ডিত বাবুই একো উত্তৰ বিচাৰি নাপাই "সেইটো তোৰ মূৰা" এই বুলি কৈ উঠিব খুজিলত ভাৱৰীয়াই "ৰব কলৈ যায়—এ সেইটো বেং"। এইহে পণ্ডিত মৰাইছে। পিচে শুনক পণ্ডিত বাবু! আপুনি কিন্তু সাৱধান! যোৱা কালি মোৰ নাবালক লৰাটোক কিয় ইমান মাৰিলে? এতিয়াও পিঠিত স্কেলৰ ডাগ সিৰলা সিৰলি দি আছে—

বোলে হনুমন্তক শনি পাইছিল লঙ্কাত দিছিল জুঁই।
কুম্ভকৰ্ণক শনি পাইছিল ছমাহ আছিল শুই॥
ৰাৱণ ৰজাক শনি পাইছিল সীতাক কৰিলে চুৰ।
শ্ৰীবৎসক শনি পাইছিল ৰাজ্য হ'ল চাৰখাৰ॥
নল-দময়ন্তীক শনি পাইছিল বাকলি বসন।
হৰিশ্চন্দ্ৰক শনি পাইছিল চাণ্ডালৰ বেশন॥
আমাৰ পণ্ডিতক শনি পালে মোৰ ছলিক মাৰি।
দিয়া যদি উত্তৰ দে নোৱাৰা যাব সাৰি॥

এই বুলি পদ গাই এটা এটাকৈ তলৰ সাস্তৰবোৰ ধৰি গ'ল। পণ্ডিত বাবুই উত্তৰ দিব নোৱাৰি সেকেতা-সেকেতি লগালে। ভাৱৰীয়াই লগে লগে উত্তৰো দি গল। এজন এজনকৈ মানুহ আহি ভাৱৰীয়াক আগুৰি ধৰিলে।

(১) মাজ সাগৰত মাৰিলোঁ খুটা
গাই দুহি গাখীৰ মিঠা। [উঃ মৌ]

(২) সুপণ্ডিত কথাৰ ভাৱ—
ছাগালে গিলে সাত শ নাৱ। [উঃ পাণ]

(৩) আইৰ ভায়েক মোৰ হয় মামা,
মোমাইৰ ভিনীহিয়েক মোৰ হয় কি ? [উঃ বাপেক]

(৪) ভকতজন সুধি চোৱা সম্বন্ধ লাগে কি ?
তোৰ বাপে বিয়াকৰাইছে মোৰ বাপাৰ জী।
[উঃ ভাগিনীয়েক]

(৫) সৰু সৰু পখীটোৱে লোৰ কাৰৈ খায়।
বৰ বৰ গাছে সৈতে যুজিবাক যায় ॥ [উঃ কুঠাৰ]

(৬) ৰজাৰ পুতেকে ভাত খায়।
চাৰি কুকুৰে আছে চাই ॥ [উঃ পীৰা]

(৭) কোন বেটিৰ হিয়া—
মাটিৰ তলত ছাৱা থৈ, ওপৰত দিছে থিয়া।
[উঃ মধুৰস আলু]

(৮) সিৰলা সিৰলি পাত, তাত নাখায় ভাত।
সুকয় মুখে যাব লাগে ছয় মাহৰ বাট ॥
(উঃ তামোল গছ)

(৯) গছ কাটিব গলোঁ মই কান্ধত কুঠাৰ লৈ।
গছো আছে মৰি' ফলো আছে ধৰি ॥
(উঃ কোমোৰা)

(১০) কি পখী পাৰে ৰাৱ কি পখী পাৰে ছাৱ ?
কি মাছৰ উল্টা কাটা, কি মাছৰ ওপৰত ডিমা ?
জুৰক জৰে পাৰে ৰাৱ, কাৰো ডিমা কাৰো ছাৱ।

(১১) ওলাইছে ফকিৰা শিংজুৰি লৈ।
ডাঙৰ হব ফকিৰা শিংজুৰি লৈ ॥
যেতিয়া হব ফকিৰা মৰিবৰ কাল।
তেতিয়া হব ফকিৰাক দেখিবাৰ ভাল ॥
(উঃ সূৰ্য্য, জোন)



(১২) লাউ লিটিকা, গুটি পিটিকা
নিকলি বাকাল নাই।
আজি খালি যে কালি পাবি
আৰটো পাবাৰ নাই ॥
(উঃ বৰযুণৰ শিল)

(১৩) ইফালে চাপ সিফালে চাপ।
মাজেদি যায় কাদুলা যাপ ॥ (উঃ মাকু)

(১৪) কাকো কোনেও নোবোলে কাকা।
সাতো ভায়েকৰ মুৰ পকা ॥

(১৫) পিঞ্জিৰাতে পানী নাই, ৰাজ হাঁহ কিমতে চৰে ?
পুখুৰীতে পানী নাই পদ্মনো কিমতে ফুলে ?
(উঃ দেহ)

(১৬) দিনো নাই, ৰাতিও নাই, নাহিকে অগনি পানী।
চান্দো নাই সূৰুযো নাই,—অন্ন সিজে লয় কুনি ?
(উঃ দেহ)

(১৭) আচনকৰ হুলা,
ঘৰপুৰা জঁইত পুৰি মৰিল—
বজাৰত বেচে মূলা ॥

(১৮) দেখিলি লাগে নেদেখিলি নাই।
আদখিনি মান পালাক যেথেন।
মল্লু মল্লু কল্লাক তেথেন ॥
গতে খিনি গেল যেথেন।
মিচিক কৰি হাঁহে তেথেন ॥ (উঃ আঙঠি)

(১৯) এইৰো হাতে তাইৰো গলে।
লাগি গল পেটক পেটে ॥
তপ্ তপকৈ বয় পানী।
ভিজি যায় মেখলা খানি ॥
(উঃ কাষত ভৰা কলহ অনা তিৰোতা)

(২০) ভক্তেনীৰ মূৰত কূটা।
বুকত আছে কিবা দুটা ॥
চেংৰা ছলি দেই হানি।
তপ্ তপ্কৈ পৰে পানী ॥ (উঃ তেলৰ পেৰা)

(২১) উল্টা দিনৰ উলটা কথা
তাপ্ লাত পিন্ধে থাক।
পিঠা গুৰিৰ হাল বায়,
চাব্ বাৰ বান্ধে লাক ॥

এইদৰে সকলোকে হুহুৰাই অৱশেষত পণ্ডিতক প্ৰণাম জনাই ভাৱৰীয়াই গুছি গ'ল।

## ১৯শ ৰহস্য

### ভাওনাত নিংনি ভাৱৰীয়া

নিংনি ভাৱৰীয়া বৰপেটা কীৰ্ত্তন ঘৰৰ যাত্ৰা গানৰ প্ৰধান ভাৱৰীয়া। কীৰ্ত্তন ঘৰৰ সংস্ৰৱতে তেওঁ এজন নামজ্বলা ভাৱৰীয়া হৈ উঠিছিল। তেওঁ নহলে যাত্ৰাগানত ৰগৰ নুঠে, মানুহো নজমে। ভাৱৰীয়া থাকিলে মানুহো নদীৰ ধাৰ বটে আৰু ভাৱৰীয়াক নেদেখিলেই মানুহৰ হেচা ঠেলাত বাৰে বাৰে হুহি



লাগি পৰে। ভাৱৰীয়াই ৰঙ্গমঞ্চত ওলালেই সকলো গণ্ডগোল মৰি নিজম পৰে আৰু মাজে মাজে হাঁহিৰ খলক লাগি পৰে।

ভাৱৰীয়াই যাত্ৰাৰ দলত যিহৰে ভাও লয় সেয়ে শুৱায়। তেওঁৰ পাঠটো থাকেই তদুপৰি কেতিয়াবা মানুহ কম পৰিলে তিৰীৰ পাঠেই হয়ক, মতাৰ পাঠেই হওক বা মন্ত্ৰীৰ পাঠেই হওক ভাৱৰীয়াই সেই অভাব পূৰণ কৰিবই। পাঠ মুখস্থৰ লগত তেওঁৰ কোনো সম্বন্ধ নাই—উপস্থিত ক্ষেত্ৰত মুখত যি আহে তাকে কৈ কাম শেষ কৰে।

কাতি মাহত বুঢ়াআতাৰ কীৰ্ত্তন। কীৰ্ত্তন উপলক্ষে কীৰ্ত্তন ঘৰৰ সম্মুখত যাত্ৰা ভাওনা। অসংখ্য যাত্ৰীৰ সমাগম হৈছে। ইপিনে যাত্ৰাৰ দলৰ ৰজাৰ পাঠ কৰা মানুহ জনৰ জ্বৰ হোৱা বাবে অনুপস্থিত থকাত সেই পাঠ কৰলৈ ভাৱৰীয়াৰ পাল পৰিল,—তেওঁ নকলে আনৰদ্বাৰা অসম্ভৱ।

ভাৱৰীয়াই ৰজাৰ পাঠ অনৰ্গল কৈ আছে—চাওতাই কোনো দোষ ধৰিব পৰা নাই। ৰাণীৰ কথাৰ উত্তৰত ৰজাৰ বক্তব্যও প্ৰত্যুৎপন্নমতিৰ দ্বাৰা সৰসৰিয়াকৈ কব লাগিছে। ৰজা-ৰাণীৰ এটা গুৰুত্বপূৰ্ণ দৃশ্যত দুয়োৰো ভীষণ বাক-বিতণ্ডা আৰম্ভ হৈছে। ভাৱৰীয়াৰ অলপ শাওপৰা অসুখ আছিল। কৈ থাকোঁতে ৰঙ্গমঞ্চতে হঠাৎ ৰজাৰ পেটৰ কামোৰণী উঠিল। শাওপৰা মানুহৰ পেট কামুৰিলেই শৌচ কৰিবলৈ যাবলৈ বাধ্য।

ভাৱৰীয়াৰ মহা বিপদ উপস্থিত হল। অসংখ্য লোকৰ মাজত এতিয়া কি উপায় কৰে? ভাবি-চিন্তি তৎক্ষণাৎ বুধি

এটা উলিয়ালে। ভাৱৰীয়াই পাঠ কোৱাৰ চলতে "ইমান মুখৰা তুমি বন্ধ কৰা মুখ" এই বুলি কৈ নিজৰ চোলাৰ জেপৰ পৰা ৰুমাল এখন উলিয়াই ৰাণীৰ মুখত বান্ধ এটি দি কলে—"থাক নিমাতী হৈ, চাও বাৰু কেনেকৈ কথা কৱ তই" এই বুলি কৈ আখ্‌ৰালৈ লৰ মাৰিলে। ৰাণী নিমাতী হৈ কেকাই কেকাই পৰি থাকিল। বাহিৰত গৈ শৌচ কৰি ভাৱৰীয়া আকৌ ঘূৰি আহিল। "নকৰা বেজাৰ ৰাণী! নাই তব দোষ, বুজিলোঁ সকলো মই" - এই বুলি ৰাণীক সান্ত্বনা দি পুনৰ আচল কথা-বতৰা আৰম্ভ কৰিলে।

উপস্থিত দৰ্শকে ঘটনা সঁচা বুলিয়ে ভাবিলে, কিন্তু দলৰ মানুহে ভাৱৰীয়াৰ কাৰ্য্য দেখি আচৰিত হ'ল। পাচত সম্পূৰ্ণ কথা জানিব পাৰি সকলোৱে ভাৱৰীয়াক অশেষ ধন্যবাদ দিলে।

## ২০শ ৰহস্য

### নামফটাৰ বিয়াৰ যৌতুকত নিংনি ভাৱৰীয়া

নামফটা বৰপেটা টাউনৰে এজন নামজ্বলা ধনী মানুহ। বয়স অনুমান ৫০ বছৰ হলেও হিতহিতীয়া হৈ আছে। এলাউলা ডেকাই কামত ফেৰ মৰা টান। তেওঁৰ আচল নামটো তলপৰি "নামফটা" নামটো বিখ্যাত হৈ পৰাৰ কাৰণ আছে। মানুহজন বুঢ়া কালতে লটং পতং স্বভাৱৰ আছিল। এতিয়াও সুবিধা পালে



সি টকা পইছা ভৰিও এজনী যুৱতী বিয়া কৰাবৰ মন কৰে আৰু কাৰো কাৰো আগত সেই কথা প্ৰকাশ কৰি কয়। নিংনি ভাৱৰীয়াৰ কাণতো নামফটাৰ কথা নপৰাকৈ নাথাকিল। এদিন নিংনি ভাৱৰীয়াই কোনো সকামৰ চল কৰি নামফটাৰ ঘৰ পালেগৈ। ভাৱৰীয়াই নানা ঘৰুৱা মেল পাতি অৱশেষত তাৰ দুখ-কষ্টৰ কথা উলিয়ালে। "ভাই! তই মহা সুখী আছিলি,কিন্তু এই অভাৱৰ কাৰণে তোৰ ধন-সম্পত্তিৰ কোনো ফল ধৰা নাই। তই যিহকে নকব কিয় গৃহস্থৰ মূল হৈছে তিৰী। তিৰীয়েহে গিৰি, তিৰী নহলে যায় হতশিৰি। মই বাজেগাওঁৰ এজনী বৰ ভাল ছোৱালী দিম, তই জানো মোৰ প্ৰস্তাৱত সম্মত হবি?"

নামফটাৰ হৰিষত ঠাঁই নাই; এনেই বুঢ়ী নাচনী তাতে আকৌ নাতিয়েকৰ বিয়া। সি ভাৱৰীয়াক সৰগতে তুলিব নে পাতালতে থব! ইমানদিন যিহকে বিচাৰি বিচাৰি হয়ৰাণ হৈছিল তাকে হাতাহাতি পাই হৰিষত নাচি উঠিল। ভাৱৰীয়াই তাৰ মনৰ আবেগৰ জুঁই আকৌ জ্বলাই দিলে। নামফটাই ভাৱৰীয়াকে ঘটক পাতিলে আৰু খৰচ-পাতিৰ টকা পইছা যি লাগে দিবলৈ বিনা ওজৰে স্বীকাৰ কৰিলে। সম্প্ৰতি কি দিব লাগে নালাগে সুধি পুচি চাবলৈ সময় লৈ সেই দিনলৈ ভাৱৰীয়াই বিদায় লৈ আহিল।

এইপিনে বাজেগাওঁৰ এঘৰলৈ আহি ভাৱৰীয়াই গাওঁৰ সকলো লৰা বুঢ়া-যুবাকে গোট খুৱালে। ভাৱৰীয়া অহাৰ খবৰ পাই তাৰ ৰহস্য শুনিবলৈ গাওঁৰ সকলোৱে লৰি আহিল। তেতিয়া ভাৱৰীয়াই সকলোৰে আগত এটা বুধি শিকাই দিলে।

"ভাইহঁত। নামফটাক ছোৱালী লগা কথা সকলোৱে জানা। আমি তাৰ লগত এটা বিয়াৰ ৰহস্য কৰি পাৰোঁ যদি কিবা আদায় কৰি সকলোৱে মিলি-জুলি এটা খানাকে উলিয়াও।" ভাৱৰীয়াৰ কথাত সকলোৱে সন্মত হ'ল কাৰণ এনেই ভাৱৰীয়াৰ ৰহস্য চাবলৈ সকলোৱে উদ্গ্ৰীব, তদুপৰি নামফটা কেনে তিৰী-বলিয়া তাক সকলে জানে।

ভাৱৰীয়াই বুধি পাঙিলে যে—নোমল নামে এজন ১৪।১৫ বছৰীয়া সেই গাওঁৰে যাত্ৰাৰ দলত নাচনীৰ ভাও লোৱা ধুনীয়া লৰা আছে। তাকে ছোৱালী সাজি নামফটাৰ লগত বিয়া দিব।

এইফালে সকলো বন্দৱস্ত থিক থাক কৰি ভাৱৰীয়াই নামফটাৰ ঘৰলৈ গ'ল। নামফটাৰ সেইদিনৰ পৰা চকুত টোপনি নোহোৱা হৈছিল। ভাৱৰীয়া যোৱা দেখি নামফটাৰ হৰিষত ঠাই নোহোৱা হ'ল,সি ভাৱৰীয়াক আথে-বেথে বহিবলৈ দিলে। ভাৱৰীয়াইও বহিয়ে ৰহন লগাই ছোৱালীৰ ৰূপ-গুণৰ বৰ্ণনা কৰিবলৈ ধৰিলে। নামফটাই একেবাৰে বিয়া পাগল হৈ উঠিছিল। "ছোৱালী নিশ্চয় বন্দৱস্ত হব ; কিন্তু ১০০ টকা আগধন লব" এইবুলি কলত নামফটাই হৰিষ মনে টকা শ আনি ভাৱৰীয়াৰ হাতত দি দিলে। ভাৱৰীয়াই ছোৱালী পছন্দ হয় নে নহয় চাবলৈ মাতিলে কিন্তু নামফটা ইমান অস্থিৰ হৈ পৰিছিল যে, তাক এজনী হলেই হ'ল ; ভাল বেয়াৰ লগত বৰ বেচি সম্বন্ধ নাই। সেই দেখি সি ভাৱৰীয়াক এই বুলি কলে —ভাই ! মই কি চাম ! তোৰ ভালেই মোৰ ভাল, মই আৰু কি চাব লাগিছে ? তুমিয়ে দিন-বাৰ চাই বিয়াৰ তাৰিখ কৰিবা'।



দিন বাৰ স্থিৰ হ'ল। তেলৰ ভাৰৰ দিনা নোমলক নামফটাই দিয়া ৰিহা-মেখেলা আৰু গহনা পিন্ধাই সাজি কাছি আগলৈ আনি তাক কন্যা দেখুৱালে। নামফটাই ইমান ধুনীয়া ছোৱালী হব বুলি আশাই কৰা নাছিল। সি ভাৱৰীয়াক অশেষ ধন্যবাদ দিলে। তাৰ মনত মহা স্ফূৰ্ত্তি লাগিল, সি নতুন ঘৈণীৰ ৰূপ কল্পনা কৰি কৰি সপোনৰ ৰাজ্যত উটি বুৰি থাকিল।

ভাৱৰীয়াই নোমলক ১০ টকা বক্‌চিচ্ দি কন্যা হবলৈ সন্মত কৰিছিল। নোমলক সজাই পৰাই তুলিলে অবিকল ছোৱালী যেন দেখি।

নিৰ্দ্দিষ্ট দিনা মহা পয়োভৰে বিয়াৰ ধুমধাম আৰম্ভ হ'ল। হাটীৰ তিৰী, ছলি সকলে কত আনন্দ উৎসৱ কৰি নামফটাৰ বিয়া খালে। ৰাতি মহা সমাৰোহে নামফটাক বৰ সাজি কন্যা ঘৰলৈ নিয়া হ'ল। যথানিয়মে বামুণে মন্ত্ৰ গাই, হোম পুৰি বিয়াৰ কাৰ্য্য কৰিবলৈ ধৰিলে।

ইফালে ঘৰত কন্যা উলিয়াবলৈ সজাই পৰাই উলিয়ালে। কন্যাৰ যৌটুক হ'ল নিংনি ভাৱৰীয়াই নিজে। সে মেখেলা পিন্ধি, বুঢ়ী এগৰাকী সাজি, মূৰত কাপোৰ লৈ কন্যাক ধৰি উলিয়াই আনিলে। বিয়াৰ থলিত চায়নাৰ তলত কন্যাই যেতিয়া যেনে যি কৰিব লাগে শিকাই দি থাকিল। ভাৱৰীয়াই নিজৰ মাত বদ্‌লাই তিৰোতাৰ দৰে মাত উলিয়াই দুই চাৰি আষাৰ কথা কৈছিল। ঘটনাৰ লগত লগ থকা মানুহৰ বাদে বৰ পক্ষৰ কোনো মানুহৰে ভাৱৰীয়াক চিনিবলৈ সাধ্য নহল।

বৰ-কন্যাক লঘোন-গাঠি লগাই দিয়া হ'ল। পাশা খেলি-বলৈ দৰা-কন্যাক ঘৰৰ ভিতৰলৈ নিয়া হ'ল। কন্যাক যৌটুকে ধৰি আগে আগে নিলে আৰু বৰ নামফটা পাচে পাচে গ'ল। ভিতৰলৈ নি পাশা খেলিবৰ সময়তো পিঠা গুৰিৰে মণ্ডল সাজি, চাউল ছটিয়াই, আঙঠি লুকুৱাই কত হৰ্ষধ্বনী, উলুধ্বনী কৰি যেন ধেমালিৰ হাট মেলি দিলে। পাশা খেল অন্ত হলত বৰ কন্যাক বাহিৰলৈ অনা হ'ল। চায়নাৰ তলত সকলোৱে আগ্ৰহেৰে বাট চাই আছে,—বিয়াৰ কইনা চাম বুলি। সকলোৱে একে সুৰে কবলৈ ধৰিলে 'কইনা দেখুৱাব লাগে'। বিয়াৰ কইনা চাবলৈ সকলোৱে বৰকো তেওঁলোকৰ মাজলৈ মাতিলে। যৌটুকে কন্যা দেখুৱাব এনেতে কন্যাপক্ষৰ এজন যুবকে গৈ যৌটুকৰ মূৰৰ কাপোৰখন গোটেই গুচাই দি মেখেলা খন খহাই দিলত আচল নিংনি ভাৰৰীয়া ওলাই পৰিল। এনেতে কন্যাইয়ো তাৰ পিন্ধা কাপোৰজোৰ খহাই সি খিল্ খিল্কৈ হাঁহি মানুহৰ মাজলৈ লৰ মাৰিলে। নামফটা থিতাতে শিল পৰা কুপটি যেন হৈ অধোমুখ হ'ল। চায়নাৰ তলতে বৰ-কন্যা দুয়ো পক্ষৰ মানুহৰ হুৰা হুৰি আৰকাল লাগি পৰিল। অৱশেষত আগতে যো যা হৈ থকা—নামফটাৰ ১০০ টকা খৰচ কৰি পুৰা বিয়াৰ খানা খাই সকলে দিহা দিহি গুচি গ'ল।

———

# ২১ ৰহস্য

## বুঢ়াআতৈৰ দশা

ভাৰৰীয়া বৰপেটা সত্ৰৰ বুঢ়া আতৈৰ বৰ লগৰীয়া। বুঢ়া আতৈয়ে সদায় ভাৰৰীয়াৰ ঘৰলৈ গৈ কথা-বতৰা পাতি থাকে। ভাৰৰীয়া ঘৰত থাকিলে এবাৰ নহয় এবাৰ যাবই। এইদৰে সদায় বুঢ়া আতৈয়ে ভাৰৰীয়াৰ ঘৰলৈ যোৱা দেখি কেইজনমান ছলিৰ চকুত পৰিল। এদিন ৰং চোৰাৰ চলতে সেই ছলি কেইটাই বাটতে বুঢ়া আতৈক লগ পাই ভয় খুৱাবৰ মনেৰে এজনে কলে,– "ও আতৈ। কলৈ যায় ?" ভাৰৰীয়াৰ তালৈ ? যাওক বাৰু আজি ভাৰৰীয়াই ভাল সেকা দিব।" বুঢ়া আতৈয়ে কলে—"কিয় বোপা। কিয় ?" 'কিয়হেনে ? যাওকচোন যাওক'। বুঢ়াআতৈয়ে যদিও ডেকাৰ কথাক কেৰেপ নকৰিলে তথাপি মনতে অলপ সন্দেহ লৈ আহিছিল। ইমান দিনে কোনেও একো নকয় আজি ইহঁতে এইদৰে কয় কিয় ?

বুঢ়াআতৈয়ে হাতত লাখুটি এডাল লৈ তলমুৱাকৈ গৈ ভাৰৰীয়াৰ পদূলি মুখ পালে—এনেতে নিংনি ভাৰৰীয়াই দেখা পাই চোতালখন বৰ অপৰিষ্কাৰ হৈ থকা বাবে জীয়েকক মাত দি কলে, - "ও আই। আই ঔ।" বুঢ়া আতৈ আহিছে—বাঢ়নীতাৰ লৈ আহচোন"। বুঢ়া আতৈৰ চুলিৰ আগেদি জীউ যোৱা যেন হ'ল। ভাবিলে যে সৰ্ব্বনাশ ! ডেকা কেইজনৰ কথা সঁচা। বুঢ়া আতৈয়ে উলটি লৰ দিলে। ইপিনে

ভাৰৰীয়াই জীয়েকৰ হাতৰ পৰা ঠাইডোখৰ সাৰিবৰ বাবে বাঢ়নীতাৰ হাতত লৈ দেখে যে বুঢ়া আতৈয়ে উলটি লৰ দিছে। ভাৰৰীয়াই বাঢ়নীতাৰ হাতত লৈয়ে—"ও আতৈ! ও আতৈ!" বুলি চিঞৰি চিঞৰি আগুৱাই গৈ মাতিবলৈ ধৰিলে। কিন্তু



আতৈয়ে পিচে পিচে খেদা বুলি ভাবি থৰ্-কাচুতি এৰি লৰ্ হে লৰ। কিছুদূৰ গৈ ভাৰৰীয়া উলটিল। বাটত লগ পোৱা ডেকা কেইজনে দূৰৰ পৰা ঘটনা দেখি নাচি নাচি হাঁহিবলৈ ধৰিলে। আতৈয়ে উধাতু খাই লৰি যোৱা দেখি হাততালি দি লাজ দিবলৈ ধৰিলে। লাজে ভয়ে তেওঁ গৈ কোনোমতে আতৈৰ বাঁহা পালে। সেই দিনৰ পৰা বুঢ়া আতৈয়ে ভাৰৰীয়াৰ ঘৰলৈ নাযায়।



[ ২ ]

সেই লৰা কেইজনৰ মুখত বুঢ়া আতৈয়ে পলোৱাৰ কাৰণ জানিব পাৰি ভাৰৰীয়াৰ হাঁহি উঠিল। কেবাদিনো অতিবাহিত হ'ল কিন্তু আতৈ ভাৰৰীয়াৰ তালৈ আৰু নাহে দেখি আতৈৰ লগত ৰহস্য কৰিব নাপাই ভাৰৰীয়াৰ মনত শান্তি নোহোৱা হ'ল। যোগীৰ পামত সেই সময়ত বৰপেটীয়া মানুহৰ পাম আছিল। যোগীৰপাম হাউলী আৰু বৰপেটাৰ মাজভাগতে পল্লা নদীৰ পাৰত। ইয়াতেই "মনোমতীৰ" হলধৰ বৰুৱাৰ জমিদাৰী আছিল। যোগীৰ পামত ভাৰৰীয়াইও পাম ধৰিছিল। কেইদিন-মান তাত থাকি তেওঁ ঘৰলৈ ফিৰিল আৰু নিশাটো কটাই ৰাতিপুৱা উঠিয়ে আতৈৰ বাহালৈ গ'ল। হঠাৎ ইমান পুৱাতে কেবাদিনৰ মূৰত ভাৰৰীয়াক দেখা পাই আতৈয়ে সুধিলে 'হোহ্! ভাৰৰীয়া দেখোন, কেনে আছা, হুৱাইছা দেখোন।' "এঃ কি কব আতৈ! যেনে দেখিছে তেনে হলোঁ।" "কেনেনো হলা বাৰু?" "কেনেনো হম আতৈ? হুৰে হুৰে খেৰৰ পূজি হেন হলোঁ।" "হুৱালে জানো খেৰৰ পূজিহেন হয়?" "এঃ কি কয় আতৈ—মই হৈছোঁ আজি-কালি কৃষক। বোলে—

সুলোক কিৰিষণা।
সুজল বৰিষণা॥
সুনাৰী খেদেলী।
সুফল কদলী॥

পিচে বৰ ঠাণ্ডা লাগিছে, পহিলতে এচিলিম ধপাতকে হুপো দিয়ক”। আতৈয়ে কলে—কেউলাৰ ঘৰত নো ধপাত কত পাবা হে? ‘এঃ আতৈ ভাল কৈছে আপুনি।’

বোলে, স্বৰ্গত আছিল পুষ্প পাৰিজাত।
মৰ্ত্ত্যত আহি হ’ল মলা ধপাত॥
অগ্নিৰূপে ব্ৰহ্মা আছে চাই।
নৰৰূপ ধৰি তাহাক পিয়ায়॥
চিলিমৰূপে শ্ৰীহৰি হলা মহেশ্বৰ।
জলৰূপে নাৰায়ণ তাহাৰ ভিতৰ॥
সাধু সকলে লগ পাই।
লালীৰ লগত মলি খাই॥
ইহ জনমত যোনে হোকা নিন্দা কৰে।
মৰাৰ শেহত শৃগালৰূপে হোৱা হোৱা কৰে॥
আৰু শুনক--শাল্য ৰক্তম্ ধপ্ ধপায়কং।
খুন্দন্তি বটিকা কৃতা।
কল্কি মধ্যে প্ৰবেশিতং॥
অগ্নি অঙ্গাৰংস্থাপিতং।
হুপয়েৎ ধুম নিৰ্গতম্॥
তুড়ুৎ ৰং শব্দ কৰোতি কল্যানং।
ইতি জন্ম সাৰ্থকং॥

আতৈ—হয়নে বাৰু? ভালেই—তুমি ইমান সংস্কৃত জনা-হলা কেতিয়াৰ পৰা? তুমি ঘৰত এইদৰে খাই থাকিবা বাৰু। পিচে সেইদিনা তুমি মোক তেনে অপদস্ত কিয় কৰিলা?

ভাৱৰীয়া—এঃ কি কব আতৈ? দিনকাল আৰু কিবাহে হ’ল।



উল্টা দিনৰ উল্টা কথা তাপলাত পিন্ধে খাৰু।
পিঠা গুৰিৰ হাল বায় চাব,ৰাব বান্ধে লাৰু॥
হাজেইলীৰ ফটা,
সৰ্থেবাৰীয়া লতা।
শোৱালকুছীয়া তাঁতি.
নলবেৰীয়া জাপি।
কনৰীয়াৰ নাৱঁৰ খুচ,
চেঙ্গেলীয়াৰ মোচ্।
কাশীত বাস,
বিহাৰৰ ৰাস।
আসামৰ হোলি,
বৰপেটীয়া ছলি।

সেই পিটিকাত দি খাব পৰা ছলি কেইটাই ভয় খুৱাইহে আপোনাক এনে দুৰৱস্থাত পেলাইছিল। মই আপোনাৰ শপথ খাইছোঁ! আতৈ মই কেতিয়াও আপোনাক তেনে মত্লব কৰিবলৈ খুজা নাছিলেঁা, কিবা বেয়া পাইছে যদি মাফ কৰিব।

আতৈ—মোৰে শপথ খাইছা যেতিয়া মাফ তো দিবই লাগিব। বাৰু এতিয়া তোমাৰ ঘৰৰ খবৰ কোৱা।

ভাৱৰীয়া—আমি সংসাৰী মানুহ, আমাৰ ঘৰৰ খবৰ নো কি শুনিব? বুঢ়া-বুঢ়ী সকলে সেয়েহে কয় বোলে—

তিৰীয়ে গিৰি, তিৰী নহলে যায় হতশিৰি।

‘মোৰ অৱস্থাও সেয়ে হৈছে আতৈ। অভাৱৰ কাৰণে সংসাৰ নচলা দেখি যোগীৰ পামত গৈ পাম খুলিলেঁা। তিৰী ছলি কেইটা এৰি গৈ নিজে ৰান্ধি বাঢ়ি খাই থাকি এই কেই দিনতে

হাৰাশাস্তি হলোঁ, সেই বাবেই মই হুৰাইছোঁ আতৈ! আপোনা-লোকেনো কেনেকৈ এইবোৰ সংসাৰ এৰি কেবল ৰাম ৰাম হৰি হৰি কৈ অতকাল কটাইছে ?

আতৈ—তেনেহলে তুমি ঈশ্বৰক নামানা হলা নেকি ?

ভাৱৰীয়া - হেইয়া ! আপুনি বুজিলেই দেখোন।

আতৈ ! ইপিনে ঘৰ-দুৱাৰ, সা-সম্পত্তি, তিৰী-ছলি ত্যাগ কৰি এইদৰে দেখাত ৰাম ৰাম কৰি থাকি সেইফালে জগতৰ আটাইসোপাই আপোনালোকৰ পেটত সুমুৱাইও নাটে। মই হলে আতৈ সেই কাৰণে ভকতি-ফকতি এৰি পেলাইছোঁ !

ব্ৰহ্মাক মাৰিবা, বিষ্ণুক মাৰিবা হৰক নেদিবা ঠাই।
মহা মহা মহন্তক একে কোবে মাৰিবা, তেহে ভকতিক পাই ॥
মাতৃক বধিবা, সুবৰ্ণ হৰিবা অতিথিক নেদিবা ঠাই ॥
মহা মহা মহন্তক একে কোবে মাৰিবা তেন্তে ভকতিক পাই ॥

আতৈ—অলপ ভয় খোৱা যেন দেখুৱাই—ও বুজিলোঁ, সেইবাবেইহে তুমি মোক সেইদিনা বাঢ়নী লৈ খেদিছিলা ?

ভাৱৰীয়া—উঃ ৰাম ৰাম। আপুনি তেনেকৈ কেতিয়াও নাভাবিব। আপুনি মোৰ পৰম বন্ধু মানুহ। আপোনাক মই তেনে কৰিম নে ?

আতৈ—বাৰু নাভাবো দে। পিচে এতিয়া বহুত বেলা হ'ল দেখোন। চাৰিটা চাউল সিজোৱা ইয়াতেই লবা—মই যোগাৰ কৰোঁগৈ।

ভাৱৰীয়া—ওআজিৰ সন্ধ্যা ইয়াতে হলে তো পৰম সৌভাগ্যৰ কথাই আছিল। পিছে মোৰ হলে আতৈ একো বাচ নাই।



কথাতে কয় বোলে,—

শাল শিঙি সুৱাৰ,
ই তিনি ভক্তিৰ দুৱাৰ।
যি নাখায় কুকুৰাৰ ডিমা,
সি নাপায় ভক্তিৰ সীমা।

মই হৈছো সৰ্ব্ব ভক্ষক। মই ঘৰত আজি কেবা দিনৰ মূৰত অহা দেখি ঘৈণীয়ে বহুত যো-জা কৰিছে। আপুনিনো অধমৰ কাৰণে কষ্ট কৰিব লাগিছে কিয়? মোৰ চাউল সিজাওতে আপোনাৰ গাৰ নোম যি কেউডাল পুৰিব মই সিমান নৰকগামী হম। নালাগে বাৰু। আপোনাৰো চাউল সিজোৱাত পলম হয় - এতিয়া বিদায় হে। কোনো-বেজাৰ নাপায় যেন।

এই বুলি বিদায় লৈ ভাৱৰীয়া আঁতৰিল। বুঢ়া আতৈয়েও বিদায় দি এই যাত্ৰাৰ বাবে ৰক্ষা পৰা যেন পালে।

## ২২শ ৰহস্য

### ৰায় চাহাবৰ বিলাই

ৰায় চাহাব নিংনি ভাৱৰীয়াৰ আত্মীয় লোক। নিংনি ভাৱৰীয়াৰ লগত ৰায় চাহাবৰ আন্তৰিক মিল নোহোৱাৰ কাৰণে ঘৰলৈ অহা-যোৱা খুব কম হৈছিল। ৰায় চাহাবে বেয়া

পোৱাৰ কাৰণ হৈছে—ভলভলীয়া নিংনি ভাৱৰীয়াই ৰায়-চাহাবৰ বহুত গুপ্ত ৰহস্য কথাৰ চলতে নতুন হাকিমৰ আগত ভাঙি কয়। তদুপৰি তাৰ অৱস্থাৰ লগতো খাপ নাখায়।

ৰায়চাহাবে সাধাৰণ অৱস্থাৰ পৰা গৱৰ্ণমেণ্টৰ তেল পিহি পিহি ইমানলৈ উধাইছে। এতিয়া পাৰিলে হাকিমৰ লগত ভাল হৈ থাকি ৰায় বাহাদুৰ হবৰ আশা কৰিছে। সেইকাৰণে প্ৰায় সদায় হাকিমৰ বাহালৈ এবাৰ আহিবই।

ভাৱৰীয়াৰ ভতিজাকে মোকৰ্দ্দমাত পৰাৰ সময়ত ৰায়-চাহাবৰ পৰামৰ্শ লবলৈ মন কৰি তেওঁৰ ঘৰলৈ গ'ল। কিন্তু ৰায়-চাহাব ঘৰৰ ভিতৰত থকা দেখি চাকৰক ভাৱৰীয়াই তেওঁৰ নাম কৈ পঠালে। পিচত উত্তৰ আহিল—ৰায়চাহাবে এতিয়া কাৰো লগত দেখা নকৰে, আধ ঘণ্টা পাচত আহিব কগৈ।"

ৰায়চাহাবৰ এনেকুৱা ভাব গতি দেখি ভাৱৰীয়াই আচৰিত হ'ল আৰু মনতে কিবা কিবি ভাবি-চিন্তি তাৰ পৰা আঁতৰিল।

কিছুদিন পাৰহৈ গ'ল। সাপে নেজত কোবোৱা দুখ নাপা-হৰাৰ দৰে ভাৱৰীয়াই ৰায়চাহাবৰ সেই কথা নাপাহৰিলে।

এদিন আগৰ নিয়মে ৰায়চাহাবে হাতত লাখুটি এডাল লৈ মূৰত টুপী আৰু দীঘলীয়া পেণ্ট পিন্ধি দীঘলকৈ খোজ দি হাকিমৰ চবালৈ আগমন কৰিলে। কিন্তু সেইদিনা ভাগ্যক্ৰমে অলপ আগতে হাকিমে কিবা জৰুৰি সকামত ভাৱৰীয়াক ঘৰ-ৰখীয়া পাতি মফচললৈ ওলাই গৈছিল। দূৰৰ পৰাই ভাৱৰীয়াই ৰায়চাহাবক চিনি পাই এয়ে প্ৰতিশোধৰ সোণালী সুযোগ মিলিল বুলি ভাবি ললে। তেওঁ ততাতৈয়াকৈ তাৰ মেম-



চাহাবে দিয়া চাহাবৰ পোচাকজোৰ পিন্ধি ললে। চকুত দিব্ চকু, মূৰত টুপী পিন্ধি অবিকল হাকিম হৈ পৰিল। খিৰিকীৰ মুখত হাকিমৰ অফিচ ৰুমত থাকি তলমুৱা হৈ মুখখন ভালদৰে নেদে-খাকৈ কিবা লিখি থকাৰ ভাও ধৰিলে। সিফালে চকিদাৰ জনক সি কৈ থলে যে "তই ইয়ালৈ কাকো মোক নোসোধাকৈ আহিব নিদিবি"। চকিদাৰেও ভাৱৰীয়াৰ কথা বাধ্য হৈ শুনিব লাগে—কাৰণ তেওঁ বিৰূপহৈ হাকিমক লগালে তাৰ নিস্তাৰ নাই।

ৰায়চাহাবে দূৰৈৰ পৰা খিৰিকীয়েদি নকল হাকিমক দেখি ঘৰতে থকা বুলি ভাবি গপ্ গপাই আহি পদূলিমুখ পোৱা মাত্ৰে চকিদাৰে পদূলিৰ কাঠৰ দুৱাৰৰ শলখাডাল মাৰি দি কলে—"ৰায়চাহাব! ৰব, এতিয়া প্ৰবেশ নিষেধ। মই অনুমতি লৈ আহোঁ, আপুনি অলপ থিয় দিয়ক"। ৰায়চাহাবে বাধ্য হৈ বাট চাই থাকিল। ইতিমধ্যে ভাৱৰীয়াই হাকিমৰ সন্মুখৰ খিৰিকীখনো হাত মেলি বন্ধ কৰি দিলত বাহিৰৰপৰা কাকো নেদেখা হ'ল। ইপিনে ৰায়চাহাবে হলে হাকিমে ঘৰত থকা বুলি ভাবি লৈছে। চকিদাৰে গৈ ৰায়চাহাব আহি বাট চাই থকা বুলি ভাৱৰীয়াক কলেগৈ। ভাৱৰীয়াই চকিদাৰক এই বুলি কবলৈ শিকাই দিলে যে হাকিমে এতিয়া দেখা নকৰে আৰু আধঘণ্টা 'সময় পাচতহে দেখা কৰিব পাৰিব। চকিদাৰে সেইমতে ৰায়চাহাবক কোৱাত ৰায়চাহাবে গৰ্ব্বত ওফন্দি পৰিল। আগেয়ে হাকিমে ৰায়চাহাব অহা দেখিলে কত আদৰ সাদৰকৈ মাতি নি বহুৱাইছিল কিন্তু আজি এনে বিপৰীত ব্যৱহাৰ কিয় কৰিলে ভাৱিচিন্তি ৰঙা-চিঙা পৰিল। বহুত চিন্তা

ভাবনাৰ পাচত স্থিৰ কৰিলে যে—নিশ্চয় নিংনি ভাৱৰীয়াই মোৰ বিৰুদ্ধে কিবা লগাই হাকিমক মোৰ বিৰূপ কৰিছে— নহলে অইন কোনো কাৰণ নাই। সি যিকি নহওক ভাটিবেলা আকৌ আহি হাকিমক খোলা খুলি ভাবে সকলো কথা সুধিম। এইবুলি মনতে পাঙি পাচত আহিম বুলি চকিদাৰক কৈ ঘৰলৈ উলটিল।

ইতিমধ্যে মফচলৰ পৰা ছুটাবজাত ঘুৰি আহি হাকিমে খাই বৈ উঠি শুই পৰিল। ভাৱৰীয়াইও ৰায়চাহাবে পুনৰ কেতিয়া আহিব তাৰ অপেক্ষা কৰিলে। ভাটিবেলা প্ৰায় ৪টা মান বজাত ৰায়চাহাবে আকৌ হাকিমৰ বঙলাৰ ফালে খোজ ললে। ইতিমধ্যে নিংনি ভাৱৰীয়াই এটি খেৰৰ মানুহ আকাৰৰ চৌ সাজি হাকিম বহা মজিয়াত বহুৱাই তাৰ পোচাকজোৰ পিন্ধাই থৈ দিলে। চৌৰ মূৰত টুপী, চকুত চচ্‌মা। হঠাৎ দেখিলে, কাচ খুওৱা খিৰিকীয়েদি হাকিমে লিখা কাম কৰি বহি থকা যেন দেখি। সেইদৰে খেৰৰ ভুতাটো সজাই থৈ ভাৱৰীয়াই টেবিলৰ তলতে ওপৰত পৰা কাপোৰৰ আঁৰত লুকাই থাকিল। ৰায়চাহাব আহি নৌপাওতেই হাকিমৰ মাতেৰে "ও ৰায়চাহাব! আহিছে, আহক, আহক," বুলি মাত লগালে।

ৰায়চাহাবে সুধিম বুলি আলচি থোৱা কথাবিলাক ভাবি ভাবি আহি আছিল। হাকিমৰ মাত শুনি বাহিৰৰ পৰাই যোৰহাতে নমস্কাৰ জনালে আৰু পিচ ফালেদি হাকিমৰ ৰুমৰ ভিতৰলৈ সোমাই আহিল। দুৱাৰদলিত এটি খোজ পেলায়ে তলমুৰা গুচি ওপৰমুৰা হলত দেখে যে হাকিম নহয়, মাইচাত





কিবা এটিয়ে মূৰত টুপী আৰু চকুত চচ্মা লগাই হাকিমৰ পোচাক পিন্ধি আছে। ইপিনে ভাৱৰীয়াই টেবিলৰ তলত বেঙৰ মাত্মাতি 'টৰত টৰতা' কৰি আছে আৰু হাকিমৰ মাতৰ সুৰত লাহেকৈ কয়—ৰায়চাহাব! ব-হ-ক, ৰায়চাহাব! ব-হ-ক এই বুলি। ৰায়চাহাবে হাকিম নাই অথচ হাকিমৰ মাত শুনি চমক খালে, অলপমান আগবাঢ়ি আহি টেবিলৰ তলতনো কিহে মাতে তাকে চাবলৈ সন্দেহৰ হাতেৰে টেবিলৰ ওপৰৰ পৰা কাপোৰখন লাহেকৈ দাঙি দিলত হিঃ হিঃ হিঃ কৈ বিকট হাঁহি মাৰি ভাৱৰীয়াই ওলাই আহি কবলৈ ধৰিলে ঃ—

চুণ নহ তামুল,
বিষয় নহ আমূল।
ডিমা নাপ্ৰা হাঁহ,
ভমাপৰা মাহ।
নেতা নেদা শাহু,
বিধা নেদা আহু।
মৰে নদীৰ কূলৰ গাছ,
মৰে অলপ পানীৰ মাছ।

সিপিনে হাকিমে ভাৱৰীয়াৰ ৰহস্যবিলাক টোপনিৰ পৰা সাৰ পাই উঠি মনে মনে চাই আছিল। তেওঁ বিছনাৰ পৰা উঠি হাঁহি হাঁহি আহি ৰায়চাহাবক হাতত ধৰি বহিবলৈ দিলে। হাকিমৰ আগতে এইদৰে ঠগ খালত ৰায়চাহাবে বৰ লাজ পালে আৰু আগৰ কম বুলি ভাবি অহা মনৰ আবেগবোৰ মনতে জিম পৰি গ'ল।

## ২৩শ ৰহস্য

### বঙালী কবিৰ লগত ফেৰ

সেই সময়ত গোৱালপাৰাত বহুত বৰপেটীয়া মানুহ আছিল। গোৱালপাৰালৈ কেইজনমান বঙালীকবিগোৱা মানুহ আহিছিল। সিহঁতৰ লগত এজনী তিৰোতাও আছিল। তাকে দেখি বৰপেটীয়া মানুহবোৰে নিংনি ভাৱৰীয়াৰ লগত সিহঁতক লগাই দিবৰ মন কৰি নিংনি ভাৱৰীয়াক খবৰ দি লৈ গ'ল।

নিংনি ভাৱৰীয়া গৈ সিহঁতৰ সম্মুখত উপস্থিত হলত সেই কবি কেইজনৰ ভিতৰত বৰমূৰীয়াজনে দেখিয়ে মাত লগালে—

ও আসামেৰ ভায়া! গাল চেপতা, চুল উঠা, দন্ত নায়া।
কিবা তোমাৰ নাম, দেহ তোমাৰ পৰিচয় কোথায় তোমাৰ ধাম॥

বঙালী কবিজন তাপামূৰ আছিল। তাক দেখি ঘপৰাই উত্তৰ দিলে

নিংনি ঃ-ও বাংলাৰ মূৰা! চৌদ্দ পিৰি গেল তুহাৰ গোটেই তাপামূৰা॥
মূৰৰ ওপৰত বাস মোৰ গু সকল লোকে খাস্।
সাৱধান হও, সেই আমাৰ নাম জানি বুজি লও॥
বঃ কবি ঃ দেখ্‌লাম তুমি চালাক বৰ নহে কবি কম।
ভেবে গুণে কথা বল আমি এসেছি যম॥
নিংনি ঃ—দেখ্‌লাম আমি ভাবিয়া গুণিয়া কত শক্তি ধৰ।
যমেৰ বাপ আমি নিংনি, কি ফুটানি কৰ?
বঃ কবি ঃ—ফুটানিতে বেগুন ভাজ কাজেৰ বেলায় নয়।
আসামেৰ ভূত তোৰা দেখাও কিসেৰ ভয়?

নিংনি ঃ—আৰে বঙালী ! জানা আছে কত বুদ্ধি তোৰ ।
ভূতেৰ হাতে এখন পৰ্‌ছ মৰণ চাপ্‌ছে ঘোৰ ॥
বঙালী যত কাঙাল সেজে এসেছে দুৱাৰে ।
বাচিবাৰে যদি খোজ, পিতা বোল মোৰে ॥
এনেতে মাইকী জনীয়ে মাত লগালে, –
আসামেৰ সৰকাৰ তুমি আসামে থাক চাই ।
বাপেৰ গোসানী এসেছি বলে আমায় চেন নাই ॥
নিংনি ঃ—শুন্‌ৰে সুন্দৰি ! মই যে মৰু তোৰে তাপে ।
চিনা নাই, কোন মই, মই যে তোৰ বাপে ॥
মাইকী ঃ—বাপ বাপ বলিস নাৰে মুখে দিব ছাই ।
তোমাৰ মত মুখ পুৰো কোথাও দেখি নাই ॥
বাঙালীৰ মেয়ে আমি বাঙালী বাপ মোৰ ।
আমাৰ বাপ হইবাৰে চাও—বৰ আশা তোৰ ॥
নিংনি ঃ-আৰে বেটী ! মুখপুৰী, চেপ্‌তানাকী,হাৰিত খাইতী তই'।
ধৰ্‌ ফৰ কৰে মোৰ বুকু দেখি তোৰ বিলাই ॥
তোৰ দৰে বাগৰি ফুৰা যদি হলেঁ। হয় ।
তইনো কোন বাপেৰ বেটি নিশ্চয় চালেঁ। হয় ॥
মাইকীঃ—যাও যাও মুখ চাম্‌লায়া, খাৰ খাৰা অসমীয়া ।
তোৰ ঘৰে আসছি বলে গেলাম মুখ ফিৰাইয়া ॥
গোৱালপাৰা না হইয়া যদি হইত বাংলা দেশ ।
নাকে ডৰী লাগাইয়া কৰতাম জীৱন শেষ ॥
নিংনিঃ—যাতো ই গোৱালপাৰা ইয়াত কি দেখিলা ?
তোৰ দেশৰ কিনাৰতে পৃষ্টভঙ্গ দিলা ।
মোৰ লগত বল তইঁত বৰপেটাক যাওঁ ।
তহঁতৰ দৰে কবিক মই মেক্‌ৰী ঠেক্‌ছা দিওঁ ॥



দেখা পাবা তাত গলে কৈলাঠাকুৰৰ বল ।
সাত ভুবন দেখাই দিম,খুৱাম খাৰৰ জোল ॥

এইদৰে নানা তৰ্ক-বিতৰ্ক কৰি অৱশেষত নিংনি ভাৱৰীয়াৰ হাতত জব্দ হৈ ভাৱৰীয়াক বাপদাই দিহে কবি কেইজনে যাব পাৰিছিল ।

## ৪২শ ৰহস্য

### বৰপেটাৰ নাওখেলত নিংনি ভাৱৰীয়া

বৰপেটা শ্ৰীমন্ত শঙ্কৰ মাধৱৰ লীলাক্ষেত্ৰ । অসমীয়া মাত্ৰে সেইবাবেই এই পুৰীক আজিও ২য় বৈকুণ্ঠপুৰী বুলি মানে। বাস্তৱিকে এই মহাপুৰুষ দুজনাৰ কৃপাগুণে আজিও পুৰণি শিল্প-কলা-নৃত্য-গীত-ভাওনা, নাম-কীৰ্ত্তন, ধৰ্ম-সংস্কৃতি আৰু সমাজ বান্ধোন সকলোবিষয়তে বৰপেটা অসমৰ কিয় মানৱ জাতিৰ আদৰ্শ হৈ আছে ।

শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ তিৰোভাব উপলক্ষে বৰপেটাত যি কীৰ্ত্তন মহোৎসব পালন কৰা হয় তাত বিশেষকৈ মৰানদী আৰু কীৰ্ত্তন ঘৰৰ খট্‌খটিত হোৱা নাওখেলৰ ৰং-ধেমালিয়ে অসংখ্য যাত্ৰীৰ মাজত আনন্দৰ হেন্দোলনি তোলে। অসমৰ নানা দূৰণীবটীয়া যাত্ৰী সকলৰ মনত অপাৰ আনন্দ দিয়ে। এই নাওখেল চাই বাস্তৱতে মানুহে যে মনত কি অসীম উৎসাহ আৰু

প্ৰাণত বিমল সুখানন্দ লাভ কৰি গোটেই বৰপেটা খলক লগাই তোলে সি বৰ্ণনাতীত। আনফালে এই উৎসৱতে বৰপেটাৰ প্ৰত্যেক হাটিৰ মানুহৰ শক্তি পৰীক্ষা হয়। এনেই বাৰিষা বৰপেটা গোটেই নগৰখন যেন পানীত ওপঙিহে থাকে। কেউফালে ঢৌ ঢৌ কৰে পানী আৰু মাজতে সেউজীয়া দ্বীপটোৱে কি যে অতুলনীয় প্ৰাকৃতিক শোভা ধাৰণ কৰে! ভগৱন্তই কি অপাৰ কৃপাগুণে তেওঁৰ মহান উদ্দেশ্য ফলৱতী কৰিবলৈ এনেহেন প্ৰাকৃতিক সৌন্দৰ্য্যৰ অপূৰ্ব্ব সমাবেশ পূৰ্ণ এই ঠাইতে এই দুই মহাপুৰুষৰ মহামিলন ঘটাইছিল। সেই মহিমা বুজিবলৈ সাধ্য নাই।

কীৰ্ত্তনত নাওখেল চাবলৈ মৰা নদীৰ আৰু খট্‌খটিৰ পাৰত পিপৰাৰ মূৰ যেন লোকসমুদ্ৰই বাট চাই আছে। সকলোৱে বাজিমৰাৰ কাৰণে শাৰী শাৰীকৈ সমাবেশ হোৱা আৰু নাওখেলত ভৰ্ত্তি হবলৈ আহিবলৈ ধৰা নাও বিলাকত বাউছে বিলাকে কি আনন্দভৰে সমস্বৰে গীত গাই গাই বুকুভৰা উৎসাহ প্ৰাণত লৈ একেতালত বঠা মাৰি মাৰি আহিবলৈ ধৰে সেই দৃশ্য আনন্দত মতলীয়া হৈ চাই থাকিল।

বৰপেটাৰ প্ৰত্যেক হাটিৰপৰা যুবকে-যুবকে, লৰাই-লৰাই, আদহীয়াই-আদহীয়াই মিলি নানা চিত্ৰ-বিচিত্ৰ মন-প্ৰাণ কাঢ়ি নিয়া ধুনীয়া-ধুনীয়া কাঠৰ নাওত শাৰীয়ে শাৰীয়ে বহি গীত গাই গাই গীতৰ চেৱে চেৱে হালি হালি বঠা মাৰি কেউফালৰ পৰা আহি নিৰ্দ্দিষ্ট ঠাইত নাওবোৰ জমা হব। প্ৰত্যেক নাওৰে এজনকৈ গুৰিয়াল আৰু আগুৱাল থাকে। আগুৱালৰ ওচৰতে এজনে সুৰীয়া গীত লগাই দি আনন্দভৰে গোৰোহা মাৰি




গুৰুম্ গুৰুম্ শব্দ কৰি বাউছে সকলক গা তুলি দিয়া এজনকৈ পাঠক বা কণাকাটা প্ৰতি খেলনাওতে থাকে। এই কণাকাটাৰ পটুতাৰ ওপৰত নাওৰ হৰা-জিকা বহুতখিনি নিৰ্ভৰ কৰে।

মাজৰ হাটিৰ খেলনাওৰ কণাকাটা হয় নিংনি ভাৰৱীয়া। নিংনি ভাৰৱীয়াই পদ লগাই অহা দেখিলে মানুহৰ আনন্দৰ সীমা নোহোৱা হয়। সকলোৱে জুমি জুমি চায় কণাকাটা নিংনি ভাৰৱীয়াৰ অঙ্গী-ভঙ্গীলৈ। এনেতে মাজৰ হাটিৰ নাও অহা বুলি তোলপাৰ লাগিল। সঁচাকৈ কণাকাটা নিংনি ভাৰৱীয়াই নানা অঙ্গী-ভঙ্গী দেখুৱাই গুৰুম্ গুৰুম্ শব্দ কৰি গীত লগাই দি গোটেই নদীটো তোলপাৰ লগালে।

( ১ )

দিহা—হৰিবোল হৰিবোল বোলোৰে।
নিতাই চান্দে প্ৰেমেৰ বাজাৰে॥
হৰিৰ নাম বিনেৰে গোবিন্দ নাম বিনে।
বিফলে মনুষ্য জন্ম যায় দিনে দিনে॥

পদঃ—হালত মৰিল হালোৱা গৰু
গলিত মৰিল গাই।
(হৰিবোল হৰি.... )
ও পানী খাওতে দামৰা মৰিল
কটি থেক্‌ছা খাই।
(হৰিবোল - হৰি ..... )





[ ২ ]

দিহা ঃ—দেখোৰে চান্দ্ —বাম হাতে ধনু খন ধৰিআছে ৰাম।

পদ ঃ— সাত আখিমান খাই ফেল্লাক সুদা পুইৰা কল---

দেখোৰে চান্দ - -

বাঃ জুৰ বাঃ হেইও হে--- ॥

ৰাতি পুৱাইলোৰে হে কুকুৰাই পাৰে ৰাৱ-- ।

বালাত বাগৰি কান্দে--তিনটা বাঘৰ চাৱ ॥

ৰাতি পু--- ।

হনুমন্তক শনি পাইছিল লঙ্কাত দিলাক জুঁই ।

ৰাতি পু— ।

ও কুম্ভকৰ্ণক শনি পাইছিল ছমাহ আছিল শুই ।

ৰাতি— —

( ৩ )

দিহা ঃ - একি হৰিহে হায়ৰে ......

অর্জ্জুনৰ সাৰথি নাৰায়ণ

হৰিহে হায়ৰে .......

পদঃ - চালত উঠিল চাল কুৰেৰী, বেৰাত উঠিল পুঁই

হৰিহে আহাৰে—একি হৰিহে অৰ্জুনৰ .......

এ-কি বস্তু খুজিলোঁ ৰামত মৃগৰে ছাল ॥

তাক দিব নোৱাৰি ৰামে কৰে আলজাল্ ॥

এ কি হৰি হে ... এ কি বাঃ জুৰ .... বাঃ,

অৰ্জ্জুনৰ ... ... ।

( ৪ )

দিহা :—কি আহাৰে হৰি দৈৱকী নন্দন দেৱ।
দেৱ হৰিয়ে একি আহাৰে দৈৱকীনন্দন দেৱ ॥
ও হো-হো নাৰদে আহিলা.
ও দিব্য পাৰিজাত দিলন্ত কৃষ্ণৰ হাতে.
নাহাৰে কি—আ—হা··· ৰে দৈৱকী নন্দন দেৱ।

পদঃ—আহাৰে—কটাক্ষে নিৰখে
আহাৰে আনন্দে হাসিয়া,
ও দিলন্ত ৰুক্মিণীৰ হাতে
আহাৰে ৰুক্মিণী ভীষ্মৰ নন্দিনী,
দিব্য পাৰিজাত পাৰি,
লাহ-বেশ কৰি ফুল পিন্ধে দেৱী--
অতিকে অতি শুৱনী।
এই বুলি নাৰদে তেখনে চলিলা,
... গৈলা সত্যভামাৰ ঠাই।
তুমিতে কৈছিলা চেনেহৰ ভাৰযা
মোত পৰে আন নাই ॥
নাৰদ বদতি শুনা কুৰুপতি
মই আহিলোঁ কৰমৰ দোষে ॥
যতে সত্যভামাই বাতৰি পায়াছে
পৰিয়াছে বৰ ৰোষে ॥
কৃষ্ণ আসিবাৰ দেখি সত্যভামাই
চাৰিলা দিব্য আসন ॥
ত্যজি সিংহাসন চিণ্ডি হেমহাৰ
মাটিতে কৰে শয়ন ॥



দিহাঃ--ও কইনা পলিৰ ভিতাৰত।
অলে মাত নেদা কিয় মনৰ বিকাৰত ॥
আমি আছোঁ বাহিয়া চোতালত।
ও কইনা ....

পদ ঃ--মাদালোৰে হাল-জঙল, তামুলোৰে ফাল।
ও কইনা ......
বুঢ়া হাউলাই ডিমাপাৰে' হাঁহে বাৰে হাল ॥
ও কইনা ····
ওলাই মাত ·····

একেলগে সুসজ্জিত নাওবোৰ লগলগাই বাজি মাৰিবৰ সময়ত নির্দ্দিষ্ট স্থান নোপোৱা পর্য্যন্ত নাওবোৰে গোটেই নদীৰ তলৰ পানী ওপৰ কৰি উখল-মাখল লগাই গতি কৰে। সেই সময়ত অসংখ্য লোকসমুদ্ৰৰ মাজত আনন্দৰ ৰোল লাগে আৰু মনৰ উৎফুল্লতাত সকলোৰে প্ৰাণ নাচি উঠে। যিখন নাও আগুৱাই যায় সিখনৰ বাইচ্ সকলে আনন্দতে নাচিবলৈ ধৰে আৰু বঠাৰে নাওৰ বাৰত থেকেছি থেকেছি জয়ধ্বনি কৰে। কিছুমান নাও পাচত পৰে আৰু কিছুমান নাও লক্ষ্যভ্ৰষ্ট হৈ পানীত ডুবি যায়। নাওৰীয়া সকলে অথাউনি পানীত পৰি হাবুডুবু খায়। শই শই লৰা-ডেকাই হাতত বঠা লৈ পানীত সাতুৰি নাডুৰি কিমান যে ৰং ধেমালিৰ মেলা বহুৱায় তাৰ সীমা নাই। বৰপেটাৰ ভকত সকলে একেধিয়ানে কাৰ ভাগ্য ফলিয়ায় তাকে চাই থাকে। যি হাটিৰ নাও জিকিব সেই

হাটিৰ আৰু নাওৰ গৰাকীৰ যশস্যা কেউফালে বিয়পি পৰে ; তদুপৰি পুৰস্কাৰটো আছেই।

এইবাৰ প্ৰতিযোগিতাত দুখন নাও সমানে আগবাঢ়িল। মাজৰ হাটিৰ নাওখনৰ লগত আন জিকা নাওখনৰ বাইচ্ সকলৰ ভিতৰত ভীষণ কাজিয়া লাগিল। ইখনে কয় আমি আগ, সিখনেও কয় আমিহে আগ। অৱশেষত দুয়োখন নাৱৰ মানুহৰ ভিতৰত বঠাৰে কোবোৱাকুবি লাগি গ'ল। পানীত সাতুৰী-নাড়ুৰী জলযুদ্ধ আৰম্ভ হ'ল। যেয়ে যাকে য'তে পালে মাৰিলে আৰু মৰামৰিৰ ভয়তে বহুতে পানী কাউৰীৰ দৰে ডুবিয়াই ডুবিয়াই পলাই সাৰিল। নাওবোৰো ডুবিল আৰু কাৰ বঠা কোনে লৈ গল তাৰ থান্থিত নোহোৱা হ'ল। মাজৰ হাটিৰ অৰ্থাৎ নিংনি ভাৰৰীয়াৰ নাওত মাহীয়েকৰ পুতেক যজ্ঞুৰামৰ বঠা সালসলনি হ'ল। তেওঁৰ বঠাখন হেৰুৱাই বিপৰীত দলৰ এজনৰ এখন বঠা কাঢ়ি লৈ আহিল ; অৱশেষত নিংনি ভাৰৰীয়াৰ দলেই মৰামৰিতো জিকিল।

কাজিয়া বৰ হুলস্থুল ভাবে লাগি পৰিল। মাজৰ হাটিৰ বাইচ সকলৰ ওপৰত মোকৰ্দ্দমা উঠিল। যজ্ঞুৰামকো মিছা ডকাইতিত পেলাই দিলে। কিছুদিনৰ পাচতে মোকৰ্দ্দমাৰ বিচাৰ হলত যজ্ঞুৰামৰ ছমাহ ফাটেকৰ হুকুম হ'ল। নিংনি ভাৰৰীয়া বাঁচি থাকোঁতে তাৰ মাহীয়েকৰ পুতেক ভায়েকৰ এনে দশা হোৱা বাবে ভাৰৰীয়াই লাজ অপমানত নাক উলিয়াব নোৱাৰা হ'ল। তেওঁ এই সামান্য মোকৰ্দ্দমাটোত



যজ্ঞুৰামৰ এনে দশা হব বুলি সপোনতো ভবা নাছিল ; হেয়-জ্ঞান কৰি ফিটাহি মাৰি থাকোঁতেই ইপিনে মোকৰ্দ্দমাৰ বিচাৰ হৈ শাস্তিৰ হুকুম হৈ গ'ল।

## ২৫শ ৰহস্য

### যজ্ঞুৰামৰ মুক্তি

যি হবৰ হৈ গ'ল ; এতিয়া যজ্ঞুৰামক মুক্ত কৰাৰ উপায় কি তাকে ভাবি-চিন্তি গুৱাহাটীত আপীল কৰাৰ দিহা কৰিলে। যথা সময়ত গুৱাহাটীত বৰ চাহাবৰ আগত আপীল দাখিল কৰা হ'ল, আপীলৰ তাৰিখো স্থিৰ হ'ল।

ইতিমধ্যে নিংনি ভাৰৰীয়াই গুৱাহাটীলৈ গ'ল। তেওঁ মনতে ভাবিলে যে, যি কোনো উপায়ে মেমক হাত কৰিব লাগিব—নহলে কাম সিদ্ধি হোৱা টান।

সেই সময়ত বৰপেটাত বৰ ভাল দৈ গাখীৰ আৰু মাখন পোৱা গৈছিল। বৰপেটাৰ দৈ গাখীৰ নিবলৈ বাচন নালাগিছিল। দোকানীয়ে জুখি অলপ কলৰপাত বা কাগজত বান্ধি দিলেই যলৈ-তলৈ নিব পৰা আছিল। তেনেকুৱা খুব ভাল গাখীৰ এবেৰীয়া আৰু কান্ধৰ জোলোঙাত কিবাকিবি সম্বল ভৰাই লৈ তাৰাবাৰী ঘাটত জাহাজত উঠি গুৱাহাটী পালেগৈ। গুৱাহাটীত বিচাৰি বিচাৰি বৰ চাহাবৰ বঙলা বিচাৰি উলিয়ালে।

বৰ চাহাব আৰু মেম দুয়ো অসমীয়া মানুহ নহলেও অসমীয়া ভাষা ভালদৰে বুজি পাইছিল আৰু কবলৈকো শিকিছিল। ভাৱৰীয়াই চাপ্ৰাচী এজনৰ হাতত গাখীৰৰ বেৰীয়াটো দি পঠালে। চাপ্ৰাচীয়ে বেৰীয়াটো মেমৰ হাতত দি কৰবাৰ গাওঁলীয়া বুঢ়া এজনে বহি বাট চাই আছে বুলি জনালত তেওঁ বেৰীয়াটো হাতত লৈ ঘপৰাই বাহিৰলৈ ওলাই আহিল। তেওঁ ভাৱৰীয়াৰ ওচৰ চাপি সুধিলে—"তোমাক কি লাগে বুঢ়া মানুহ"!

ভাৱৰীয়া—একো নালাগে আই! বৰ চাহাবক দেখা কৰিবলৈ আহিছো,—সুদা হাতে আহিম নে? বৰপেটাৰ ভাল দৈ গাখীৰ এবেৰীয়াকে লৈ আহিছোঁ। পাচে আই! এই বঙলাত---

সপ্ত দুৱাৰ অষ্টাদশ খিৰিকি
অট্টালিকাত পালেঁা চাই।
পাচ খোটালি ন জোৰ খুটি
গণি চোৱা আছে নে নাই॥

সঁচাকৈ গণি চায় যে, ভাৱৰীয়াৰ বিচাৰ ঠিক। এওঁ ইমান সঠিককৈ কেনেকৈ জানিলে? তাকে ভাবি আচৰিত মানি মেমে সুধিলে—

"তুমি ক'ত থাকা? তোমাৰ নাম কি?

ভাৱৰীয়া ঃ—মা! থকা ঠাইৰ কি অভাব মোৰ চালৰ উপৰে।
সিংহকো নদৰেঁা কিন্তু মোক মেকুৰী পালে নেৰে ॥
অসম আইৰ শ্ৰেষ্ঠ ভূমি দ্বিতীয় বৈকুণ্ঠ ধাম।
বৰপেটাত থাকোঁ মই নিংনি ভাৱৰীয়া নাম॥



যি দেশত বিনা জুঁয়ে সিদ্ধ হোৱে ভাত।
যি দেশৰ তিৰীবোৰে বোৱে দেশী তাঁত॥
যি দেশৰ আই-মাই বিহা মেখেলা লয়।
যি দেশত এণ্ডী মুগা বৰ আসন পায়॥
যি দেশৰ কলপটুৱাৰ দোনা চিলাই কৰে।
যি দেশত বৰ তালেৰে হৰিৰ নাম ধৰে॥
যি দেশত জাপি লৈ অলৈ তলৈ যায়।
যি দেশত ওজা পালি নানা শাস্ত্ৰ গায়॥
যি দেশৰ বিহু নাচ কতো দেখা নাই।
যি দেশৰ বৰগীত সংসাৰতে নাই॥
যি দেশৰ আল চাউল মুগ-বুট নাৰিকল।
আদা লোণ সানি কৰে প্ৰসাদ বিতৰণ॥
যি দেশত বোকা চাউল আৰু এঠা দৈ।
কলৰ দোনাত সাজি খুৱায় কুহিয়াৰ মিঠৈ॥
যি দেশত কলাখাৰ খায় ঘৰে ঘৰে।
যি দেশত কানী নহলে মূৰ ধাকুৰি মৰে॥
যি দেশত কাণত সোণা পিন্ধে তিৰীবোৰে।
গল পাতা জুক মাদুলী ডিঙিত শোভা কৰে॥
যি দেশত মাঘ বিহুত মাহ কাৰে খায়।
বহাগ বিহুত চাৰ ছনি বিহু গীত গায়॥
আই সকলে গীত গাই গাই সাত-শাক তুলে।
লৰাবোৰে ভেলা সাজি মাঘত ওমলে॥
ৰঙালি বিহু আহে যেবে কাতি পূৰ্ণিমাত।
ছলিবোৰে মোহোহো দি খায় বালি ভাত॥

মেম—বাৰু হৈছে—কবিবৰ। বিনাজুঁয়ে ভাত কেনেকৈ ৰান্ধে দেখুৱাব পাৰিবা জানো ?

নিংনি—নিশ্চয় দেখুৱাম আই। কিন্তু মোৰ এটি অনুৰোধ আছে।

মেম—বাৰু কি অনুৰোধ কোৱা।

নিংনি—আজিৰ পৰা আপুনি মোৰ ধৰ্ম্মৰ আই। মই আপোনাক আই বুলি মাতিম, আপুনি বেয়া নাপায়তো ?

মেম—বাৰু বিনা জুঁয়ে যদি ভাত ৰান্ধি দেখুৱাব পাৰা তেনেহলে নিশ্চয় আই বুলিবা—একো বেয়া নাপাওঁ।

ভাৱৰীয়াই তাৰ পথৰ সম্বল লগত নিয়া জোলোঙাৰ পৰা এমুঠা বোকা চাউল উলিয়াই এটা সৰু কাঁহৰ বাটিত লৈ মেমক এলোটা পানী খুজিলে। মেমে পানী এলোটা আনি দিলত অলপ পানী বাটিত ঢালি লৈ চাউল মুঠা মুচৰি মুচৰি ধুই পানী খিনি পেলাই দিলত বোকা চাউল সিজি ভাত যেন হ'ল। তেতিয়া বাটিটো মেমৰ আগত থৈ দিলত মেমে এটা টিপি চাই দেখে যে চাউল কেইটা সিজি বাস্তৱতে ভাত যেন হৈছে।

এনেতে ভাৱৰীয়াই মাত লগালে—

কেনে পালে আই !
অসম দেশৰ বিষম কথা
কতো দেখা নাই।
কি যে সোৱাদ পাব যদি
কল সানি খায়।



এই বুলি কবিতা গাই জোলোঙাৰ পৰা আঠিয়া কল এটা উলিয়াই দি কলে,—

আই ! কি চাইছে ?

বিতং বিতং মহাবিতং
বকলিমুক্ত আঠিয়া কলং
সিদ্ধ অন্নং সহ সান্যতে।
ভোগং ভোগং মহা ভোগং
কিনো মজাং উপভোগ্যতে, যদি দধিং—

মেম—তুমি তো ভাল সংস্কৃত কব পাৰা দেখিছোঁ। সঁচাকৈ কল সানিলে খাবলৈ ভাল হব নেকি ?

ভাৱৰীয়া—এঃ কৈছেহে আই ! সানি লৈ অলপমান মুখতেই দি চাওকচোন বাৰু ?

বাধ্য হৈ মেমে বোকা চাউলে দৈয়ে সানি অলপমান মুখত দি "উঃ ! তুমি কাহানিও নোখোৱা বস্তু খুৱালা"।

ভাৱৰীয়া—বিনা জুঁয়ে ৰন্ধা ভাত খালে নে আই ? তেনেহলে আজিৰ পৰা আপুনি মোৰ ধৰ্ম্মৰ আই, স্বীকাৰ হৈছে নহয় ?

মেম—তুমিতো কম কবি নোহোৱা—তোমাৰ দৰে পুত্ৰ এটি পাই মই ধন্য হে হলোঁ। বাৰু বোপা ! তুমি কিয় ইমান দূৰৰ পৰা আহিছা কোৱাচোন।

ভাৱৰীয়া—কম আই ! মোৰ আই বোপাৰ আগত মোৰ সকলো দুখৰ কথা কম। বোপাকো আহিবলৈ দিয়ক।

মেম—"বাৰু, চাহাব আহিলেই কবা। এতিয়া আহি ঘৰত বহাহি"। এই বুলি মাতি নি বঙলাত ভালদৰে আদৰ-সাদৰ

কৰি বহিবলৈ দিলে। ভাৰৰীয়াও কছাৰীৰ পৰা চাহাব অহাকে বাট চাই আছে। ইতিমধ্যে ঘৰত মেমৰ লগত প্ৰত্যেক কথাই কথাই কবিতাৰে অনেক ৰসাল কথা পাতি মেমক ভুলাই পেলালে।

আবেলি প্ৰায় ৪টা মান বাজিল। বৰ চাহাব কাছাৰীৰপৰা বঙলা মুখে আহিবলৈ ধৰিছে। এনেতে "সৌৱা বৰ চাহাব আহিব ধৰা" বুলি মেমে কোৱা মাত্ৰকে ভাৰৰীয়াই বঙলালৈ যোৱা দুৱাৰ দলিত ঠিক মাজ ভাগতে ওলোটা খৎ দি ভৰি দুখন ওপৰ কৰি মূৰটো মাটিতে লগাই থিয় হৈ থাকিল আৰু দুয়ো হাতেৰে দুৱাৰ দুখনত ভিতৰলৈ প্ৰবেশ কৰিব নোৱাৰাকৈ ধৰি থাকিল।

বৰ চাহাব আহি দুৱাৰদলিত এইদৰে বাট বন্ধ কৰি ওলোটা খৎ দি থকা দেখি কোনোবা বলিয়াই এনেদৰে থকা বুলি ভাবি থৎমত খাই চকিদাৰক মাত লগালে। এনেতে বৰ চাহাবৰ মাত শুনি মেমে বঙলাৰ পৰা ওলাই আহিল আৰু ভাৰৰীয়াৰ মূৰ্ত্তি দেখি দূৰৈৰ পৰা হাঁহিবলৈ ধৰিলে।

বৰ চাহাব—চকিদাৰ ক'ত? তুমি এইদৰে হাঁহিছা কেলেই?

মেম—ভয় নাখাব। এওঁ এজন ভাৰৰীয়া।

বৰ চাহাব—ভাৰৰীয়া? এইদৰে আছে কিয়? তাক কি লাগে, নাম কি?

নিংনি :—কি কব দেউতা?

যাৰ নাই ঘৰ বাৰি, সি যায় নলবাৰী;
যাৰ নাই খেতি বাতি, সি যায় গুৱাহাটী।



যাৰ নাই শাক-পাচলি সি যায় পলাশবাৰী।
যাৰ হৈছে কপাল মন্দা, সি দিয়ে কটিপিন্দা॥
মূৰৰ ওপৰত থাকোঁ মই, ঘৰৰ চালত বাঁহ।
মোৰ গু নাখায় যেয়ে ভাত নাযায় জাহ॥
নিংনি ভাৰৰীয়া মোৰ নাম অতিকৈ সজা।
লৰি আহিছোঁ ইয়ালৈ খবৰ লৈ মজা॥
মহাৰাণীৰ নিমন্ত্ৰণ হঠাৎকাৰে পাই।
কৰিলোঁ বিলাত যাত্ৰা ততাতৈয়া কই॥
উঃ কম কি! মহাৰাণী খুৱালে ঠাহি ঠাহি।
বাপদান দি বিদায় দিলে ৰজা ৰাণী আহি॥
সেই সংবাদ দিও বুলি বাপৰ ওচৰত।
পোনে পোনে আহিলোঁ মই বাপৰ বঙলাত॥
পাতালত নাগগণ আছে বাট চাই।
খুচি হ'ল সিহঁতেও ৰজাৰ বাৰ্ত্তা পাই॥
কাণ পাতি শুনোঁ বুলি পাতালৰ কথা।
তল মুখা হলোঁ মই হৈ হেট মাথা॥
সেইবাবে বাপ মোৰ নধৰিব দোষ।
বাপৰ আগত নধৰিনো ক'ত ধৰিম ৰোহ॥

বৰচাহাব—বাৰু! আপুনি এতিয়া থিয় হৈ কথা কওকচোন।

নিংনি :—বিলাতৰ খবৰ আনি দিলোঁ আপোনাক।
মোৰ যি কথা আছে কোৱা নাই তাক॥
সাধো বুলি কয় যদি যাওঁ এবে কই।
সত্যে সত্যে দিছোঁ মহাৰাণীৰ দোহাই॥

যদি হে বিমুখ কৰে মোৰ বাপ হই।
নধৰোঁ জীৱন আৰু মৰিম শুকাই ॥
নেদেখুৱাম মোৰ মুখ এই জগতত।
শুনিলে ৰজা-ৰাণীও হব লোত্ সোত্ ॥

মেম—বাৰু! আপুনি তেওঁৰ যি কাম আছে কৰি দিম বুলি কওকচোন। নহলে বাট মুকলি নহব।

বৰ চাহাব—বৰ মুস্কিলত পৰিলোঁ দেখোন! "বাৰু, কি কাম আছে কৰি দিম, আপুনি থিয় হওক।"

ভাৱৰীয়া - ( থিয় হৈ যোৰহাতে )

ধইন ধইন মোৰ হে চৌদ্ধ পুৰুষ মুক্তিদাতা।
সঁচাকৈ আজিৰ পৰা মোৰ হ'ল পিতা ॥
মাহীৰ পুতেক ভাই মোৰ যজ্ঞুৰামক।
অবিচাৰে তাকে শত্ৰুই দিয়ালে ফাটক ॥
অহা কালি দেউতাই কৰিব বিচাৰ।
ৰক্ষা কবচ দি মোক কৰিলে উদ্ধাৰ ॥
নকৰিলে হই যদি ৰক্ষা আপীলত।
ডিঙিত ৰচী লগাওঁ হৈ আমৰ ডালত ॥

এই বুলি ভাৱৰীয়াই ভৰি দুখনত সাবটি ধৰিলত—

জজে তেওঁক "এনেকুৱা কৰিব নাপায়, বাৰু ভয় নাই উঠা" এই বুলি কৈ দুহাতেৰে ধৰি তুলি বঙলালৈ লৈ গ'ল। চাহাবে নিজেও এখন চেয়াৰত বহিল আৰু ভাৱৰীয়াকো আন এখন চেয়াৰত বহিবলৈ দিলে। এনেতে বাতৰি কাকতৰ এজেণ্ট্ আহি টেবিলৰ ওপৰত "ইংৰাজী পেপাৰ" এখন শোধালে। ভাৱৰীয়াই "পেপাৰ" খন চাহাবে লবলৈ নৌপাওতেই ঘপৰাই



আগতে হাত কৰি লৈ চেয়াৰত বহি ধাম ধুম ইপিঠি সিপিঠি বগৰাই যেন মনে মনে পঢ়িবহে ধৰিছে এনেকুৱা ভাও দেখুৱালে। ইপিনে চাহাবে সঁচাকৈ ভাৱৰীয়াই ইংৰাজী ভালদৰে জানে বুলি ভাবি অলপ পাচতে সুধিলে—পিচে কিবা ভাল খবৰ আছে নেকি?

ভাৱৰীয়াই পেপাৰত এখন ৰেলগাড়ী বগৰা ছবি দেখি তাকে দেখুৱাই কবলৈ ধৰিলে—

হয় দেউতা! আপ ষ্টিমাৰ কাম্ চ,
ডাউন ষ্টিমাৰ কাম্ চ.
বোথ্ ষ্টিমাৰ থেত্‌চ'
বয়লাৰ ইজ ফাটচ এণ্ড ডাউন।

পুনঃ ভাৱৰীয়াই দুজন খেলুৱৈ বেট বল খেলোৱা যতন লৈ থিয় হৈ থকা ছবি এটা পেপাৰত দেখি তাকে চাহাবক দেখুৱাই দি কলে—

দিচ্ মেন ডেট্ মেন্ কাটিং দি বাহৰ চুঙা
উইথ্ দিচ্ কুঠাৰ,
আই চ ইট্ অন মাই চকু।

চাহাবে এইবাৰ খিল্‌খিল্‌কৈ হাঁহি কলে – আপুনিটো বেচ্ কৈ ইংৰাজী পেপাৰ পঢ়িব পাৰে।

ভাৱৰীয়াই কলে—নোৱাৰিম নো কিয় দেউতা।

সৰুৰ পৰা ডাঙৰ হলু
আই নাম দিলাক কলা।
ধুম্ ধুইমা ডাঙৰ হলু
পঢ়বা নাজনু ফলা ॥

কলা কলা আখৰ কেইটা
চিনিবাকে নৰু।
আখৰ নহ পুথিখেন
বাগৰে জুগৰে পঢ়ু ॥
পুথি পঢ়ু পুথি পঢ়ু দিপৰাৰে ভুখে ॥
আই বাপাই ভাত নেদে
হাগু ছুৱাৰ মুখে ॥

এনেকুৱাকৈ অসংখ্য কবিতা গাই জজ চাহাবক অস্থিৰ কৰি তুলিলে। ভাৱৰীয়াৰ প্ৰতি জজ চাহাবৰ ভাল ভাব হ'ল।

পিচ দিনা যজ্ঞুৰামৰ আপীলৰ বিচাৰ। জজৰ বঙলাতে নিংনি ভাৱৰীয়াইও আগতে পোৱা হাকিমৰ পোচাকজোৰ পিন্ধি বৰচাহাব হৈ ওলাল। জজ কাছাৰীত উকীল, ভকীল, পিয়াদা, পেস্কাৰ সকলোৰে চোৱা-চুই ভবা-চিন্তা লাগিল জজৰ লগত সেইজন কোন আহিছে বুলি। জজে আদালতত বহিয়ে যজ্ঞু-ৰামৰ আপীল বাহিৰ কৰিলে আৰু যজ্ঞুৰামক নিৰ্দ্দোষী বুলি খালাচ দিলে। জজৰ লগত কথা-বতৰা পতা দেখি কাছাৰীৰ সকলোৱে কোনোৱা কলিকতীয়া বেৰিষ্টাৰ অহা বুলি ভাবি নিংনি ভাৱৰীয়াক সকলে 'চেলিউত' দিলে। নিংনি ভাৱৰীয়াই এইবোৰ ৰহস্য কৰি যজ্ঞুৰামক আপীলত খালাচ্ কৰি লৈ ঘৰলৈ ঘুৰি আহিল।

# ২৬শ ৰহস্য

## কটিয়েদি ধোৰা কাউৰ ওলোৱা

আই সকলে হুয়ো বেলা কীৰ্ত্তন ঘৰলৈ যায় আৰু বেছিভাগেই নাম লবলৈ গৈ বাবে ভচহু 'গৃহস্থালী মেল কৰি সময় কটায়। নিংনি ভাৱৰীয়াৰ সেইবোৰ দেখি চকু পিত্ পিতাই আছিল।

এদিন ভাৱৰীয়াই পুৱা উঠি শৌচ কৰিবলৈ যোৱাৰ আগতেই মাকক কলে—আই! মোৰ আজি পেটত কিবা হৈছে —কিবাহে হানা-খুচা লগাইছে, কিহবাই খুটিয়াব ধৰিছে যেন পাওঁ। এবাৰ শৌচকে কৰি আহোঁচোন—এই বুলি লৰা-ধপৰা কৈ শৌচ কৰা ঘটি এটাত পানী ভৰাই লৈ বাহিৰলৈ গ'ল। কিছু সময় পাচত শৌচ কৰি আহি মাকক কলে "আই! আই! সৰ্ব্বনাশ হৈছে"। "কি সৰ্ব্বনাশ হৈছে বোপাই।" "এঃ নকওঁ দে, কলে আৰু আপুনি মানুহক কৈ দিব, পাচে হাহাকাৰ খন লাগি পৰিব"। "নকওঁদে বোপা। মোৰে কিৰা (শপথ) লাগে, কি হৈছে কৱ"। এঃ নকলেও নেৰে যদি কওঁ বাৰু, কিন্তু সাৱধান কাকো নকব। মোৰ আজি হাগোতে কটিয়েদি ৩টি ধোৰাকাউৰ ওলাল"। "হাঁ!! কি কোৱাহে বোপা!! ও মোৰ বোপাই ঐ এ মোৰ আই ঐ!! কি ধোৰাকাউৰ ওলাইছে বোপা!"

সচাঁ আই! এয়া নহয় পেটত আকৌ খুটিয়াব ধৰিছে— আকৌ ওলাব, উঃ। মই আৰু ৰব নোৱাৰু" এই বুলি আকৌ ফুৰা হোৱা ঘটিলৈ শৌচ কৰিবলৈ গ'ল।

পুনঃ কিছু সময়ৰ পাচত ঘূৰি আহি মাকক কলে—'এইয়া আপুনি বিশ্বাস নকৰে নহয়—আৰু ছুটা ওলাল। পেটটো এতিয়াও হানা-খুচা কৰিয়ে আছে—আৰু ওলাব। কাবৌ কৰিছোঁ, মোৰে শপথ দিছোঁ আই, কাকো নকব"। এই বুলি কৈ আকৌ শৌচ কৰিবলৈ গ'ল। ঘূৰি আহি আকৌ ছুটা ওলোৱা বুলি কলত মাকে মূৰে-কপালে হাত দি অস্থিৰ হৈ পৰিল। "এতিয়া কেনে পাইছা বাপা।" এইবাৰহে কিছু ভাল পাইছোঁ আই।"

ইপিনে মাকৰ কীৰ্ত্তন ঘৰক নাম লব যোৱা সময় উকলি গ'ল। ভাৱৰীয়াই কলে—আই! আৰু চিন্তা নকৰিব; মই ভাল হম—কোনো ভয় নাই। আপুনি কীৰ্ত্তন ঘৰলৈ যাওক, হৰিৰ নামক পাচ দিব নাপায়। মাকে অলপ স্বস্তি লাভ কৰি বেজাৰ মনে পুতেকৰ চিন্তাত চিন্তিত হৈ কীৰ্ত্তন ঘৰলৈ গ'ল।

মাকে কীৰ্ত্তন ঘৰলৈ যোৱাত বহুত পলম হোৱা দেখি ইও সুধে "আই! তোৰ কিয় পলম হ'ল"? সিও সোধে—আই! তোৰ কিয় পলম হ'ল?" পেটৰ কথা ৰাখিব নোৱাৰি মাকে ঘৰৰ ওচৰৰ এজনী বুঢ়ীৰ আগত কলে—"এই আই। মোৰ দুৰ্কপালৰ কথা আৰু নকবিদে'। "কি হৈছে আই?" "এ কাকো কব নোৱাৰা কথা নকওঁদে—মোৰ কপালৰ দোষতে যি হৈছে হৈছে আৰু"। "নহয় আই! মোক কবই লাগিব—তোৰ কি হৈছিল? "তেনেহলে কাকো নকবিদে আই। মই তোকহে কলোঁ। কি দিন কাল হ'ল কবই নোৱাৰোঁদে—আজি



মোৰ বোপা নিংনিৰ হাগোতে কটিয়েদি ধোৱা কাউৰ ওলাইছে।" সঁচানে—কি কৱ হে আই! এনেও অদ্ভুত কথা হব পাৰেনে।" সঁচানে—আই? এটা ছুটা নহয় ৩ বাৰ হাগোতে ৭টি ওলাইছে।" সিজনীয়ে আকৌ ওচৰৰ জনীক কয়—"হেৰ আই? এনেকথা কববাত শুনিছানে?" "কি কথা আই।" "এ নকবিদে এনে জগতত নোহোৱা কাণ্ডও ঘটেনে।" "কি কথা হৈছে আই। কচোন কৱ।"

"এ কব লগা কথা নহয় দে আই! নুশুনাই ভাল।" "কি হৈছে আই। কচোন কৱ—মই কাকো নকওঁদে।" "তই কাকো নকবি হলি। কি কথানো হব আই! আজি আমাৰ নিংনি বোপাৰ হাগোতে কটিয়েদি কেবাটিও ধোৱা কাউৰ ওলাইছে।" "উঃ! কি সৰ্ব্বনাশ! ৰাম-ৰাম!! এনে দিন কালহে হল নে আই!"

ইজনীয়ে আকৌ এইদৰে অইন এজনীক কৈ দিলে। এইদৰে কাকো কবলৈ হাক দি ইজনীয়ে সিজনীক, সিজনীয়ে আন এজনীক কওতে কওতে কীৰ্ত্তন ঘৰৰ কাঠিত যিমান আই সকল আছিল সকলোৱে শুনিলে আৰু আই সকলৰ মাজত কটিয়েদি ধোৱা কাউৰ ওলোৱা কথালৈ উলো-মূলো লাগি গ'ল। প্ৰথমতে ভাৱৰীয়াৰ আত্মীয়লোক, পাচত হাটিৰ আই সকলে, অৱশেষত গোটেই বৰপেটাৰ আই সকলে উঠি নিংনি ভাৱৰীয়াৰ খবৰ লবলৈ লৰি-ধাপৰি যাবলৈ ধৰিলে। গৈ দেখে—নিংনি ভাৱৰীয়াই হকা টানি বহি আছে। আই সকলে গৈ সোধে হে সোধে। "বোপা! কি হৈছিল কচোন। তোৰ ধোৱা

কাউৰ ওলোৱা কথা সঁচানে ?” নিংনি ভাৱৰীয়াই হাঁহি এটি মাৰি কলে—এঃ মই নকৈছোঁ নে ? এই আই সকলে কীৰ্ত্তন ঘৰক নাম লব যায় নে ? ও এই হে আপোনালোকৰ নামত মনোযোগ ! ও—ধোৱা কাউৰ ওলোৱা কথা শুনি হব পায় নাম এৰিও দৌৰ দিছে। এই হে ঈশ্বৰত ভক্তি ?”

আই সকলে ভাৱৰীয়াৰ কথা শুনি লাজতে চকুত হাত দি দি পলাল। মাকেও খঙতে কনপৰা, শগুণে খোৱা, মৰঙ্গেমাৰা বুলি ধাম-ধুম গালি পাৰি থাকিল।

## ২৭শ ৰহস্য

### তিৰোতাৰ সজাত নাই

ভাৱৰীয়াই ঘৈণীয়েকক সদায় “তিৰীত বিশ্বাস নাই, তিৰীক কেতিয়াও বিশ্বাসৰ কথা কব নালাগে” বুলি কৈ থাকে। ঘৈণীয়েকৰ উঠে মনে মনে খং। নিংনি ভাৱৰীয়াই তেওঁৰ খং উঠা কথা লক্ষ্য কৰি একো নকৈ মনে মনে থাকে।

এদিন ভাৱৰীয়াই গধূলি গোহালীৰ পৰা নি বুঢ়া হাউলা এটা অইন এঘৰ আত্মীয় মানুহৰ গোলীত বান্ধি থৈ আহিল। পিচদিনা বৰেৰ পুৱাই উঠি মহা কোদালখনলৈ পিচ ফালে চোতালৰ আগত এটা মস্ত গাঁত খান্দিলে আৰু সেই গাঁতত গছৰ ফালিব নোৱাৰা মূৰা এটা থৈ মাটি জাপিবলৈ ধৰিলে।



এনেতে ভালদৰে পোহৰ হোৱাৰ লগে লগে ঘৈণীয়েকে উঠি বাহি বন কৰিবলৈ ধৰিলে। খালটো পোতা প্ৰায় শেষ হলত ঘৈণীয়েকে ভয় ভয়কৈ ওচৰলৈ গৈ কিহবনো গাঁত কৰিছে চাবৰ মনে ওচৰলৈ গৈ সুধিলে—“ইমান ৰাতিতে উঠি ইয়াত নো কি পুতি থলে ?” ভাৱৰীয়াই হাত জোকাৰি—মুখৰ ভিতৰতে কলে—“হেৰ ! লোকে শুনিব, ডাঙৰ ডাঙৰকৈ কথা নকবি। মই তোক কম বাৰু, আগে গাঁতটো ভালদৰে মাৰি থওঁ—নহলে মানুহে জানিব পাৰিলে সৰ্ব্বনাশ হব”। ঘৈণীয়েক—“হয়নে ? বাৰু পাচত কব”। এই বুলি বাহি গা-পা ধুবলৈ গুচি গ’ল।

ভাৱৰীয়াই গোটেই গাঁতটো মাটিৰে পুৰাই ওপৰত পানী-চানি চটিয়াই, জাবৰ ভুহুৰা দি গাঁতৰ চিন-মোকাম নোহোৱা কৰি উঃ ৰাম ৰাম ! বুলি ঈশ্বৰৰ নাম কৰি গা-পা ধুই ওলাল।

ইফালে ঘৈণীয়েকৰ মন চট্‌ফটাই আছে—ভাৱৰীয়াৰ পৰা কথাটো শুনিবলৈ। ভাৱৰীয়ানীয়ে আহি ভাৱৰীয়াক আকৌ সুধিলে “এতিয়া কওকচোন কি পুতিলে ? গোটেই চিন-চাব নোহোৱা কৰি থলে দেখোন, কাৰণ কি ?”


ভাৱৰীয়াই লাহে লাহে কলে—“খবৰদাৰ, তই এই কথা কেতিয়াও কাকো নকবি, কলে মই গোবধীয়া হম। শুন্—কালি গধূলি গৰু বান্ধোতে কিবা খং উঠি বুঢ়া হাউলাটোক এটা ভুকু মাৰি দিওতে ততত্ পৰি হব পায় থৰ্ থৰ্‌কৈ পৰি মৰি থাকিল। ৰাতি কোনেও শুই নুঠোতে তাক পুতি থলোঁ। তইহে যি জানিলি, অইন কোনোৱে জানিব পৰা নাই। মই

গৰু মৰা বুলি জানিলে সমাজে মস্ত দায় ধৰিব। মই কোনোবাই সুধিলে হাউলাটো হেবোৱা বুলি কম। তই কাকো আচল কথাটো নকবিদে। ঘৈণীয়েকে-"ও তাকেহে কৰিছে নে? কাকো নকওঁ বাৰু"।

এইদৰে কেইদিনমান গ'ল। যাৰ গোলীত গৰুটো বান্ধি আহিছিল পিচদিনা গৈ তাক কেইদিনমান গৰুটো যত্ন কৰি ৰাখিবলৈ কৈ আহিল।

এদিন আঞ্জাত লোণ বেচি হোৱা দেখি সেই চলতে ভাৰবীয়াই ঘৈণীয়েকক বৰকৈ গালি-সপনি পাৰি ভাত নাখাই, আঞ্জা চৰীয়াত ঢালি "বেটি সাত সাজ খাব পাৰ আৰু ভাত আঞ্জা কেইটাকে বান্ধি দিব নোৱাৰ, তইঁতৰ নিমিত্তে মই দিনে ৰাতি খাটি মৰোঁ কিন্তু খাবৰ সময়ত ইসোপা তোৰ মূৰাহে বান্ধি দিয়" এই বুলি হুলস্থূল লগাই দিলে। ঘৈণীয়েকেও মনে মনে থকা বিধৰ নাছিল। তেওঁ ভাৰবীয়াৰ মুখে মুখে বেয়া বেয়াকৈ উত্তৰ দিব ধৰিলে; অৱশেষত ভাৰবীয়াই গৈ ঘৈণীয়েকক দুটামান কোব মাৰিলে। মাৰ খাই ঘৈণীয়েকে চিঞৰ বাখৰ লগাই দিলত হাটীৰ তিৰী-ছলি আহি ঘৰ-চোতাল ভৰি পৰিল। ইফালে ঘৈণীয়েকে কয় 'হু—মোকহে মাৰিছ' ৰহ্ মই তোৰ কথা মানুহক কৈ দিম"। ভাৰবীয়া—"কৈ দিবি! বেটি! জীৱন মাৰিম, দেচোন কৈ দে" এই বুলি গৈ আকৌ মিছাইও দুটা মান খুন্দা মাৰিলে। এইবাৰ ভাৰবীয়ানীৰ অসহ্য হল - "হে বাপাহত আইহত! চাচোন! এই গোবধীয়াটোৱে মোক কিয় বাৰে বাৰে মাৰি মাৰি গাটো কিয়া কৰে চা বাপাহত! চা





সৌ তাত সিদিনা বুঢ়া হাউলাটো মাৰি পুতি থৈ দিছে। ঔ আই! মোক গোবধীয়া হবৰ ভয়ত কৰও হাক দিছে। তাকে কওঁ বোলোতে মোক ধৰি মাৰেহে মাৰে। এনে মৰদৰো ভাত খাই থাকিব পাৰিনে ?

"ও হয় নে ? ভাৱৰীয়াই এনে কাণ্ড হে কৰিলেনে ? ৰহ্ তেনেহলে চোৱা যাওক"—এইবুলি হুজনমান গা-উঠা চেংৰাই ( ডেকাই ) দুখন কোদাল ধৰি ঠাই ডোখৰ খান্দি পেলালে। খান্দোঁতে খান্দোঁতে গাৰ ঘাম ওলাই গ'ল কিন্তু একো নোলায়। মৰাশ ক'ৰ পৰা ওলাব ? অৱশেষত ওলাই পৰিল গছৰ মূৰা এটা।

ভাৱৰীয়ানী সকলোৰে আগত লাজত পৰি থতো-মতো লগালে। ভাৱৰীয়াই ভাৱৰীয়ানীৰ দুৰৱস্থা দেখি হাঁহি হাঁহি কবলৈ ধৰিলে 'মই সেইদিনা নকৈছিলোঁ।' বোলে তিৰীত সজাত নাই, এতিয়া প্ৰমাণ পালিনে' ?

ভাৱৰীয়ানীয়ে ভাৱৰীয়াক একোতে বলে নোৱাৰি তেতিয়াৰ পৰা ভাৱৰীয়াৰ কথা মানি চলা হ'ল।

---

# ২৮শ ৰহস্য

## জুৱা খেলধৰা ৰহস্য

নিংনি ভাৱৰীয়াই নকৰা কাম জগতত নাই। মাজে সময়ে গৈ জুৱাখেলৰ আড্ডাতো ৰস জমাই থাকে। এদিন জুৱাৰী সকলৰ আড্ডাতো গৈ ভাৱৰীয়াই জুৱা খেলা চোৱাত মত্ত হৈ আছে। ইপিনে পুলিচে সেই জুৱাৰীৰ দলটো ধৰিবৰ মনেৰে চল চাই আছিল। সেইদিনা হঠাৎ এদল পুলিচ আহি জুৱাৰীৰ দলটোক ঘেৰি ধৰিলে। পুলিচক দেখিয়ে জুৱাৰীবোৰে পলাই সাৰিবলৈ যেয়ে যেনি পালে তেনি লৰ দিলে। পুলিচেও যাকে য'তে পালে খেদি খেদি ধৰিলে। নিংনি ভাৱৰীয়াইও লৰ মাৰি সাৰিব খোজোতে এজন পুলিচে পিন্ধা কাপোৰতে থাপ্ মাৰি ধৰিলে। ভাৱৰীয়াই কাপোৰত ধৰাতো লৰিবলৈ নেৰিলে। লৰাৰ লগে লগে কাপোৰখন সোলোকাই দিলত পুলিচৰ হাতত কাপোৰখনহে থাকিল। ভাৱৰীয়াই নাঙঠ হৈয়ে এঘৰ মানুহৰ পিচৰফালেদি লৰ দিলে। ইপিনে পিচে পিচে পুলিচ জনেও খেদিয়ে আছে। ভাৱৰীয়াই পাচ ফালে থকা এটা কুঁৱাৰ পাৰেদি লৰ দিলে। কুঁৱাত আকৌ এজন বুঢ়া মানুহে গা ধুই এখন আঢ়ে হতীয়া পিন্ধি চাই আছিল। ভাৱৰীয়াই লৰ মাৰি যাওতে একে চুচাই গৈ সেই বুঢ়াৰ গামোচাখন টান মাৰি নি নিজে মেৰাই ললে আৰু এঘৰ মানুহৰ ভৰ দুপৰীয়া মজিয়াত

বঢ়া ভাত থকা দেখি ভাৱৰীয়াই গৈ মোকা-মোকি খাবলৈ ধৰিলে। সিপিনে কাপোৰ নিয়া বুঢ়াই নঙঠা হৈ লাজতে "ও আইহঁত! মোক এখন কাপোৰ দে, মোক এখন কাপোৰ দে" এই বুলি চিঞৰাত বোৱাৰীয়েকে বুঢ়াৰ গতি বিষম দেখি লৰালৰিকৈ গৈ কাপোৰ থোৱা ঠাইৰ পৰা এখন কাপোৰ টান মাৰি খৰধৰকৈ লৈ আহি বুঢ়াক দিলত দেখে যে—সেইখন মেখেলাহে আহিছে। বুঢ়াই নিৰুপায় হৈ মেখেলা খনকে মেৰাই ললে। এই এইবোৰ দৃশ্য দেখি ভাৱৰীয়াক খেদি যোৱা চিপাহীৰ আঁত হেৰাই গ'ল আৰু ভাৱৰীয়াৰ বহুত পাচত পৰিল। ভাৱৰীয়াই যি ঘৰ মানুহৰ মজিয়াত গৈ খাব ধৰিছিল চিপাহীজন গৈ সেইঘৰ মানুহৰ চোতালত থিয় হৈ "ভাৱৰীয়া কলৈ গ'ল" বুলি সুধিলে। ভাৱৰীয়াই মুখত ভাত সুমুৱাই লৈ পুলিচটোক ধমক লগাই কব ধৰিলে "তই খাবৰ সময়ত কাক বিচাৰি আহিছা? ভালক ভালে গুচি যা নহলে কথা বেয়া হব"। চিপাহীয়ে কলে—এইমাত্র ইয়াতে সোমোৱা মই দেখা পাইছোঁ। ভাৱৰীয়া-"ইহ্ বেটা দেখা পাইছা" এই বুলি ঘৰৰ দুৱাৰ খনৰ খিল মাৰি বন্ধ কৰি দিলত চিপাহীটোৱে খাবৰ সময়ত লোকক দিক্দাৰ দিয়া অনুচিত ভাবি তাৰ পৰা উলটিল। ভাৱৰীয়াই ভাত খাই লাহে লাহে ওলাই ঘৰলৈ গ'ল।

**সমাপ্ত**